www.asombarta.in
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
# অসম বাৰ্তা
PRGI REGD. NO. : ASASS/25/A2361
অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

স্বপ্ন সেয়া নহয় যি আমি টোপনিত দেখো, স্বপ্ন সেয়াহে যি আমাক টোপনি যাবলৈ নিদিয়ে। –ড° এ.পি.জে. আব্দুল কালাম

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৫৪ | শুকুৰবাৰ | ২৪ জুলাই, ২০২৬ চন | Volume/Year- I | Issue- 254 | Friday | 24th July, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

### সদনৰ বাহিৰত গগৈৰ ক্ষোভ, কেন্দ্ৰক ৰাষ্ট্ৰীয় দুৰ্যোগ ঘোষণাৰ দাবী

# উজনিৰ জলপ্ৰলয়ক সদনত উপস্থাপন কৰি নিলম্বিত অখিল গগৈ

### ■ 'অখিল গগৈ এজন বিশ্বাসঘাতক' ঃ বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ দাবী ■



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৩ জুলাই ঃ** অসম বিধানসভাৰ বাজেট অধিৱেশনৰ দশম দিনটোত অতি চাঞ্চল্যকৰ এক পৰিস্থিতিৰ সৃষ্টি হয়। শিৱসাগৰৰ বিধায়ক তথা জননেতা অখিল গগৈয়ে উজনি অসমৰ ভয়াবহ বানপানীৰ বিষয়টো সদনৰ মজিয়াত উত্থাপন কৰিবলৈ আগবাঢ়ে। কিন্তু অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে সময়সীমা উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰি তেওঁক 'বিশ্বাসঘাতক' বুলি তীব্ৰ ভাষাৰে সম্বোধন কৰে আৰু দিনটোৰ বাবে সদনৰ পৰা নিলম্বনৰ আদেশ জাৰি কৰে। অধ্যক্ষৰ আদেশ পালন কৰি সদনৰ মাৰ্শ্বালসকলে অখিল গগৈক শাৰীৰিকভাৱে দাঙি ধৰি সদন গৃহৰ বাহিৰলৈ উলিয়াই নিয়ে। এই ঘটনাই বিধানসভা অধিৱেশনত তীব্ৰ আলোড়নৰ সৃষ্টি কৰে। পূৰ্বতে অধ্যক্ষই অখিল গগৈক উজনি অসমৰ বান পৰিস্থিতি সম্পৰ্কে বক্তব্য ৰাখিবলৈ মাত্ৰ দুই মিনিট সময়ৰ অনুমতি প্ৰদান কৰিছিল। কিন্তু বিধায়কগৰাকীয়ে যেতিয়া নিৰ্ধাৰিত সময় অতিক্ৰম কৰি দুমিনিট চৌচল্লিছ ছেকেণ্ড ধৰি কথা ক'বলৈ আৰম্ভ কৰে, তেতিয়া অধ্যক্ষই তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। অধ্যক্ষ দাসে কয়, "আপুনি মোক বিশ্বাসঘাতকতা কৰিলে। মই আপোনাক দুই মিনিট দিছিলোঁ, কিন্তু আপুনি সেই সময় সীমা অমান্য কৰি সদনৰ মৰ্যাদা হানি কৰিলে। আপোনাৰ দৰে ❏ ৪ পৃষ্ঠাত

## NEET প্ৰশ্নকাকত ফাদিলক ৰাজনৈতিক নাটক আখ্যা ৰণোজ পেগুৰ


### কংগ্ৰেছ শাসিত ৰাজ্যত প্ৰশ্নকাকত ফাদিলৰ প্ৰতি ৰাহুলৰ মৌনতাক লৈ প্ৰশ্ন



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৩ জুলাই ঃ** অসমৰ শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে বৃহস্পতিবাৰে গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত বিৰোধী দলৰ নেতা ৰাহুল গান্ধীক NEET প্ৰশ্নকাকত ফাদিলৰ ঘটনাক ৰাজনৈতিক নাটকলৈ পৰিণত কৰাৰ তীব্ৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে কংগ্ৰেছ নেতাজনে শিক্ষাৰ্থীসকলৰ প্ৰকৃত ❏ ৪ পৃষ্ঠাত

### প্ৰশাসনৰ সতৰ্কতা জাৰি
### আতংকিত নহৈ সজাগ হোৱাৰ আহ্বান

## দৈয়াং জলবিদ্যুৎ প্ৰকল্পই খুলি দিলে দুখন গেট



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ২৩ জুলাইঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলি থকা প্ৰলয়ংকৰী বান পৰিস্থিতিৰ মাজতে নগালেণ্ডৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ (নীপকো) স্পিলৱেৰ দুখনকৈ গেট খুলি দিয়ে। ফলত নামনি অঞ্চলসমূহত পুনৰ বান পৰিস্থিতি অধিক জটিল হোৱাৰ আশংকা সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, বৃহস্পতিবাৰে দুপৰীয়া ১২ঃ২০বজাত স্পিলৱে গেট নং—২ আৰু ১২ঃ৩০বজাত গেট নং—৩ আধা মিটাৰকৈ (০.৫০ মিটাৰ) খুলি ❏ ৪ পৃষ্ঠাত

# প্ৰলয়ংকৰী বানত ৪০জন লোকৰ মৃত্যু, ৭০জন সন্ধানহীন

### কমাৰবন্ধাৰ আশ্ৰয় শিবিৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ঃ শীঘ্ৰে অসমলৈ আহিব কেন্দ্ৰীয় প্ৰতিনিধিৰ দল



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৩ জুলাই ঃ** প্ৰলয়ংকৰী বানে উজনি অসমৰ চৰাইদেউ, শিৱসাগৰ, যোৰহাট জিলাৰ লগতে গোলাঘাটত জিলাতো ভয়ংকৰ পৰিস্থিতি সৃষ্টি কৰে। গোলাঘাট জিলাত ব্ৰহ্মপুত্ৰ, ধনশিৰি, গেলাবিল, আৰু কাকডোঙা নদীৰ বাঢ়নি পানীয়ে বোকাখাত, খুমটাই, দেৰগাঁও, আৰু গোলাঘাট সমষ্টিৰ বিস্তীৰ্ণ এলেকা জলমগ্ন কৰিজন জীৱন বিপৰ্যস্ত কৰি তুলিছে। জিলাখনৰ বান পৰিস্থিতিৰ বুজ ল'বলৈ আজি পুৱাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কমাৰবন্ধাৰ ভাস্কৰ উচ্চবুনিয়াদী বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শবিৰত আশ্ৰয় গ্ৰহণ কৰি থকা ৰাইজৰ মাজত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ❏ ৪ পৃষ্ঠাত

## তিনিসপ্তাহৰ ভিতৰত আত্মসমৰ্পণ কৰিব লাগিব সোণম ৰঘুবংশীয়ে

### মেঘালয়ৰ হনিমুন হত্যাকাণ্ডৰ মূল অভিযুক্তৰ জামিন বাতিল; উচ্চতম ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ নিৰ্দেশ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৩ জুলাই ঃ** মেঘালয়ত সংঘটিত চাঞ্চল্যকৰ ৰাজা ৰঘুবংশী হত্যাকাণ্ডৰ মূল অভিযুক্তা সোণম ৰঘুবংশীক উচ্চতম ন্যায়ালয়ে বৃহস্পতিবাৰে এক গুৰুত্বপূৰ্ণ নিৰ্দেশ জাৰি কৰি আগন্তুক তিনিসপ্তাহৰ ভিতৰত ❏ ৪ পৃষ্ঠাত

### উচ্চতম ন্যায়ালয়ৰ পৰা জামিন লাভৰ পাছত পুনৰ সাক্ষাৎগ্ৰহণ

## ক্ৰাইম ব্ৰাঞ্চৰ চমন মানি গুৱাহাটীত পৱন খেৰা ঃ জেৰা আৰম্ভ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৩ জুলাই ঃ** কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা পৱন খেৰা বৃহস্পতিবাৰে গুৱাহাটীৰ ক্ৰাইম ব্ৰাঞ্চ কাৰ্যালয়ত উপস্থিত হৈছে। অসম আৰক্ষীৰ অপৰাধ শাখাই তেওঁক জেৰাৰ বাবে তলব কৰাৰ পাছতেই তেওঁ ❏ ৬ পৃষ্ঠাত

## শিৱসাগৰত বন্যাৰ্তৰ মাজত বদৰুদ্দিন আজমলৰ সাহায্য বিতৰণ

### আজমল ফাউণ্ডেশ্বনৰ জোলা গাঁৱৰ পৰা 'Emergency Flood Relief—২০২৬' আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ জুলাই ঃ** ৰাজ্যৰ উজনি অঞ্চলত বানপানীয়ে সৃষ্টি কৰা ভয়াবহ দুৰ্যোগৰ মাজতে এআইইউডিএফৰ সভাপতি তথা জমিয়ত উলামা-ই-অসমৰ নেতা মৌলানা বদৰুদ্দিন আজমলে বৃহস্পতিবাৰে শিৱসাগৰ নগৰৰ সমীপৰ জোলা গাঁৱৰ পৰা বানাক্ৰান্ত ৰাইজৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কাৰ্যসূচী মুকলি কৰে। আজমল ফাউণ্ডেশ্বনে আয়োজন কৰা ❏ ৪ পৃষ্ঠাত

## লখিমপুৰত কংগ্ৰেছৰ প্ৰতিবাদ জিলা সভাপতিসহ দুজনক আটক

### কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত উত্তাল প্ৰতিবাদ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ জুলাই ঃ** কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত লখিমপুৰ জিলা কংগ্ৰেছে বৃহস্পতিবাৰে এক উত্তাল প্ৰতিবাদ কাৰ্যসূচী অনুষ্ঠিত কৰে। দিল্লীৰ যন্তৰ-মন্তৰতো একে দাবীৰে চলি থকা প্ৰতিবাদৰ সমান্তৰালভাৱে লখিমপুৰতো কংগ্ৰেছকৰ্মীসকলে জিলা আয়ুক্তৰ কাৰ্যালয় অভিমুখে যোৱাৰ সিদ্ধান্ত লয়। কিন্তু আৰক্ষী বিভাগে আগতীয়াকৈ এই কথা জানিব পাৰি ব্যাপক প্ৰস্তুতি চলায় ❏ ৪ পৃষ্ঠাত

## মৰিয়নীৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ

### মথাউৰি পুনৰ নিৰ্মাণৰ আশ্বাস বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ সংগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, টীয়ক, ২৩ জুলাই ঃ** অসমৰ উজনি অঞ্চলত বানপানীয়ে সৃষ্টি কৰা বিধ্বংসী পৰিস্থিতিৰ মাজতে বৃহস্পতিবাৰে কেন্দ্ৰীয় মন্ত্ৰী তথা কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাই মৰিয়নী সমষ্টিৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৰে। নাগালেণ্ডত হোৱা ডাবৰ বিস্ফোৰণৰ ফলত জাঁজী, দিখৌ, দিচাং, ভোগদৈ, দৰিকাকে ধৰি একাধিক



নদীৰ জলপৃষ্ঠ তীব্ৰ গতিত বৃদ্ধি পোৱাৰ লগতে বানপানীয়ে চৰাইদেউ, শিৱসাগৰ, যোৰহাট, গোলাঘাটকে ধৰি ৰাজ্যৰ ১৮খন জিলাক ❏ ৪ পৃষ্ঠাত

## দিল্লীৰ ১৭টা মেট্ৰ' ষ্টেচন শুকুৰবাৰে বন্ধ

### পুৱা ৭.৩০ বজাৰ পৰা পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে সেৱা বন্ধ

**ষ্টাফ ৰিপ'ৰ্টাৰ, নতুন দিল্লী, ২৩ জুলাই ঃ** ৰাজধানী দিল্লীৰ ১৭টাকৈ মেট্ৰ' ষ্টেচন শুকুৰবাৰে অৰ্থাৎ ২৪ জুলাইত বন্ধ থাকিব। দিল্লী মেট্ৰ' ৰে'ল কৰ্পোৰেশ্বনে (DMRC) এই সম্পৰ্কে এক নিৰ্দেশনা জাৰি কৰি জনাইছে যে পুৱা ৭.৩০ বজাৰ পৰা পৰৱৰ্তী নিৰ্দেশনা নহা পৰ্যন্ত এই ষ্টেচনসমূহ বন্ধ ৰখা হ'ব। অৰশ্যে ৰাজীৱ চ'ক, মাণ্ডী ❏ ৪ পৃষ্ঠাত

## গান্ধী স্মৃতিত 'ইণ্ডিয়া' জোটৰ শোকসভা ঃ প্ৰশ্নকাকত ফাদিলত প্ৰাণ হেৰুওৱা শিক্ষাৰ্থীসকললৈ শ্ৰদ্ধাঞ্জলি


### শিক্ষামন্ত্ৰীৰ পদত্যাগ আৰু ৰাজহুৱা ক্ষমাৰ দাবী

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৩ জুলাই ঃ** বিগত দিনবোৰত নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাই সৃষ্টি কৰা মানসিক দুৰ্বলতা আৰু অন্তৰ্দ্বন্দ্বৰ বলি হৈ বহু শিক্ষাৰ্থীয়ে নিজৰ জীৱন হেৰুওৱাৰ ঘটনাই ❏ ৪ পৃষ্ঠাত

### ক্ষয়ক্ষতি মূল্যায়ন আৰু পুনৰ্নিৰ্মাণৰ বাবে প্ৰতিনিধি দল প্ৰেৰণৰ কথা ঘোষণা

## অসমৰ বান পৰিস্থিতিৰ বুজ ল'বলৈ মুখ্যমন্ত্ৰীৰে টেলিফোনিক বাৰ্তালাপ অমিত শ্বাহৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ জুলাই ঃ** অসমৰ বানপানীৰ পৰিস্থিতি দিনকে দিনে ভয়াৱহ হৈ পৰিছে। বিগত এপ্ৰিল মাহৰ পৰা ৰাজ্যখনৰ মুঠ ২৫খন জিলা বানৰ কবলত পৰিছে যদিও বৰ্তমানো ১০ খনৰো অধিক জিলাত পানীৰ পৰা মুক্তি পোৱা নাই। শিৱসাগৰ, যোৰহাট, গোলাঘাট আৰু শোণিতপুৰকে ধৰি কেইবাখনো জিলাৰ শ শ গাঁও এতিয়াও জলমগ্ন হৈ আছে। শেহতীয়া পৰিসংখ্যা অনুসৰি এই বানপানীৰ ফলত এতিয়ালৈকে ৪১ গৰাকী লোকৰ মৃত্যু হৈছে, লগতে বহু সংখ্যক লোক নিৰুদ্দেশ হৈ আছে বুলি আশংকা কৰা হৈছে। ৰাজ্যখনৰ এই চৰম পৰিস্থিতিক ❏ ৪ পৃষ্ঠাত



## ছিকিমৰ টানেলৰ পৰা ২২ টা মৃতদেহ উদ্ধাৰ

### সন্ধান অভিযান অব্যাহত
### উদ্ধাৰ অভিযান অব্যাহত



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ জুলাই ঃ** এনএইচপিচি টিস্তা ষ্টেজ ৫ৰ জলবিদ্যুৎ প্ৰকল্পৰ সুৰংগ (টানেল)ৰ পৰা উদ্ধাৰকাৰী দলে ২২টা মৃতদেহ উদ্ধাৰ কৰিছে আৰু বাকী থকা ভুক্তভোগী ❏ ৩ পৃষ্ঠাত

## এজাক বৰষুণতে পুনৰ ডুবিল গুৱাহাটী

### ৰাজপথ সাগৰসদৃশ, স্তব্ধ জনজীৱন· পাঁচ-ছয় ঘণ্টা একেস্থানত আবদ্ধ বাহন



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৩ জুলাই ঃ** উজনি অসমত প্ৰাকৃতিক বানপানীয়ে তাণ্ডৱ চলাই থকাৰ সময়তে ৰাজ্যৰ ৰাজধানী চহৰ গুৱাহাটী মহানগৰী বৃহস্পতিবাৰে ভয়ংকৰ কৃত্ৰিম বানৰ কবলত পৰি অচল হৈ পৰে। বিয়লিৰ পৰা আৰম্ভ হোৱা ধাৰাসাৰ বৰষুণে মুহূৰ্ততে চহৰখনক জলমগ্ন কৰি তোলে। অতি কম সময়ৰ ভিতৰতে নলা-নৰ্দমা উফন্দি পানী ৰাজপথলৈ ❏ ৩ পৃষ্ঠাত

## চচলত সত্যাগ্ৰহ! ৫০০ৰো অধিক শিক্ষাৰ্থীৰ প্ৰতিবাদ

### শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবী




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৩ জুলাই ঃ** নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ তীব্ৰ নিন্দা আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত দেশজুৰি চলি থকা ছাত্ৰ আন্দোলনৰ ঢৌ অসমতো প্ৰবাহিত হৈছে। বৃহস্পতিবাৰে গুৱাহাটীৰ চচল অঞ্চলত ষ্টুডেণ্টছ ফেডাৰেশ্বন অফ ইণ্ডিয়া (এছএফআই) অসম প্ৰদেশ কমিটিৰ উদ্যোগত এক বৃহৎ সত্যাগ্ৰহ কাৰ্যসূচী অনুষ্ঠিত হয়। দিল্লীৰ যন্তৰ-মন্তৰত ছাত্ৰ-ছাত্ৰীৰ ওপৰত চলা আৰক্ষীৰ কথিত বৰ্বৰতাৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি আৰু সোণম ৱাংচুকৰ প্ৰতি সংহতি জনাই এই কাৰ্যসূচী আয়োজন কৰা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা সমবেত হোৱা ৫০০ তকৈও অধিক শিক্ষাৰ্থীয়ে ধৰ্ণাস্থলীখন মুখৰিত কৰি তোলে। হাতত বেনাৰ, পোষ্টাৰ লৈ প্ৰতিবাদকাৰীসকলে 'শিক্ষামন্ত্ৰী পদত্যাগ কৰ', 'ছাত্ৰ সমাজৰ ওপৰত অত্যাচাৰ বন্ধ কৰ' আদি শ্লোগান দি চৰকাৰ বিৰোধী ক্ষোভ উগাৰে। কেইবাজনো শিক্ষাৰ্থীয়ে ভাষণ দি শিক্ষা ব্যৱস্থাৰ পূৰ্ণ সংস্কাৰ আৰু শিক্ষামন্ত্ৰীৰ ❏ ৪ পৃষ্ঠাত

## নীপকোৰ গেট খোলাৰ উদ্বেগত মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, কাজিৰঙা, ২৩ জুলাহ ঃ** অসমৰ বানপানীৰ ক্ষয়ক্ষতি মূল্যায়ন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অহা দুদিনৰ ভিতৰত এখন আন্তঃমন্ত্ৰণালয় দল (Inter-Ministerial Team) অসমলৈ প্ৰেৰণ কৰিব। বৃহস্পতিবাৰে নুমলীগড়ত বানপীড়িতসকলৰ বাবে খোলা এটা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত ❏ ৪ পৃষ্ঠাত

## বানাক্ৰান্তৰ কাষত শিল্পী সমাজ ঃ বিপিন চাউদাং-কুসুম কৈলাসৰ খাদ্য-সামগ্ৰী বিতৰণ

### গীতৰ মাধ্যমত সহায়ৰ আহ্বান জনালে বিপিন চাউদাঙে

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ জুলাই ঃ** অসমৰ উজনি অঞ্চলত বানপানীয়ে সৃষ্টি কৰা ভয়ংকৰ দুৰ্যোগৰ মাজতে মানৱীয়তাৰ এক উজ্জ্বল দৃষ্টান্ত স্থাপন কৰিলে মৰাণৰ শিল্পী সমাজে। জনপ্ৰিয় কণ্ঠশিল্পী বিপিন চাউদাং আৰু কুসুম কৈলাসৰ নেতৃত্বত একাংশ শিল্পী-কলাকুশলী খাদ্য সামগ্ৰী লৈ মাহমৰাৰ বানপীড়িত ৰাইজৰ ওচৰলৈ আগবাঢ়ি আহে। ইফালে বিপিন চাউদাঙে গীতৰ মাধ্যমত অসমবাসীক বানাক্ৰান্তৰ সহায়ত আগবাঢ়ি অহাৰ বিশেষ আহ্বান জনায়। উল্লেখযোগ্য যে নাগালেণ্ডত হোৱা অহৰহ বৰষুণ আৰু ডাৱৰ বিস্ফোৰণৰ ফলত চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত ❏ ৬ পৃষ্ঠাত



বৰ্ণাত্যৰ বাবে মুখ্যমন্ত্ৰীৰ স্থায়ী সমাধানৰ আশ্বাস; কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, এলিভেটেড কৰিডৰ আৰু নুমলীগড়-গহপুৰ সংযোগী টানেল সম্পৰ্কতো গুৰুত্বপূৰ্ণ মন্তব্য

# নুমলীগড়ত বানাক্ৰান্তৰ কাষত উপস্থিত হোৱা মুখ্যমন্ত্ৰীক ৰাইজৰ স্মাৰকপত্ৰ প্ৰদান

**অসম বাৰ্তা, নুমলীগড়, ২৩ জুলাই ঃ** উজনি অসমৰ বান বিভিষিকা পৰিদৰ্শন কৰি আজি বোকাখাত সমজিলাৰ নুমলীগড়ৰ বান পৰিস্থিতি বুজ লয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা বানাক্ৰান্ত ৰাইজৰ দুখ দুৰ্দশাৰ বুজ লোৱাৰ লগতে বানাক্ৰান্তৰ বাবে স্থায়ী সমাধানৰ কাৰণেও কেন্দ্ৰীয় চৰকাৰৰ লগত আলাপ আলোচনা কৰাৰ কথা জনায়। বিশেষ কৈ বানপানী অধ্যুষিত এলেকাৰ বাট পথ সমূহ ওখকৈ নিৰ্মাণ কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰাৰ কথা জানিবলৈ দিয়ে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যৰ প্ৰথমটো বানে উজনিৰ যোৰহাট, শিৱসাগৰ, চৰাইদেউ, নাজিৰা আদিত বিভিষিকাৰ সৃষ্টি কৰাৰ লগতে বোকাখাত সমজিলাৰ বিশেষকৈ নুমলীগড়ৰ ধোদাং, ১ নং পাৰঘাট, ৰৌদুৱাৰ আদি অঞ্চলতো বিভিষিকাৰ সৃষ্টি কৰে। বান পৰিস্থিতি বুজ লোৱাৰ সময়তে নিপকোৱে পুনৰ পানী এৰি দিয়াৰ সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে জানিবলৈ দি কয় যে নিপকোৱে পুনৰ পানী মুকলি কৰি দিলে চৰকাৰে শ্ৰীঘে ৰাইজৰ বিপদ কালত ব্যৱস্থা গ্ৰহণ কৰাৰ কথা জনাই। এই সম্পৰ্কে গোলাঘাট জিলাৰ নৈ পৰীয়া ৰাইজৰ ক্ষতি হোৱাৰ আশংকা প্ৰকাশ কৰি এই সমস্যাৰ লগত মোকাবিলা কৰিবৰ বাবে প্ৰশাসনক সজাগ দৃষ্টি ৰাখিবলৈ কয় আৰু জনসাধাৰণো সচেষ্ট হৈ থকাৰ প্ৰতিও আহ্বান জনায়। হৰ্থাৎ অহা চলিত বানত অঞ্চলসমূহৰ ৰাইজে লাগতিয়াল সামগ্ৰী কেইটা সামৰি প্ৰাণৰ মমতাত নিজৰ ঘৰখন এৰি নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা বান শিবিৰত আশ্ৰয় লয়। ইয়াৰোপৰি পশ্চিম ধোদাংৰ নৈ পৰীয়া ৰাইজৰ আশা ভৰষাৰ একমাত্ৰ কৃষিবান্ধটো যোৱাটো বাৰিষাতে বিধস্ত হৈ কৃষক ৰাইজৰ বিস্তৰ ক্ষতি সাধন কৰাৰ লগতে এলেকাটো ধনশিৰি নৈৰ ব্যাপক খহনীয়াৰ কবলত পৰে। এই খহনীয়া ৰোধৰ বাবে জলসম্পদ বিভাগক আবেদন নিবেদন কৰি অহা হয় যদিও আজিও এই জিঅ বেগ বান্ধৰ সুফল লাভ কৰা নাই অঞ্চলবাসী কৃষক ৰাইজে। এইবাৰো কৃষিবান্ধটো পঞ্চায়তৰ সামান্য পুজিৰে মেৰামতিৰ ব্যৱস্থা কৰি থকাৰ সময়তে প্ৰলয়ংকাৰী ধনশিৰি বানে কৃষিবান্ধৰ বিস্তৰ ক্ষতি সাধন কৰে। ইয়াৰ উপৰিও ধোদাং গাঁও তথা দাঁতিকাষৰীয়া গাঁও সমূহৰ একমাত্ৰ যাতায়তী পথ ধোদাং বুধবাৰী ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী জৰাজীৰ্ণ গৰকাপ্তানি পথটো চলিত বান পানীয়ে একেবাৰে বিধস্ত কৰি ৰাইজৰ দুখ কুলাই পাচিয়ে নধৰা কৰি তোলে। ইয়াৰ লগতে ভুতৰ ওপৰত দানহ পৰাদি ধোদাং তথা বৃহৎ অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথটোৰ সংযোগ স্থানত ফ'ৰলেন কৰ্তৃপক্ষই ডিভাইদাৰ স্থাপন কৰি সেই পথেৰে অহা ৰাইজক তিনি কিলোমিটাৰ পুবেদি নিৰ্মাণ কৰা U-Turn ৰে ঘূৰিবলৈ বাধ্য কৰোৱাই ছাত্ৰ-ছাত্ৰী, ৰোগী, প্ৰসুতী, গৰ্ভৱতী সকলোৰে প্ৰতি হাৰাশাস্তি কৰাতজন জীপন বিপৰ্যস্ত হৈপৰে। এই সকলো সমস্যা সামৰি স্থানীয় বিধায়ক অতুল বৰাৰ যোগেদি আজি ৰাইজে মুখ্যমন্ত্ৰী গৰাকীক এখন স্মাৰকপত্ৰ প্ৰদান কৰি ক্ষিপ্ৰতাৰে সমস্যা সমূহ সমাধানৰ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে এই সমস্যা সমূহৰ বুজ লৈ সংশ্লিষ্ট বিভাগ সমূহক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়াৰ বিষয়ে অবগত কৰে। উজনি অসমৰ বানপানীৰ ভয়াবহতা সম্পৰ্কে বৃহস্পতিবাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমৃত শ্বাহে মুখ্যমন্ত্ৰীক টেলিফোন যোগে অসমৰ বান পৰিস্থিতিৰ বুজ লোৱা বুলিও মুখ্যমন্ত্ৰীয়ে সদৰি কৰে। এই ক্ষয় ক্ষতিৰ বুজ লবলৈ কেন্দ্ৰীয় চৰকাৰে এটি প্ৰতিনিধি দল পঠিওৱাৰ কথাও তেলিফন যোগে মুখ্যমন্ত্ৰীক অবগত কৰে বুলিও জানিবলৈ দিয়ে। প্ৰয়োজন সাপেক্ষে কেন্দ্ৰীয় চৰকাৰে বান সমস্যা মোকাবিলা কৰিবৰ বাবে অতিৰিক্ত সহায়ৰ হাত আগবঢ়োৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰে আশ্বাস দিয়ে বুলি মুখ্যমন্ত্ৰী গৰাকীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বানৰ প্ৰয়োজন আছে যদিও বৰ্তমান হোৱা বানে কোনোধৰণৰ বিভিষিকাৰ সৃষ্টি কৰা নাই যদিও চৰকাৰে চোকা দৃষ্টি ৰখা বুলিও তেওঁ মন্তব্য কৰে। ইয়াৰ উপৰিও সংবাদসেৱীয়ে কৰা এটা প্ৰশ্নৰ উত্তৰত কলিয়াবৰৰ পৰা নুমলীগড়লৈ নিৰ্মাণ হ'ব লগা চাৰিলেণ্ডযুক্ত পথ আৰু এলিভেটেড কৰিডৰৰ নিবিদা দুই এদিনতে মুকলি কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়াৰ লগতে, ব্ৰহ্মপুত্ৰ নদীৰ তলেদি নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ লোৱা এচিয়াৰ ভিতৰতে দ্বিতীয় টানেল হিচাপে নিৰ্মাণ হ'ব লগা নুমলীগড় গহপুৰ নদী সুৰংগ পথ (টানেল)ৰ নিবিদাৰ কামো যো-জা চলি আছে। যথেষ্ট চিন্তা চৰ্চাৰে নিৰ্মাণ কৰিবলৈ লোৱা এইবৃহৎ নদী সুৰংগ পথৰ নিবিদা সাজু কম সময়ৰ ভিতৰতে সম্পুৰ্ন হ'ব বুলিও জানিবলৈ দিয়ে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। আজি মুখ্যমন্ত্ৰীৰ এই বান পৰিস্থিতি পৰিদৰ্শনৰ সময়ত লগত সহযোগিতা আগবঢ়াই কেবিনেট মন্ত্ৰী ক্ৰমে অতুল বৰা আৰু অজন্তা নেঁওগে।

# "শিপা দ্যা ৰুট"ৰ উদ্যোগত নগাঁৱত দহ হাজাৰ প্ৰচাৰ প্ৰত্ৰ বিতৰণ কায্যসূচীৰ শুভ উদ্বোধন অনুষ্ঠান



**অসম বাৰ্তা, ৰহা, ২৩ জুলাই ঃ** নগাঁৱৰ "শিপা দ্যা ৰুট"ৰ নগাঁৱৰ পাৱাৰ হাউচ তিনি আলিৰ কাৰ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত তেওঁলোকৰ অনুষ্ঠানৰ কৰ্মৰাজিৰ প্ৰশাৰ আৰু প্ৰচাৰ কৰি জনসাধাৰণ মাজত সজাগতা বৃদ্ধিৰ বাবে দহ হাজাৰ প্ৰচাৰ প্ৰত্ৰ বিতৰণৰ লগতে এলানি সজাগতামোলক কাৰ্যসুচী শুভাৰম্ভ কৰা হয়। শিপা The Root নামৰ আৰ্থ সামজিক অনুষ্ঠান টিৰ সাধাৰণ সম্পাদক প্ৰবীন চন্দ্ৰ দাসে আত ধৰা অনুষ্ঠানত কায্যকৰী সভাপতি ব্ৰজেন কাকতি, সভাপতি মোহিনীমোহন ডেকা লগতে মহান অনুষ্ঠানটিৰ বহু কেইজন সদস্য সদস্যা উপস্থিত থাকি অনুষ্ঠান টিৰ উত্তৰণৰ বাবে নানা উপদেশ মূলক বক্তব্য আগবঢ়াই প্ৰচাৰ প্ৰত্ৰখন শুভ উন্মোচন কৰে। বৰ্তমান সময়ত সাম্প্ৰতিক পৰিস্থিতিত এটা জাতিক ভৱিষ্যতে সময়ৰ খোজত আগুৱায় নিবলৈ জাতি অতীত তথা সোণালী ইতিহাস নৱপ্ৰজন্মই জনাতো অতি প্ৰয়োজন। সেই উদেশ্য আগত ৰাখিয়েই "শিপা দ্যা ৰুট" য়ে বহু কেইটা গুৰুত্বপূৰ্ণ কাৰ্যসুচী ইতিমধ্যে হাতত লৈছে আৰু ভৱিষ্যতেও ল'ব বুলি এই অনুষ্ঠানতে বিষয়ববীয়া সকলে অৱগত কৰে। বিগত বৰ্ষৰ ২৪ মে'ত গঠন হোৱা 'শিপা, দ্য ৰুট' এটা আৰ্থ-সামাজিক অনুষ্ঠান। এই অনুষ্ঠানৰ প্ৰধান লক্ষ্য হৈছে আমাৰ জাতীয় জীৱনৰ শিপা মজবুত কৰা। এই অনুষ্ঠানত সংগঠনটোৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক মোহিনী মোহন ডেকা, ব্ৰজেন কাঁকতি, সম্পাদক প্ৰবীণ চন্দ্ৰ দাসৰ লগতে ড° টুলুমণি দেৱী, দীপ্তি বৰা, ধীৰাজ শইকীয়া, গৌতম কুমাৰ বৰা, ৰমানন্দ শইকীয়া, ৰতন হীৰা, অৰুণিমা দাস, দিব্যজিৎ ঘোষ আদিয়ে অংশগ্ৰহণ কৰে।

# বৰপেটা জিলা আয়ুক্তৰ বান প্ৰস্তুতিৰ পৰ্যালোচনা সভা

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৩ জুলাই ঃ** অসম চৰকাৰৰ মুখ্য সচিবৰ নিৰ্দেশ মৰ্মে আৰু বিভিন্ন জিলাত বানপানী হোৱালৈ চাই বৰপেটা জিলাৰ আয়ুক্ত নৱদীপ পাঠকে জিলাখনত সম্ভাব্য বানপানীৰ বাবে কিদৰে প্ৰস্তুত আছে তাৰ এক পৰ্যালোচনা কৰে। সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ২২ জুলাই ২০২৬ ইং তাৰিখে অনুষ্ঠিত হোৱা এই পৰ্যালোচনা সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, সহকাৰী আয়ুক্ত সকল, চক্ৰ বিষয়াসকলৰ লগতে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰকল্প বিষয়া আৰু যুটীয়া স্বাস্থ্য সঞ্চালক, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা, লোক নিৰ্মাণ আৰু পথ সংমণ্ডল বিভাগৰ কাৰ্যবাহী অভিযন্তা, এ পি ডি চি এলৰ অভিযন্তা, মহিলা আৰু শিশু বিকাশ বিভাগৰ বিষয়া, দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰ বিষয়াসকল, জিলা কৃষি বিষয়া, এচ ডি আৰ এফ, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীক্ষক, খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে। জিলা আয়ুক্ত শ্ৰীযুত নৱদীপ পাঠক দেৱে বিভাগীয় বিষয়াসকলক ব্যক্ত কৰে যে যদি জিলাখনত হঠাতে বানপানী হয় তেতিয়াহ'লে বানাক্ৰান্ত লোকক উদ্ধাৰ কৰাৰ বাবে যাতে সংশ্লিষ্ট সকলোৱে প্ৰস্তুত থাকে। এই ক্ষেত্ৰত শিশু, গৰ্ভৱতী মহিলা আৰু বিশেষভাৱে সক্ষম লোকক উদ্ধাৰত অগ্ৰাধিকাৰ দিবলৈও সংশ্লিষ্ট সকলোকে পৰামৰ্শ দিয়ে। জিলা আয়ুক্ত নৱদীপ পাঠক দেৱে বানাক্ৰান্ত লোকক উদ্ধাৰৰ পিছতে যাতে খাদ্যৰ সুব্যৱস্থা আৰু পশু খাদ্যও প্ৰচুৰ পৰিমাণে মজুত ৰখাৰ কথা উল্লেখ কৰে আৰু তাৰ বাবে চক্ৰ বিষয়াৰ লগতে খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীক্ষকক নিৰ্দেশ দিয়ে। জিলা আয়ুক্ত গৰাকীয়ে ৰিলিফৰ সামগ্ৰী অতি কম সময়ৰ ভিতৰতে গৈ পাবলৈ প্ৰতিটো ৰাজহ চক্ৰৰ বাবে- পৃথক পৃথক গাড়ীত নিবলৈও পৰামৰ্শ দিয়ে ৰাজহ চক্ৰ বিষয়া সকলক। ব্ৰহ্মপুত্ৰ, বেকী আৰু জিলা খনত থকা নদীসমূহৰ পানী স্তৰ দৈনিক পৰ্যবেক্ষণ কৰা আৰু কেন্দ্ৰীয় জল আয়োগ গুৱাহাটীৰ সৈতেও যোগাযোগ কৰি থকাৰ কথাও উল্লেখ কৰে জিলা আয়ুক্তই।

# ৰাষ্ট্ৰীয় শিশুনাট সমাৰোহলৈ আমন্ত্ৰিত পুৰণিগুদামৰ ৰঙ্গালয়

**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ জুলাই ঃ** নগাঁও জিলাৰ পুৰণিগুদামত ২০০০ চনত জন্মলাভ কৰা ৰঙ্গালয়ে প্ৰাপ্তবয়স্ক সকলৰ সমান্তৰালভাৱে শিশু আৰু চেমনীয়া সকলৰ বাবেও নিয়মীয়া নাট্যচৰ্চা কৰি আহিছে। আধুনিক শিশু নাটৰ লগতে মহাপুৰুষ মাধৱদেৱৰ বিৰচিত ঝুমুৰা সমূহৰ নাট্যাভিনয় কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰশংসিত হৈছে। ইতিমধ্যে ৰূপালী জয়ন্তী বৰ্ষ পাৰ কৰা ৰঙ্গালয়ে এইবাৰ গুৱাহাটী শিশু নাট্য বিদ্যালয়ে আয়োজন কৰা দশম ৰাষ্ট্ৰীয় শিশু নাট সমাৰোহ-২০২৬ লৈ আমন্ত্ৰণ লাভ কৰিছে। অহা ২৪ জুলাই পৰা ২৬ জুলাইলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মহাপুৰুষ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই নাট সমাৰোহ আয়োজন কৰা হৈছে। প্ৰতিদিনে সন্ধিয়া ৫-৪৫ বজাৰ পৰা আৰম্ভ হ'বলগীয়া সমাৰোহৰ ২৫ জুলাইত ৰঙ্গালয়ে মঞ্চস্থ কৰিব বিশিষ্ট সাহিত্যিক নৱকান্ত বৰুৱাৰ শিশুনাট "মই টুনীয়ে টুন্ টুনালোঁ"। উল্লেখ্য যে, এই মূল নাটখনৰ বিষয়বস্তু একে ৰাখি এটি পূৰ্ণাংগ নাট্যৰূপ দি নাটখনৰ পৰিচালনা কৰিছে নিয়মীয়া নাট্যকৰ্মী মৃণাল কুমাৰ বৰাই। আদিত্য কুমাৰ বৰাই সহযোগী পৰিচালকৰূপে কাম কৰা এই নাটকখনত ৰঙ্গালয়ৰ দুজনমান প্ৰাপ্তবয়স্ক শিল্পীৰ লগতে পুৰণিগুদাম অঞ্চলৰ একুৰি শিশুশিল্পীয়ে অভিনয় কৰিব। এই ৰাষ্ট্ৰীয় নাট সমাৰোহৰ সফলতাৰ বাবে আয়োজক সমিতিৰ লগতে ৰঙ্গালয়ৰ তৰফৰ পৰাও সমূহ নাট্যপ্ৰেমীৰ সহযোগিতা কামনা কৰিছে।

# ১২ বছৰে পুনৰ্নিৰ্মাণ নহ'ল কৃষ্ণাইৰ মইনামতী মথাউৰি

**অসম বাৰ্তা, কৃষ্ণাই, ২৩ জুলাই ঃ** গোৱালপাৰা পূৱ বিধানসভা সমষ্টিৰ অন্তৰ্গত খাৰিজা মাণিকপুৰৰ মইনামতী মথাউৰিটো বিগত ১২ বছৰে পুনৰ নিৰ্মাণ নকৰাত বাৰিষা আহিলেই অঞ্চলটোৰ কেইবাখনো গাঁৱৰ বাসিন্দাৰ মাজত আতংকময় পৰিৱেশৰ সৃষ্টি হয়। আহি থকা দিনত বৰষুণৰ পৰিমাণ বাঢ়ি কৃষ্ণাই নৈৰ উন্মুক্ত মইনামতী মথাউৰি অঞ্চলটোৰ কেইবাখনো গাঁৱৰ বাবে বিপদৰ কাৰণ হোৱাৰ আশংকা কৰা হৈছে। উল্লেখ্য যে ২০১৪ত চুবুৰীয়া ৰাজ্য মেঘালয়ৰপৰা নামি অহা পানীয়ে কৃষ্ণাই নৈৰ পশ্চিম পাৰৰ খাৰিজা মাণিকপুৰ অঞ্চলৰ মইনামতী মথাউৰিটো ছিঙি বহুকেইখন গাঁৱৰ বিস্তৰ ক্ষতিসাধন কৰে। তাৰ পাছত, বিগত ১২ বছৰে উন্মুক্ত হৈ আছে মইনামতী মথাউৰি। পৰৱৰ্তী সময়ত স্থানীয় বিধায়কৰ লগতে সেই সময়ৰ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও মথাউৰিটো পৰিদৰ্শন কৰি পুনৰ নিৰ্মাণৰ আশ্বাস দিছিল। কিন্তু আজিলৈকে মথাউৰিটো নিৰ্মাণ নকৰাত ক্ষুব্ধ হৈ পৰিছে স্থানীয় লোক। স্থানীয় লোকে বাৰম্বাৰ চৰকাৰ তথা জিলা প্ৰশাসনক মথাউৰিটো নিৰ্মাণৰ দাবী জনোৱা সত্বেও যোৱা ১২ বছৰে মথাউৰিটো তেনেকৈ থাকিল। গোৱালপাৰা পূব সমষ্টিৰ বিধায়ক এ কে ৰশ্বিদ আলম তিনিবাৰকৈ বিধায়ক হ'ল, কিন্তু আজিলৈকে মইনামতী মথাউৰিৰ প্ৰসংগটোক বিশেষ গুৰুত্ব আৰোপ কৰা দেখা নগ'ল। আনকি বিভাগীয় মন্ত্ৰী পীযূষ হাজৰিকাই বিভিন্ন অঞ্চলত মথাউৰি নিৰ্মাণত গুৰুত্ব দিছে যদিও কৃষ্ণাইৰ মইনামতী মথাউৰি পুনৰ নিৰ্মাণ সম্পৰ্কে কোনো পদক্ষেপ গ্ৰহণ নকৰিলে বুলি আক্ষেপ প্ৰকাশ কৰে স্থানীয় বাসিন্দাসকল। স্থানীয় লোকে মথাউৰিটো বৈজ্ঞানিক পদ্ধতিৰে পুনৰ নিৰ্মাণ কৰিবলৈ চৰকাৰ তথা জিলা প্ৰশাসনক দাবী জনাইছে।

বৰপেটা জিলাৰ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ ব্যৱসায়ীসকলক সতৰ্কবাণী

# ৰাষ্ট্ৰীয় ঘাইপথৰ ভূমি দখলমুক্ত কৰিবলৈ বিশেষ উচ্ছেদ অভিযান

**অসম বাৰ্তা, কুমুল্লী পৰা, ২২ জুলাই ঃ** ৰাজ্যজুৰি ৰাষ্ট্ৰীয় ঘাইপথৰ সুৰক্ষা, যান-বাহনৰ অবাধ চলাচল আৰু চৰকাৰী ভূমি দখলমুক্ত কৰাৰ লক্ষ্যৰে National Highways Infra Trust (NHIT)-ৰ তত্বাৱধানত বিশেষ উচ্ছেদ অভিযান আৰম্ভ হৈছে। এই অভিযানৰ অংশ হিচাপে ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত বা সংৰক্ষিত ভূমিত অবৈধভাৱে স্থাপন কৰা ব্যৱসায়িক প্ৰতিষ্ঠান, অস্থায়ী দোকান-পোহাৰ আৰু অন্যান্য অনধিকৃত দখলসমূহ আঁতৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই পৰিপ্ৰেক্ষিতত বৰপেটা জিলাৰ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত ব্যৱসায় চলাই থকা ব্যৱসায়ীসকলকো সতৰ্ক হৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। সংশ্লিষ্ট কৰ্তৃপক্ষই স্পষ্ট কৰি দিছে যে, ৰাষ্ট্ৰীয় ঘাইপথৰ সংৰক্ষিত ভূমিত কোনো ধৰণৰ অবৈধ দখল বা নিৰ্মাণ আইনসন্মত নহয় আৰু এনে দখলৰ বিৰুদ্ধে আগন্তুক দিনতো কঠোৰ অভিযান অব্যাহত থাকিব। উল্লেখ্য যে, ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে অবৈধ নিৰ্মাণ আৰু দখল বৃদ্ধি পোৱাত বহু ঠাইত যান-বাহনৰ চলাচল ব্যাহত হোৱাৰ লগতে পথ দুৰ্ঘটনাৰ আশংকাও বৃদ্ধি পাইছে। সেইবাবে পথ সুৰক্ষা নিশ্চিত কৰা আৰু চৰকাৰী ভূমি দখলমুক্ত কৰাৰ স্বাৰ্থত এই বিশেষ অভিযান গ্ৰহণ কৰা হৈছে। প্ৰশাসনে ব্যৱসায়ী আৰু সাধাৰণ ৰাইজক আইন মানি চলিবলৈ আহ্বান জনোৱাৰ লগতে, সংৰক্ষিত ভূমিত অবৈধভাৱে স্থাপন কৰা দোকান বা অন্যান্য কাঠামো স্বেচ্ছাই আঁতৰাই সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনাইছে। অন্যথা, আইন অনুসৰি উচ্ছেদৰ লগতে প্ৰয়োজনীয় ব্যৱস্থাও গ্ৰহণ কৰা হ'ব বুলি সংশি-ষ্ট মহলে জানিবলৈ দিছে।

# গৌৰীপুৰত ট্ৰাকৰ পৰা চোৰাং গৰুসহ চাৰিজন সৰবৰাহকাৰীক আটক



**অসম বাৰ্তা, গৌৰীপুৰ, ২৩ জুলাই ঃ** ৰাজ্য চৰকাৰে গৰু সৰবৰাহৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে যদিও ৰাজ্যখনত এতিয়াও চোৰাং গৰু সৰবৰাহৰ চক্ৰ সক্ৰিয় হৈ আছে এতিয়াও। আজি দিন দুপৰতে গৌৰীপুৰত চোৰাং গৰুৰ সৈতে ট্ৰাক এখন জব্দ কৰে আৰক্ষীয়ে। জানিব পৰা গৌৰীপুৰ আৰক্ষীয়ে এক গোপন সূত্ৰৰ ভিত্তিত অভিজান চলাই আটক কৰে গৰু ভৰ্তি ট্ৰাকখন। উল্লেখ্য যে গৌৰীপুৰ থানাৰ অন্তৰ্গত মলাতী খামাৰ অঞ্চলৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা গৌৰীপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিভুতি থাপাৰ লগতে গৌৰীপুৰ আৰক্ষীৰ এটা দলে অভিযান চলাই আটক কৰে চোৰাং গৰু ভৰ্তি ট্ৰাকৰ লগতে চাৰিজনক। চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ পৰা গৌৰীপুৰ অভিমুখে আহি থকা এ এছ ০১ইউচি/২০৪৬ নম্বৰৰ ট্ৰাক খনত সন্দেহজনক ভাৱে তালাচী চলাই ট্ৰাকত আন সামগ্ৰীৰ তলত চোৰাং ভাৱে কঢ়িয়াই অনা ২৫টা কৈ গৰু আৰক্ষীয়ে উদ্ধাৰ কৰে। পাছত ট্ৰাকত থকা চাৰিজন সৰবৰাহকাৰীক আৰক্ষীয়ে আটক কৰে। আৰু উক্ত অভিযানত উদ্ধাৰ হোৱা গৰু সমূহ চৰকাৰী খোৱাৰত ৰখাৰ ব্যৱস্থা কৰাৰ লগতে গৰুৰ চোৰাং সৰবৰাহকাৰী চাৰিজনক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰখা বুলি জানিব পৰা গৈছে।

# মহৰিপাৰা-বাঙালীপাৰা জৰাজীৰ্ণ পথ নিৰ্মাণৰ দাবী আছু-এজেৱাইচিপি-গোৰ্খা ছাত্ৰ সন্থাৰ পথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ




**অসম বাৰ্তা, গোৰেশ্বৰ, ২৩ জুলাই ঃ** তামোলপুৰ জিলাৰ নাওকাটা চাৰিআলিত বুধবাৰে সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ পূৱ ডেফেলী আঞ্চলিক সমিতিয়ে ৰাইজৰ সহযোগত মহৰিপাৰা—বাঙালীপাৰা সংযোগী জৰাজীৰ্ণ পথছোৱা শীঘ্ৰে নিৰ্মাণৰ দাবীত ৩ ঘণ্টীয়া পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় তথ্য সম্পাদক ডুলুজিৎ দাস, তামোলপুৰ জিলা ছাত্ৰ সন্থাৰ সম্পাদক নয়নজ্যোতি কলিতা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তামোলপুৰ জিলা সমিতিৰ সভাপতি গগন বেজবৰুৱা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৱাহেদুৰ ৰহমান, তামোলপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বিপ্‌-ৰ চিমৰীয়াকে আদি কৰি আছু, এজেৱাইচিপি আৰু গোৰ্খা ছাত্ৰ সন্থাৰ কেইবাজনো জিলা আৰু আঞ্চলিক পৰ্যায়ৰ বিষয়ববীয়াৰ উপৰিও অঞ্চলটোৰ প্ৰায় ডেৰ শতাধিক প্ৰতিবাদকাৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি স্থানীয় জনপ্ৰতিনিধি, সংশি-ষ্ট বিভাগ আৰু চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলৰ অভিযোগ অনুসৰি, তামোলপুৰ জিলাৰ লোক নিৰ্মাণ বিভাগৰ ৰঙিয়া সংমণ্ডলৰ অধীনস্থ গোৰেশ্বৰ উপ-সংমণ্ডলৰ অন্তৰ্গত মহৰিপাৰা—বাঙালীপাৰা সংযোগী গড়কাপ্তানী পথটো দীৰ্ঘদিন ধৰি অতি জৰাজীৰ্ণ হৈ থকাৰ ফলত অঞ্চলটোৰ হাজাৰ হাজাৰ লোকে প্ৰতিদিনে যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে। বিশেষকৈ বৰষুণৰ বতৰত পথটোৰ বিভিন্ন স্থানত পুখুৰী সদৃশ ডাঙৰ ডাঙৰ গাঁত সৃষ্টি হোৱাত ছাত্ৰ-ছাত্ৰী, ৰোগী, কৃষক আৰু সাধাৰণ পথচাৰীয়ে মৰণত শৰণ দি যাতায়াত কৰিবলগীয়া হৈছে। প্ৰতিবাদকাৰীসকলে লগতে অভিযোগ কৰে যে, পথটোৰ ডাঙৰ গাঁতসমূহৰ বাবে বিগত সময়ছোৱাত বহু মটৰচাইকেল, ই-ৰিস্কা আৰু অন্যান্য বাহন দুৰ্ঘটনাত পতিত হৈছে। ইয়াৰ ফলত চালক আৰু বহু পথচাৰী আহত হোৱাৰ ঘটনাও সংঘটিত হৈছে। ইমানৰ পিছতো স্থানীয় জনপ্ৰতিনিধি, বিভাগীয় কৰ্তৃপক্ষ অথবা চৰকাৰে পথটো মেৰামতি বা পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা নাই। ইপিনে, প্ৰতিবাদস্থলীত গোৰেশ্বৰ ৰাজহ চক্ৰ বিষয়া ত্ৰিলীনা টাইড আৰু সুৱাগপুৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিজয় দৈমাৰী উপস্থিত হৈ প্ৰতিবাদকাৰীসকলৰ সৈতে আলোচনা কৰে। সেই সময়ত সংগঠন কেইটাৰ নেতৃবৰ্গ আৰু স্থানীয় ৰাইজে অহা ১৫ দিনৰ ভিতৰত পথটো নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ দাবী জনায় আৰু ৰাজহ চক্ৰ বিষয়াগৰাকীৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী আৰু সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষলৈ পৃথকে পৃথকে একোখনকৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। লগতে প্ৰতিবাদকাৰীসকলে স্পষ্টভাৱে সকীয়াই দিয়ে যে, নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত পথ নিৰ্মাণৰ কাম আৰম্ভ নহ'লে আগন্তুক দিনত অধিক তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব। অঞ্চলবাসীয়ে চৰকাৰক শীঘ্ৰে পথটো নিৰ্মাণ কৰি জনসাধাৰণৰ দীৰ্ঘদিনীয়া সমস্যাৰ স্থায়ী সমাধান কৰিবলৈ দাবী জনাইছে। উল্লেখযোগ্য যে, বিটিচি নিৰ্বাচনৰ পূৰ্বে অঞ্চলটোৰ ঔবাৰী খেলপথাৰত অনুষ্ঠিত এক নিৰ্বাচনী সভাত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহৰিপাৰা-বাঙালীপাৰা সংযোগী পথটো অসম মালা আঁচনিৰ অধীনত নিৰ্মাণ কৰা হ'ব বুলি ৰাজহুৱাকৈ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। ইয়াৰ পিছত বিধানসভা নিৰ্বাচনৰ পূৰ্বে বাঙালীপাৰা চ'কত তামোলপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল। কিন্তু আধাৰশিলা স্থাপনৰ পিছতো আজিলৈকে পথ নিৰ্মাণৰ কোনো কাম আৰম্ভ হোৱা নাই। ফলত প্ৰতিশ্ৰুতি আৰু আধাৰশিলাতেই সমগ্ৰ প্ৰকল্প সীমাবদ্ধ হৈ ৰৈছে বুলি ক্ষোভ প্ৰকাশ কৰে স্থানীয় ৰাইজে। তেওঁলোকৰ অভিযোগ, বহু ঘোষণাৰ পিছতো পথটোত আজিলৈকে এটা শিলো নপৰিল, যাৰ ফলত অঞ্চলবাসীয়ে দীৰ্ঘদিন ধৰি দুৰ্ভোগ ভুগি আহিছে।

# সোণোৱাল কছাৰী জনজাতিৰ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, তিনিচুকীয়া, ২৩ জুলাই ঃ** ২০২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা সোণোৱাল কছাৰী জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলক যোৱা ১৯ জুলাই তাৰিখে অনুষ্ঠিত এক অনুষ্ঠানত অভিনন্দন জনোৱা হয়। সোণোৱাল কছাৰী যুৱ পৰিষদ আৰু সোণোৱাল কছাৰী সাহিত্য সভাৰ ৰূপাই চাইডিং আঞ্চলিক সমিতিৰ উদ্যোগত ৰূপাই চাইডিঙত অৱস্থিত জনজাতি জিৰণি চ'ৰাত অনুষ্ঠিত এই অভিনন্দন অনুষ্ঠানত উচ্চ আৰু উচ্চতৰ মাধ্যমিকত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৩১ গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। এই অভিনন্দন অনুষ্ঠানতে সোণোৱাল কছাৰী জনজাতিৰ প্ৰথমগৰাকী যুৱতী হিচাপে নাগপুৰৰ পৰা অগ্নি অভিযন্তাৰ স্নাতক ডিগ্ৰী লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে শিবাংগী সোণোৱালক অভিনন্দন জ্ঞাপন কৰা হয়। ইয়াৰ উপৰিও ৰূপাই চাইডিং অঞ্চলৰ বিষ্ণু নগৰৰ বাসিন্দা তন্ময় সোণোৱাল আৰু কল্যাণ সোণোৱালক এই অনুষ্ঠানতেই অভিনন্দন জনোৱা হয়। উল্লেখযোগ্য যে তন্ময় সোণোৱালে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ বঢ়ী আই সাধু নামৰ গল্প পুথিখন স্পেনিছ ভাষালৈ অনুবাদ কৰি জাতিটোৰ বাবে গৌৰৱ কঢ়িয়াই অনাৰ লগতে শেহতীয়াকৈ ৰজনীকান্ত বৰদলৈৰ "মিৰি জীয়ৰী" উপন্যাসখনো স্পেনিছ ভাষালৈ অনুবাদ কৰি উলিয়াইছে। আনহাতে কল্যাণ সোণোৱালে ২০২৩ বৰ্ষত দিল্লীৰ জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয়ৰ পৰা MEDIA AND SITES OF MEMORY: COMPARATIVE STUDY OF COLOMBO(SRILANKA) গু NELLIE (INDIA) CA 1983 শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে সন্মানীয় ডক্টৰেট (পি. এইছ. ডি) ডিগ্ৰী লাভ কৰিছিল। এই অভিনন্দন অনুষ্ঠানত পৌৰোহিত্য কৰে সোণোৱাল কছাৰী সাহিত্য সভাৰ, ৰূপাই চাইডিং আঞ্চলিক সমিতিৰ সভাপতি ভোলা সোণোৱালে। সভাত বিশিষ্ট অতিথি হিচাপে বীৰ ৰাঘৱ মৰাণ আদৰ্শ মহাবিদ্যালৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক বিশ্বজিৎ সোণোৱাল, ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা ৰূপাই শাখা সাহিত্য সভাৰ সভাপতি বেণু বড়া, সোণোৱাল কছাৰী সাহিত্য সভাৰ তিনিচুকীয়া জিলাৰ সভাপতি সোণেশ্বৰ সোণোৱাল, সোণোৱাল কছাৰী সাহিত্য সভাৰ তিনিচুকীয়া জিলাৰ সম্পাদক মহেন্দ্ৰ সোণোৱাল, সোণোৱাল কছাৰী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা গদাধৰ চেলেং, সম্পাদক জিতু সোণোৱাল, সোণোৱাল কছাৰী যুৱ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক দিপৰুণ সোণোৱাল। অভিনন্দন অনুষ্ঠানত বিশিষ্ট অতিথিৰ লগতে তন্ময় সোণোৱাল আৰু কল্যাণ সোণোৱালৰ লগত ছাত্ৰ-ছাত্ৰী সকলে ভৱিষ্যতে নিজকে কি দৰে শৈক্ষিক দিশত আগবঢ়াই লৈ যাব পাৰে তাৰ এক সুন্দৰ অন্তৰঙ্গ আলাপ অনুষ্ঠান অনুষ্ঠিত কৰা হয়।



# অসম বাজেট সম্পৰ্কীয় সংবাদমেল টংলা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাৰ

## অসম ৰাজ্যক সম্বৃদ্ধশালী কৰা বাজেট ২০২৬-২৭

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৩ জুলাই ঃ** টংলা চহৰত আজি টংলা বিধান সভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাই অসম বাজেট ২০২৬-২৭ সম্পৰ্কীয় এখন সংবাদ মেলৰ আয়োজন কৰে। বিধায়ক ডেকাৰ লগতে ওদালগুৰি জিলা বিজেপিৰ সাধাৰণ সম্পাদক সুজিত সৰকাৰ, জিলা বিজেপিৰ মিডিয়া আহ্বায়ক কনেশ্বৰ ডেকা, জিলা বিজেপি দলীয় নেতা বিনয় নাথ, ৰাতুল বণিয়া আৰু কৰুণা বৰা উপস্থিত থাকে। বাজেট সম্পৰ্কীয় সংবাদ মেলত টংলা বিধান সভা সমষ্টিৰ বিধায়ক ডেকাই অসমৰ সৰ্ব্ব কালৰ সৰ্ব্ব শ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আৰু মাননিয় বিত্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ তত্ত্বাবধানত গ্ৰহণ কৰা অসম বাজেট ২০২৬-২৭খন একে মুখে এখন সমৃদ্ধিশালী বাজেট আৰু ইয়াৰ প্ৰতিটো শিতানেই সম্বৃদ্ধিৰে অসম গঢ়াৰ ক্ষেত্ৰত আগবঢ়াই নিব বুলি উল্লেখ কৰে। দূৰদৰ্শী ভাবাপন্ন বাজেট খনত অসমৰ অৰ্থনীতিৰ মূল চালিকাশক্তি চাহ খেতিৰ বাবে উল্লেযোগ্য সিদ্ধান্ত লৈছে বুলি উল্লেখ কৰি কয় যে, অৰ্থদ' চাহ উৎপাদন বৃদ্ধি লক্ষ্য আগত ৰাখি আগন্তুক চাৰি বছৰত ৮০ শতাংশ বৃদ্ধি নিৰ্ধাৰণ কৰিছে। অৰ্থদ' আৰু বিশেষত্ব থকা চাহ উৎপাদনত ৰাজ সাহায্য দহ টকা প্ৰতি কিলো গ্ৰামৰ পৰা ১৫ টকা প্ৰতি কিলো গ্ৰামলৈ বৃদ্ধি লক্ষ্য। সেইদৰে অন্যান্য চাহৰ ক্ষেত্ৰত ৰাজ সাহায্য প্ৰদান কৰাৰ লক্ষ্য অৱগত কৰে। চাহ শিল্প জীয়াই ৰাখিবলৈ এই বাজেট এখন উল্লেখযোগ্য বাজেট বুলি আখ্যা দিয়ে বিধায়ক ডেকাই। এই বাজেটত কৰ্কট ৰোগী বাবে বিশেষ সহায়ক বুলি উল্লেখ কৰি কয় যে অসমলৈ আহি আছে উন্নত প্ৰ'টন থেৰাপী। দেশৰ ভিতৰতে প্ৰথম গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত উপলব্ধ হব প্ৰ'টন থেৰাপী। বিশ্ব মানৰ নিখুঁত কৰ্কট ৰোগৰ চিকিৎসা উপলব্ধ নিচিন্তি কৰিব এই বাজেটে। সম্বৃদ্ধ অসমৰ বাবে অসমৰ শক্তিশালী শক্তি খণ্ডত জল বিদ্যুৎ, তাপ বিদ্যুৎ আৰু সৌৰ শক্তিৰ বাবে ৭৭, ৩৫৩ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে বুলি কয়। তদুপৰি এই গুৰুত্বপূৰ্ণ বাজেটত দুই লাখ নিবনুৱা চৰকাৰী চাকৰিত নিয়োগ কৰা হব বুলি কয়। এই নিযুক্তিয়ে নতুন দিগন্ত ৰচনা কৰিব বুলি উল্লেখ কৰে। বিধায়কসকলে তাৎক্ষণিক ভাবে সমষ্টিৰ গুৰুত্বপূৰ্ণ কামত খৰচ কৰিবলৈ বিধায়ক পুঁজিৰ দহ শতাংশ অৰ্থাত ১৫ লাখ টকা তৎকালীন খৰচৰ ব্যৱস্থা থাকিব বুলি কয়। বিশুদ্ধ খোৱা পানীৰ যোগান ধৰিবলৈ জল জীৱন মিচ্চন পূৰ্ণতাৰ কাম কৰি সকলো মানুহে বিশুদ্ধ খোৱা পানীৰ সুবিধা পাবলৈ এই বাজেটে লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি বিধায়ক ডেকাই কয়। শিক্ষিত নিবনুৱাৰ স্বনিয়োজন আৰু আত্মসংস্থাপন প্ৰতি লক্ষ্য ৰাখি এই বাজেটত ৰাজ্যৰ ভিতৰত কণী উৎপাদন ৫১ শতাংশ বৃদ্ধি লক্ষ্য নিৰ্ধাৰণ কৰিছে। সেইদৰে গাখীৰ উৎপাদনত ৫০০ কোটি টকা ব্যয় কৰিব। মুগা শিল্পক ৰেচম মিচ্চনৰ লক্ষ্য কৰি উৎপাদন বৃদ্ধি কৰাৰ বাবে বিশেষ ভূমিকা পালন কৰিছে বুলি কয়। ৰেচম উদ্যোগ গঢ়ি তুলিব অসমৰ চহকী মুগা শিল্প পৃথিৱীৰ বিখ্যাত কৰি ৰাখিবলৈ ব্যৱস্থা লব কয়। সাঁচি কাঠৰ ব্যৱসায় থলুৱা লোকৰ বাবে ভাল উপাৰ্জনৰ লক্ষ্য কৰা এই বাজেটে গুৰুত্বপুৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰে। ৰাইজক সকাহ দিয়াৰ উদ্দেশ্যে ঘৰে ঘৰে ৰন্ধন গেছৰ ব্যৱস্থা আৰু ঘৰে-ঘৰে পাইপ ৰন্ধন গেছৰ ব্যৱস্থাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। গুৱাটীত চিটি প্ৰকল্পৰ ভিতৰত চেটেলাইট চিটি, ৰিং ৰোড নিৰ্মাণ কৰা প্ৰসংগ উল্লেখ কৰে বাজেটত। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বিধায়ক বিকন চন্দ্ৰ ডেকাই টংলা আৰু কলাইগাঁৱাত ষ্টেডিয়াম নিৰ্মাণ, টংলত ৰঙ্গমঞ্চ নিৰ্মাণ, ফ্লাই অভাৰ ব্ৰিজ নিৰ্মাণ লগতে বিদ্যালয়ৰ নতুন গৃহ নিৰ্মাণ কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ ওচৰত দৃষ্টি গোচৰ কৰিছে বুলি কয়। তেওঁ আৰু কয় যে, মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনৰ আগে আগে কৰা ঘোষণা ৫ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰিব বুলি প্ৰতিশ্ৰুতি দিছে। টংলা সমষ্টিৰ গুৰুত্বপূৰ্ণ সমস্যাৰ ভিতৰত অন্যতম এম বিৰোড পুনৰ নিৰ্মাণৰ কামৰ পৰিকল্পনা কৰা লগতে এই বাজেটত হাতী আৰু মানুহৰ সংঘাত ৰোধ কৰিবলৈ আৰু বনৰীয়া হাতীৰ আক্ৰমণত মৃত্যু হলে আগবঢ়োৱা আৰ্থিক অনুদান ৬ লাখ টকা লগতে খেতি আদি অনিষ্ট সাধন কৰিলে তাৰ ক্ষতিপূৰণ বৃদ্ধি কৰিবলৈ ব্যৱস্থা কৰিছে এই বাজেটত। এই ক্ষেত্ৰত চৰকাৰৰ সদিচ্ছা আছে মাত্ৰ ৰাইজৰ সহায় সহযোগ লাগিব বুলি উল্লেখ কৰে বিধায়ক ডেকাই। প্ৰতিখন জিলাতে একোখনকৈ চিকিৎসা মহবিদ্যালয় আৰু অভিযান্ত্ৰিক প্ৰতিষ্ঠান স্থাপন কৰা আদি বৃহৎ আঁচনি এইখন বাজেটত স্থান পাইছে। ইয়াৰোপৰি নিয়ম অনুসৰি ভেঞ্চৰ স্কুলৰ চৰকাৰীকৰণ হব বুলি বাজেটৰ লক্ষ্য ৰখা হৈছে বুলি কয় বিধায়ক ডেকাই।

# বকোত আৰম্ভ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে MG প্ৰডাকচনৰ ৰূপসজ্জা (Makeup) কৰ্মশালা




**অসম বাৰ্তা, বকো, ২৩ জুলাই ঃ** কামৰূপ জিলাৰ বকোৰ পিএমশ্ৰী বকো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজিৰে পৰা আৰম্ভ কৰা হৈছে ৰূপসজ্জা (Makeup) কৰ্মশালা। MG প্ৰডাকচনৰ সভাপতি ড° নগেন কলিতা দেৱৰ সভাপতিত্বত অনুষ্ঠানটোৰ প্ৰথম কাৰ্যসূচী আৰম্ভণিতে সকলোৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে পিএমশ্ৰী বকো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰাজেশ মহন্তই। উক্ত অনুষ্ঠানত উপস্থিত থাকে MG প্ৰডাকচনৰ সঞ্চালক প্ৰধান মনি গোস্বামী, দ্বিজেন্দ্ৰ নাথ শৰ্মা লগতে উপস্থিত থাকে সমল ব্যক্তি মনোজ গোস্বামী, নৱজিত কলিতাকে ধৰি বহু কেইজন আগশাৰীৰ গুণি জ্ঞানী বুদ্ধিজীৱী ব্যক্তি সকলে। অনুষ্ঠানৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰা আটাইকেজন সন্মানীয় ব্যক্তি সকলক সম্বৰ্ধনা জনোৱা হয় MG প্ৰডাকচনৰ তৰফৰ পৰা বিউটি কলিতাই, পম্পী ঠাকুৰীয়া, আৰু পাৰ্থ প্ৰতিম সাউদে। আয়োজিত এই ৰূপসজ্জা কৰ্মশালাত থাকিব বিভিন্ন ধৰণৰ প্ৰতিযোগিতামূলক সাংস্কৃতিক অনুষ্ঠান। সংগীত, নৃত্য, নাটক, মনোৰঞ্জনৰ বাবে বিভিন্ন ধৰণৰ প্ৰতিযোগিতা মূলক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগী সকলক যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হয়। যোগাযোগ ফোন নম্বৰ হৈছে 6001736467, 9854215896, যোগাযোগ কৰক।

# এছ বি আই লাইফৰ ডিব্ৰুগড় ক্ৰিকেট কোচিং চেণ্টাৰলৈ চি.এছ.আৰ. পুঁজি যোগান




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ জুলাই ঃ** ভাৰতীয় ষ্টেট বেংক (এছ.বি.আই.) লাইফৰ সমাজিক দায়বদ্ধতা আঁচনিৰ (চিএছআৰ) অধীনত ক্ৰীড়াৰ উৎকৰ্ষ সাধনৰ বাবে ডিব্ৰুগড় ক্ৰিকেট কোচিং চেণ্টাৰক ৫০ হেজাৰ টকাৰ এক পুঁজি যোগান ধৰা হয়। এই উপলক্ষে ২২ জুলাই তাৰিখে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ জালান আউটডৰ ষ্টেডিয়ামত থকা ডিব্ৰুগড় ক্ৰিকেট কোচিং চেণ্টাৰৰ কাৰ্যালয়ত চেণ্টাৰৰ সভাপতি জ্ঞান প্ৰকাশ শৰ্মাৰ সভাপতিত্বত সভাৰ আয়োজন কৰা হয়। অনুষ্ঠানত এছ বি আই লাইফৰ গুৱাহাটীস্থিত আঞ্চলিক প্ৰবন্ধক মৃদুল কলিতা, জ'নৈল এৰিয়া মেনেজাৰদ্বয় সঞ্জিত ৰঞ্জন আৰু চিন্ময় ডেকা, জ্যেষ্ঠ ক্ষেত্ৰ প্ৰবন্ধক কুনাল পাণ্ডে, জ্যেষ্ঠ ব্যৱসায়িক উন্নয়ন প্ৰবন্ধকদ্বয় মানস প্ৰতীম বৰা আৰু ৰশ্মি আগৰৱাল উপস্থিত আছিল। অনুষ্ঠানত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়া, অসমৰ প্ৰথমগৰাকী এন আই এছ ক্ৰিকেট প্ৰশিক্ষক তথা ডিব্ৰুগড় ক্ৰিকেট কোচিং চেণ্টাৰৰ জ্যেষ্ঠ উপদেষ্টা প্ৰণৱ বৰুৱা, প্ৰাক্তন ৰঞ্জী খেলুৱৈ তথা অসম ক্ৰিকেট সন্থাৰ নিয়োজিত অসম জুনিয়ৰ দলৰ নিৰ্বাচকদ্বয় নিৰঞ্জন শইকীয়া আৰু সৌৰভ ভাগৱতী, প্ৰাক্তন ৰঞ্জী খেলুৱৈ তথা কোচিং চেণ্টাৰৰ সাধাৰণ সম্পাদক চেলিম আহমেদ, প্ৰাক্তন ৰঞ্জী ট্ৰফী খেলুৱৈ তথা কোচিং চেণ্টাৰৰ জ্যেষ্ঠ উপ সভাপতি অজিত হাজৰিকা, ডিব্ৰুগড় ভেটাৰ্ণ ক্ৰিকেট সন্থাৰ সভাপতি তাৰিক খান বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি চেণ্টাৰৰ সভাপতি জ্ঞান প্ৰকাশ শৰ্মাই কয় যে ১৯৮৭ চনত প্ৰতিষ্ঠা হোৱা এই ক্ৰীড়ানুষ্ঠানে বিগত ৩৯ বছৰে অসমৰ ক্ৰিকেট ক্ষেত্ৰলৈ একাধিক খেলুৱৈ সৃষ্টি কৰি আহিছে। তেখেতে এছবিআই লাইফৰ এই সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অতিথিৰ ভাষণত জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়াই খেলুৱৈ সকলক নিষ্ঠা আৰু একাগ্ৰতাৰে খেলি একো একোজন সুদক্ষ খেলুৱৈ হিচাপে নিজকে গঢ় দিবলৈ আহ্বান জনায়। এছ বি আই লাইফৰ মাণ্ডলিক প্ৰবন্ধক মৃদুল কলিতাই অনুষ্ঠানটোত উপস্থিত থাকিবলৈ পাই সুখী অনুভৱ কৰাৰ উপৰিও কোচিং চেণ্টাৰৰ ক্ৰীড়াৰ প্ৰতি থকা দায়বদ্ধতাক প্ৰশংসা কৰে। এছ বি আই লাইফে চি এছ আৰ পুঁজিৰ অধীনত বিভিন্ন ক্ষেত্ৰলৈ সাহায্য প্ৰদান কৰি আহিছে বুলি উল্লেখ কৰি ক্ৰীড়া ক্ষেত্ৰলৈ আগবঢ়োৱা এই অৱদানৰ বাবে তেওঁ সন্তোষ প্ৰকাশ কৰে। অনাগত দিনবোৰত এছ বি আই লাইফৰ পৰা আৰু সাহায্য আগবঢ়াবলৈ চেষ্টা চলাব বুলি তেওঁ কয়। অনুষ্ঠানত মৃদুল কলিতাই এছ বি আই লাইফৰ পৰা আগবঢ়োৱা ৫০ হেজাৰ টকাৰ এখন চেক প্ৰদান কৰাৰ লগতে তেওঁ ডিব্ৰুগড় ক্ৰিকেট কোচিং চেণ্টাৰৰ অফিচিয়েল জাৰ্চী আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অনুষ্ঠানৰ আঁত ধৰে জিলা ক্ৰীড়া সন্থাৰ কাৰ্য্যকৰী সভাপতি তথা কোচিং চেণ্টাৰৰ উপ সভাপতি মানস জ্যোতি দত্তই।

## "নায়াৰা এনাৰ্জি কম্পেনী"ৰ তেল ডিপো উদ্বোধন কৰিলে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে

# নামনি মাজুলী ইতিহাসৰ প্ৰথমটো তেল ডিপো উদ্বোধন



**অসম বাৰ্তা, উজনী মাজুলী, ২৩ জুলাই ঃ** নামনি মাজুলী ইতিহাসৰ প্ৰথমটো তেল ডিপো আজি বালিচাপৰি তিনিআলিত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। নামনি মাজুলীৰ প্ৰধান বাণিজ্য কেন্দ্ৰ বালিচাপৰি তিনিআলিত আজি দুপৰীয়া এঘাৰ বজাত নায়াৰা এনাৰ্জি কম্পেনীৰ উক্ত তেল ডিপোটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ঐতিহ্যমণ্ডিত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীয়ে। কেইবাশতাধিক ৰাইজৰ উপস্থিতিত আজি সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামীয়ে উক্ত তেল ডিপোটো আনুষ্ঠানিকভাৱে ফিতা কাটি ৰাইজৰ বাবে মুকলি কৰি দিয়ে। মাজুলীৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন ৰাইজৰ উপস্থিতিত আজি উক্ত উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। সাংবাদিক যদু কলিতাই আঁত ধৰা উক্ত উদ্বোধনী অনুষ্ঠানত প্ৰথম স্থানীয় বৈষ্ণৱসকলৰ দ্বাৰা নাম কীৰ্তন কৰা হয়। তাৰ পিছত গায়ন-বায়ন পৰিৱেশন কৰি সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীক আদৰি অনা হয়। তাৰপিছত সত্ৰাধিকাৰগৰাকীয়ে নৱ নিৰ্মিত তেল ডিপোটোত এগছি বন্তি প্ৰজ্বলন কৰে আৰু ৰাইজৰ ব্যাপক মংগল ধ্বনি, আয়তিৰ উৰুলিৰ মাজত সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে ফিতা কাটি উক্ত তেল ডিপোটো উদ্বোধন কৰে। অনুষ্ঠানত উক্ত নায়াৰা এনাৰ্জি তেল ডিপোটোৰ স্বত্বাধিকাৰী বিশিষ্ট সমাজকৰ্মী, ব্যৱসায়ী প্ৰয়াত পানীৰাম কলিতাৰ পত্নী ৰেণু কলিতা, পুত্ৰ গৌতম কলিতা আৰু বোৱাৰী কৃপা দত্ত কলিতাই সকলোকে আদৰণি জনায়। নিজৰ উদ্বোধনী ভাষণত সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে আধুনিক মাজুলী নিৰ্মাণত প্ৰয়াত পানীৰাম কলিতাৰ অৱদান শ্ৰদ্ধাৰে সোঁৱৰণ কৰে আৰু আজি মুকলি কৰা এই তেল ডিপোটোয়ে নামনি মাজুলীবাসীক সকলো ক্ষেত্ৰত যথেষ্ট সহায় কৰিব বুলি উল্লেখ কৰে। তেওঁ ডিপোটোয়ে নামনি মাজুলীৰ ৰাইজৰ ডাঙৰ সকাহ হ'ব বুলি কৈ নায়াৰ এনাৰ্জি কম্পেনীকো নামনি মাজুলী নিৰ্বাচন কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। উক্ত, উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিত শইকীয়া, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকা, অৱসৰপ্ৰাপ্ত অধ্যাপক পুতুল মহন্ত, মাজুলী জিলা সাংবাদিক সন্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্ত, মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনীন্দ্ৰ ভূঞা, সাধাৰণ সম্পাদক সীমান্ত বৰা, উপদেষ্টা গুণেশ্বৰ গায়ন, বিশিষ্ট সমাজকৰ্মী ৰাজীৱ দত্ত ভূঞা, মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, মাজুলী জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ বিষয়া দিব্যজ্যোতি শইকীয়া, বিশিষ্ট সমাজকৰ্মী ললিত শইকীয়া, খগেন বৰা, বিজয় বৰা, বলো কলিতা, জ্যেষ্ঠ সাংবাদিক দীপু বৰা, বালিচাপৰি আৰক্ষী থানাৰ উপ পৰিদৰ্শক মিণ্টু শইকীয়া, কমলাবাৰী পি এন বিৰ শাখা পৰিচালক দেৱজিৎ শইকীয়া, গড়মূৰ- এছ বি আইৰ শাখা পৰিচালক অংকুছ পেগু আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীক বালিচাপৰি বৰ নামঘৰ উন্নয়ন সমিতি, বিৰিণাবাৰী বৰ নামঘৰ সমাজে আদৰণী জনায়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই স্বত্বাধিকাৰী পৰিয়ালৰ হৈ ৰেণু কলিতা আৰু কৃপা দত্ত কলিতাই। বৃহত্তৰ নামনি মাজুলীৰ বাবে উক্ত তেল ডিপোটোয়ে এক বৃহৎ অভাৱ পূৰণ কৰিব বুলি আজি উৎফুল্ল ৰাইজে জানিবলৈ দিছে। তেল ডিপোটো উদ্বোধনৰ সময়ত নামনি মাজুলীৰ ৰাইজ উৎফুল্ল হৈ পৰে। নামনি মাজুলী আৰু লখিমপুৰ সংযোগী নিৰ্মীয়মান দলংখন সম্পূৰ্ণ হ'লে উক্ত তেল ডিপোটোৰ গুৰুত্ব অধিক বাঢ়িব। উল্লেখযোগ্য যে নামনি মাজুলীত ইয়াৰ পূৰ্বে কোনো তেল ডিপো নথকাত ৰাইজে গড়মূৰ, কমলাবাৰীত তেল ভৰাবলৈ যাব লগীয়া হৈছিল। উক্ত, তেল ডিপোটোয়ে নামনি মাজুলী ৰাইজৰ বৃহৎ অভাৱ পূৰণ কৰিব। ডিপোটোৰ স্বত্বাধিকাৰী গৌতম কলিতা আৰু কৃপা দত্ত কলিতাই আজি প্ৰথম তেল ভৰোৱা গ্ৰাহকসকলক গামোচা পিন্ধাই আদৰণি জনায়।

# বৃদ্ধ পিতৃ-মাতৃৰ দায়িত্ব লৈ উদাহৰণ দাঙি ধৰিলে ইএম বেগম আখতাৰা আহমেদে

**অসম বাৰ্তা, শালবাৰী, ২৩ জুলাই ঃ** এগৰাকী সক্ৰিয় আৰু জনদৰদী জনপ্ৰতিনিধিৰ প্ৰকৃত দায়িত্ব পালন কৰি পুনৰ এবাৰ অসহায় লোকৰ কাষত থিয় হ'ল বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ২০ নং মথনগুৰি পৰিষদীয় সমষ্টিৰ পাৰিষদ তথা বিটিচি (BTC) চৰকাৰৰ ইএম বেগম আখতাৰা আহমেদ। কাৰ্যসূচী অনুসৰি, ইএম আহমেদে মথনগুৰি পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ওদালগুৰিৰ মৰমী চকত নিজ সন্তানে অৱজ্ঞা কৰা এহাল অসহায় বৃদ্ধ পিতৃ-মাতৃৰ ঘৰত উপস্থিত হয়। উল্লেখ্য যে, বিগত প্ৰায় ছমাহ ধৰি নিজৰ সন্তানৰে অৱজ্ঞাৰ চিকাৰ হৈ আহিছে উক্ত বৃদ্ধ দম্পতীহাল। আনকি ছমাহ পূৰ্বেই নিজ সন্তানে ঘৰৰ বিদ্যুৎ সংযোগো বিচ্ছিন্ন কৰি দিছিল, যাৰ ফলত বৃদ্ধ দম্পতীহালে বিগতছটা মাহ অন্ধকাৰৰ মাজতে অতি কষ্টৰে নিশা কটাবলগীয়া হৈছিল। এই দুখজনক খবৰ লাভ কৰাৰ লগে লগে স্থানীয় পাৰিষদ তথা বিটিচিৰ ইএম বেগম আখতাৰা আহমেদে আজি উক্ত বৃদ্ধ দম্পতীৰ ঘৰত উপস্থিত হৈ তেওঁলোকৰ সমগ্ৰ অনাগত দিনবোৰৰ দায়িত্ব নিজৰ কান্ধত তুলি লয়। তদুপৰি, প্ৰশাসনিক তথা ব্যক্তিগত উদ্যোগত ঘৰটোত পুনৰ বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰাৰ লগতে তেওঁলোকৰ জৰাজীৰ্ণ ঘৰটো মেৰামতিৰ বাবে প্ৰয়োজনীয় আৰ্থিক সাহায্যও আগবঢ়ায়। ইএমগৰাকীৰ এনে মহানুভৱতাক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰিছে। ইফালে, আজি পুৱাৰ ভাগত বেগম আখতাৰা আহমেদে গোৱৰ্দ্ধনা গাঁৱৰ বিপিএফ (BPF) মহিলা কোষৰ সভানেত্ৰী উম্মে হানি বেগমৰ গৃহত উপস্থিত হয়। অলপতে উম্মে হানি বেগমৰ স্বামী আবুল হুছেইনৰ বিয়োগ ঘটাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকা সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। ইয়াৰ উপৰিও, অঞ্চলটোৰ আন দুটা শোকাকুল পৰিয়ালৰ ঘৰতো উপস্থিত হৈ মৃতকৰ আত্মালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু পৰিয়ালবৰ্গলৈ সমবেদনা জনায়।

# লংকাৰ ডাবলং প্ৰাথমিক বিদ্যালয়ত 'শিক্ষাৰ অধিকাৰ আইন, ২০০৯' বিষয়ক সজাগতা সভা অনুষ্ঠিত

**অসম বাৰ্তা, লংকা, ২৩ জুলাই ঃ** লংকাৰ কৃষ্ণ বৰা বি.এড. মহাবিদ্যালয়ৰ ডি.এল.এড. চতুৰ্থ ষাণ্মাসিকৰ শিক্ষক-প্ৰশিক্ষাৰ্থীসকলৰ উদ্যোগত বৃহস্পতিবাৰে লংকাৰ ডাবলং প্ৰাথমিক বিদ্যালয়ত 'শিক্ষাৰ অধিকাৰ আইন (RTE Act), ২০০৯' বিষয়ক এখন সজাগতা সভা অনুষ্ঠিত হয়। "Education for All" শীৰ্ষক বিষয়বস্তুৰে আয়োজিত এই কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল শিক্ষাৰ অধিকাৰ আইন সম্পৰ্কে ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সমাজবাসীৰ মাজত সজাগতা সৃষ্টি কৰা। অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান শিক্ষক ননী গোপাল চৌধুৰীয়ে সভাপতিত্ব কৰে। উপস্থিত থাকে গাঁওবুঢ়া আব্দুল খালেক, কৃষ্ণ বৰা বি.এড. মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক হিৰোৎপল শইকীয়া, বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া, শিক্ষক-শিক্ষয়িত্ৰী, আমন্ত্ৰিত অতিথি, অভিভাৱক আৰু স্থানীয় ৰাইজ। সভাত বক্তাসকলে শিক্ষাৰ অধিকাৰ আইন, ২০০৯-ৰ লক্ষ্য আৰু উদ্দেশ্য, ৬ৰ পৰা ১৪ বছৰৰ প্ৰতিজন শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ, বিদ্যালয় ত্যাগ ৰোধ, শিশুশ্ৰম নিৰ্মূল আৰু সকলো শিশুক বিদ্যালয়মুখী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। সজাগতা সভাৰ অংশ হিচাপে শিক্ষক-প্ৰশিক্ষাৰ্থীসকলে 'শিক্ষাৰ অধিকাৰ আইন, ২০০৯'-ৰ তাৎপৰ্য আৰু শিশুশ্ৰমৰ কুফলৰ ওপৰত আধাৰিত এখন সচেতনতামূলক নাটক প্ৰদৰ্শন কৰে। নাটকখনৰ জৰিয়তে প্ৰতিগৰাকী শিশুৰ শিক্ষাৰ অধিকাৰ সুনিশ্চিত কৰা, শিশুশ্ৰম বন্ধ কৰা আৰু শিক্ষাৰ প্ৰতি সমাজক অধিক সচেতন হোৱাৰ শক্তিশালী বাৰ্তা প্ৰেৰণ কৰা হয়। নাটকখন উপস্থিত দৰ্শকে ভূয়সী প্ৰশংসা কৰে। উক্ত কাৰ্যসূচীত শিক্ষক-প্ৰশিক্ষাৰ্থী দিব্যজ্যোতি নাথ, বৰ্ণালী দাস, তৃষ্ণা দেৱী, পমি চাহু, শিৱা দে, প্ৰিয়ংকা মজুমদাৰ, নিকিতা পাল, ভাস্কৰ ফুকন, শিবু দাস আৰু উমামা নঈম আথাৰে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি অনুষ্ঠানটো সফলভাৱে পৰিচালনা কৰে। শেষত সভাপতি ননী গোপাল চৌধুৰীয়ে সকলো শিশুক বিদ্যালয়মুখী কৰি এখন শিক্ষিত আৰু সচেতন সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষক, অভিভাৱক আৰু সমাজৰ সমূহীয়া সহযোগিতাৰ আহ্বান জনাই সভাৰ সামৰণি ঘোষণা কৰে।

# কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ পদত্যাগৰ দাবীত মাৰ্ঘেৰিটা ছাত্ৰ সমাজৰ উত্তাল প্ৰতিবাদ




**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২৩ জুলাই ঃ** কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ প্ৰদত্যাগৰ দাবীত আজিও এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়িত হয় তিনিচুকীয়াৰ মাৰ্ঘেৰিটা সমজিলাত। সমজিলা খনৰ মাৰ্ঘেৰিটা চেগুনবাৰীৰ ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত ৰূপায়িত হয় আজিৰ এই প্ৰতিবাদী কাৰ্যসূচী। শিক্ষা ব্যৱস্থাৰ বিভিন্ন সমস্যা আৰু বিসংগতিৰ উপৰি নীট-ইউ জি চি পৰীক্ষাৰ প্ৰশ্ন কাকত ফাদিল, অনিয়মক লৈ শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত আজিৰ প্ৰতিবাদী কাৰ্যসূচীটো ৰূপায়িত কৰে মাৰ্ঘেৰিটাৰ ছাত্ৰ সমাজে। দীৰ্ঘ সময় ধৰি প্ৰতিবাদকাৰী সকলে শিক্ষা ব্যৱস্থাৰ "খেলিমেলি বন্ধ কৰক" আৰু "ছাত্ৰৰ ভৱিষ্যতক লৈ আৰু নহয় খেল! আমি সজাগ, আমি প্ৰতিবাদী!" আদি কৰি না-না শ্ল'গানেৰে শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰি শিক্ষা বিভাগৰ অৱস্থা উন্নত কৰাৰ দাবী জনায়। তদুপৰি ভিন্ন স্ল'গানেৰে প্ৰতিবাদ স্থলীক উত্তাল কৰি তোলা প্ৰতিবাদকাৰী সকলে স্পষ্ট ভাৱে কয় যে "শিক্ষাৰ অধিকাৰ আমাৰ ভিক্ষা নহয়।" আজিৰ প্ৰতিবাদকাৰী সকলৰ মূল দাবী আছিল পৰীক্ষাৰ পূৰ্বেই প্ৰশ্ন কাকত ফাদিল হোৱা ঘটনা, দুৰ্বল শিক্ষা ব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ খেলা কৰা কাৰ্য বন্ধ কৰা।

# এজাক বৰষুণতে পুনৰ ডুবিল গুৱাহাটী

বৈ আহে, যাৰ ফলত চহৰখনৰ স্বাভাৱিক জীৱনযাত্ৰা সম্পূৰ্ণৰূপে ব্যাহত হয়। সন্ধ্যা পৰত অফিচৰ পৰা ঘৰলৈ উভতি যোৱা বহু লোকেই ৰাস্তাতে আবদ্ধ হৈ পৰে। বহু ঠাইত বাহন চলাচল সম্পূৰ্ণৰূপে স্তব্ধ হৈ যোৱাত পাঁচ-ছয় ঘণ্টা ধৰি একে স্থানতে থাকিব লগাত পৰে যাত্ৰীবাহীসকল। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল, চৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠানসমূহো কৃত্ৰিম বানৰ কবলত পৰে। চিকিৎসা সেৱা ল'বলৈ অহা ৰোগীৰ লগতে চিকিৎসক-কৰ্মীসকলেও যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। মালিগাঁও, চান্দমাৰী, নাৰেংগী, কাহিলিপাৰা, ওদালবাক্ৰা, বিষ্ণুপুৰ, বেলতলা, হাতীগাঁও, গণেশগুৰি আৰু সাতগাঁওকে ধৰি চহৰৰ প্ৰায়বোৰ আৱাসিক অঞ্চল পানীৰ তলত বুৰ যায়। বহু ঘৰৰ ভিতৰলৈ পানী সোমাই আসবাব-পত্ৰ আৰু গুৰুত্বপূৰ্ণ নথি-পত্ৰ নষ্ট হয়। ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বেতকুছি, লখৰা, বেহৰবাৰী, বৰাগাঁও আৰু গড়চুক অঞ্চলৰ দীঘলীয়া অংশ সম্পূৰ্ণৰূপে পানীৰ তলত যায়। খানাপাৰা আৰু যোৰাবাট অঞ্চলতো একেধৰণৰ শোচনীয় পৰিস্থিতিৰ সৃষ্টি হয়। ইফালে, বশিষ্ঠ মন্দিৰ আৰু পামহীৰ ঐতিহাসিক ভীমাশংকৰ মন্দিৰত অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হয়। বশিষ্ঠ মন্দিৰৰ কাষেৰে বৈ যোৱা বশিষ্ঠ নদীৰ পানী তীব্ৰ বেগেৰে বৃদ্ধি পোৱাত মন্দিৰ চৌহদ জলমগ্ন হয়। একেদৰে পামহী অঞ্চলতো পানীৰ ভয়ংকৰ ঢলে সৃষ্টি কৰে প্ৰচণ্ড বিপদাশংকা। ৰাজপথত পানীৰ সোঁত ইমানেই বেগী আছিল যে বহু ঠাইত দুচকীয়া আৰু চাৰিচকীয়া বাহন পানীত বুৰ যায় বা বিকল হৈ পৰে। গুৱাহাটীবাসীয়ে এইবাৰ এক অকল্পনীয় আৰু অভাৱনীয় কৃত্ৰিম বানৰ মুখামুখি হয়।

# ছিকিমৰ টানেলৰ পৰা ২২ টা মৃতদেহ

সকলৰ সন্ধান উলিয়াবলৈ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। একাধিক বিশেষজ্ঞ সংস্থা জড়িত হৈ থকা এই অভিযান নিশালৈকে কঠিন পৰিস্থিতিৰ মাজতো অব্যাহত আছিল। বিষয়াসকলে জানিবলৈ দিয়ে যে সুৰংগটোৰ ভিতৰৰ প্ৰত্যাহ্বানজনক পৰিবেশ সত্ত্বেও উদ্ধাৰকাৰী কৰ্মীসকলে নিশা ১২ বজালৈকে অবিৰতভাৱে কাম কৰিছিল। নিশা প্ৰায় ১০ বজাত পশ্চিম বংগৰ আছানছোলৰ ইষ্টাৰ্ণ কোলফিল্ডছ লিমিটেড (ECL)ৰ পৰা দ্বিতীয়টো উদ্ধাৰকাৰী দল ঘটনা স্থানত উপস্থিত হয় আৰু বৰ্তমান চলি থকা অভিযানক অধিক শক্তিশালী কৰিবলৈ তেওঁলোকক লগে লগে নিয়োগ কৰা হয়। এই অতিৰিক্ত দলটোৱে ইতিপূৰ্বেই সন্ধান অভিযানত নিয়োজিত হৈ থকা অন্যান্য বিশেষজ্ঞ উদ্ধাৰকাৰী গোটসমূহৰ সৈতে হাত মিলায়। প্ৰশাসনে জনোৱা মতে, বাকী থকা ভুক্তভোগীসকলক উদ্ধাৰ কৰিবলৈ দলসমূহে ঘনিষ্ঠ সমন্বয়ৰে কাম কৰি থকাৰ ফলত উদ্ধাৰ অভিযান এতিয়াও অব্যাহত আছে। মাটিৰ তলৰ সংকীৰ্ণ পৰিবেশৰ বাবে উপযোগী বিশেষ সঁজুলি আৰু কাৰিকৰী দক্ষতা ব্যৱহাৰ কৰি এই অভিযান চলাই থকা হৈছে। ছিকিম চৰকাৰ, জিলা প্ৰশাসন আৰু সকলো সংশ্লিষ্ট সংস্থাই এই পৰিস্থিতি তীক্ষ্ণ দৃষ্টিৰে পৰ্যবেক্ষণ কৰি আছে আৰু উদ্ধাৰ প্ৰচেষ্টাৰ সমন্বয় ৰক্ষা কৰিছে।

## উজনিৰ জলপ্ৰলয়ক সদনত

বিশ্বাসঘাতক মানুহ মই জীৱনত দেখা নাই।" অধ্যক্ষৰ এই ভাষ্যৰ প্ৰতিবাদত কংগ্ৰেছৰ বিশিষ্ট বিধায়ক শ্বেৰমান আলীয়ে 'বিশ্বাসঘাতক' শব্দটো উঠাই ল'বলৈ সদনত আবেদন জনায়। কিন্তু অধ্যক্ষই তেওঁৰ অনুৰোধ অগ্ৰাহ্য কৰি পূৰ্বৰ সিদ্ধান্ততে অটল থাকে। অখিল গগৈয়ে সদনত উজনি অসমৰ শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ জিলাত সংঘটিত হোৱা ভয়াবহ বানপানীৰ বিচ্ছিন্ন চিত্ৰ বৰ্ণনা কৰে। তেওঁ সদনক অৱগত কৰে যে এই দুৰ্যোগত হাজাৰ হাজাৰ পৰিয়ালে নিজৰ খেতি-বাতি, ঘৰ-দুৱাৰ, গৰু-ছাগলী আৰু ব্যৱসায়-বাণিজ্য সম্পূৰ্ণৰূপে হেৰুৱাইছে। বিশেষকৈ নাজিৰা অঞ্চলত এতিয়ালৈকে ২৮টা মৃতদেহ উদ্ধাৰ হোৱা বুলি উল্লেখ কৰি তেওঁ এই সংকটক ৰাষ্ট্ৰীয় দুৰ্যোগ হিচাপে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সদনৰ পৰা এখন প্ৰস্তাৱ পঠিওৱাৰ দাবী জনায়। তেওঁ কয় যে যথোপযুক্ত ক্ষতিপূৰণৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ ঘোষণা অতি জৰুৰী, নহ'লে বানপীড়িত ৰাইজে সঠিক সাহায্য পোৱাৰ পৰা বঞ্চিত হ'ব। অধ্যক্ষই অৱশ্যে এই দাবী প্ৰত্যাখ্যান কৰি কয় যে বাজেট অধিৱেশনৰ সময়ত এই বিষয়টো আলোচনা কৰা সম্ভৱ নহয়। তেওঁ উল্লেখ কৰে যে ইতিমধ্যে কংগ্ৰেছ দলেও আগদিনা একে ধৰণৰ সভাস্থগিত প্ৰস্তাৱ আনিছিল আৰু তাক ভোটাধাৰত নাকচ কৰা হৈছিল। অধ্যক্ষৰ এই সিদ্ধান্তৰ প্ৰতিবাদত অখিল গগৈয়ে সদনৰ মেজৰ ওপৰলৈ উঠি প্ৰতিবাদ প্ৰকাশ কৰে আৰু হাতযোৰ কৰি অধ্যক্ষক পুনৰ আবেদন জনায়। কিন্তু অধ্যক্ষ তেওঁৰ কথাত মান্তি নহয় আৰু বিধায়ক গৰাকীক দিনটোৰ বাবে নিলম্বন কৰাৰ লগে লগে মাৰ্শ্বালসকলৰ জৰিয়তে তেওঁক সদনৰ বাহিৰলৈ উলিয়াই নিয়াৰ নিৰ্দেশ দিয়ে। এই অভূতপূৰ্ব ঘটনাই গৃহত এক অশান্তিময় পৰিস্থিতিৰ সৃষ্টি কৰে। সদনৰ পৰা উলিওৱাৰ লগে লগে অখিল গগৈয়ে সংবাদ মাধ্যমৰ আগত গভীৰ ক্ষোভ আৰু বেদনা প্ৰকাশ কৰে। তেওঁ কয়, "আজি মোক বিধানসভাত উজনি অসমৰ মৰ্মন্তুদ দুৰ্যোগৰ বিষয়ে ক'বলৈ অনুমতি নিদিলে। শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউৰ ৰাইজে সঁচাকৈয়ে পাগল হৈ পৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। তেওঁলোকৰ জীৱনৰ সকলো সম্পত্তি বিলীন হৈ গ'ল, অথচ চৰকাৰে এই কথাবোৰ লুকুৱাবলৈহে বিচাৰিছে। ক্ষতিপূৰণ আৰু পুনৰুদ্ধাৰৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ ঘোষণা অবিহনে কেন্দ্ৰীয় সহায় আহি নাপায়। মই কথাবোৰ ক'বলৈ বিধানসভালৈ আহিছিলোঁ, কিন্তু মোক নিলম্বন কৰি উলিয়াই দিলে। বানপীড়িত লোকসকললৈ এতিয়াও কোনো ধৰণৰ সাহায্য সামগ্ৰী নাইগৈ, আমাৰ দুখ-কষ্টৰ কথা সদনত তুলি ধৰাটোৱেই যেন অপৰাধ হৈ পৰিছে।" এই ঘটনাই ৰাজ্যৰ ৰাজনৈতিক মহলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। অধ্যক্ষৰ কঠোৰ ভাষা প্ৰয়োগ আৰু এগৰাকী নিৰ্বাচিত বিধায়কক শাৰীৰিকভাৱে সদনৰ পৰা উলিওৱা ঘটনাক লৈ বিৰোধী দলসমূহে প্ৰশ্ন উত্থাপন কৰিছে। আনহাতে, চৰকাৰী দলৰ ফালৰ পৰা কয় যে অধ্যক্ষৰ নিৰ্দেশ অমান্য কৰা আৰু সদনৰ মৰ্যাদা হানি কৰাৰ বাবেই এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিধানসভাৰ এই নাটকীয় পৰিঘটনাই অহা দিনত অধিক বিতৰ্কৰ সৃষ্টি কৰিব পাৰে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। অসমৰ ৰাইজে বানপানীৰ প্ৰকৃত সাহায্য আৰু পুনৰুদ্ধাৰ কাৰ্য্যসূচী কেতিয়া আৰম্ভ হয়, তাৰ প্ৰতি দৃষ্টি ৰাখিছে।

## NEET প্ৰশ্নকাকত ফাদিলক

উদ্বেগ সমাধান কৰাৰ পৰিৱৰ্তে এই সংবেদনশীল বিষয়টোক নিজৰ ৰাজনৈতিক লাভৰ বাবে ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিছে। শিক্ষামন্ত্ৰীগৰাকীয়ে ঘটনাটোক "অত্যন্ত দুৰ্ভাগ্যজনক, গভীৰ উদ্বিগ্নতামূলক আৰু অত্যন্ত সংবেদনশীল" বুলি বৰ্ণনা কৰি কেন্দ্ৰীয় চৰকাৰে লোৱা দ্ৰুত পদক্ষেপৰ প্ৰশংসা কৰে। তেওঁ দাবী কৰে যে চৰকাৰে ইতিমধ্যে এই বিতৰ্কৰ সৈতে জড়িত অভিযুক্তসকলক গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰশ্নকাকত ফাদিল সংক্ৰান্তিয় গোচৰসমূহৰ দ্ৰুত বিচাৰৰ বাবে 'ফাষ্ট-ট্ৰেক' আদালত স্থাপনৰ কথা ঘোষণা কৰি দোষীসকলক কঠোৰতম শাস্তি দিয়াৰ নিৰ্দেশ দিছে বুলিও উল্লেখ কৰে। ৰাহুল গান্ধীক সমালোচনা কৰি ৰণোজ পেগুৱে কয়, "এই সময় ৰাজনৈতিক নাটকত লিপ্ত হোৱাৰ সময় নহয়। এয়া শিক্ষাৰ্থীসকলৰ প্ৰকৃত চিন্তাসমূহ সমাধান কৰাৰ সময়। শিক্ষাৰ্থীসকলৰ উদ্বেগক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাটো অনুচিত আৰু দায়িত্বজ্ঞানহীন। বাৰম্বাৰ নিৰ্বাচনী পৰাজয়ৰ মুখ দেখা কংগ্ৰেছ দলটোক পুনৰুজ্জীৱিত কৰিবলৈ ৰাহুল গান্ধীয়ে এই বিষয়টোৰ পৰা ৰাজনৈতিক সুবিধা ল'বলৈ চেষ্টা কৰিছে।" শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে দাবী কৰে যে বিজেপি আৰু ইয়াৰ এনডিএ মিত্ৰজোঁটে সংসদত NEET বিতৰ্কৰ ওপৰত বিস্তৃত আলোচনাৰ বাবে সাজু আছিল, কিন্তু কংগ্ৰেছ আৰু ইয়াৰ 'ইণ্ডিয়া' প্ৰতিৰোধী মিত্ৰজোঁটৰ সহযোগীসকলে আলোচনা কৰাৰ পৰিৱৰ্তে সংসদৰ কাৰ্যসূচী ব্যাহত কৰাটোহে বাছি ল'লে। তেওঁ যুক্তি দিয়ে যে প্ৰশ্নকাকত ফাদিল হোৱাটো এটা দীৰ্ঘদিনীয়া ৰাষ্ট্ৰীয় প্ৰত্যাহ্বান, যিটোক ৰাজনৈতিক সংঘাততকৈ ব্যৱস্থাগত সংস্কাৰৰহে প্ৰয়োজন। শিক্ষাৰ্থীসকলৰ ভৱিষ্যত সুৰক্ষিত কৰিবলৈ প্ৰাতিষ্ঠানিক সংস্কাৰ আৰু সামূহিক সহযোগিতাৰ প্ৰয়োজন, আৰু এনে প্ৰত্যাহ্বানসমূহ বাধা আৰু ৰাজনৈতিক সুযোগসন্ধানীৰ দ্বাৰা সমাধান কৰিব নোৱাৰি। ইয়াৰ উপৰিও ৰণোজ পেগুৱে কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰদলসমূহ শাসিত ৰাজ্যসমূহত সংঘটিত হোৱা প্ৰশ্নকাকত ফাদিলৰ ঘটনাসমূহৰ প্ৰতি ৰাহুল গান্ধীৰ মৌনতাক লৈ তীব্ৰ প্ৰশ্ন উত্থাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰী বাসভৱনৰ বাহিৰত ৰাহুল গান্ধীয়ে কৰা শেহতীয়া প্ৰতিবাদক সমালোচনা কৰি তেওঁ ইয়াক প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ মৰ্যাদা ক্ষুণ্ণ কৰা এক "অপ্ৰীতিকৰ দৃশ্য" বুলি আখ্যা দিয়ে। শিক্ষামন্ত্ৰীগৰাকীয়ে বিজেপি নেতৃত্বাধীন চৰকাৰখনে শিক্ষা খণ্ডত কৰা বিনিয়োগৰ কথাও উল্লেখ কৰি দাবী কৰে যে শিক্ষা বাজেট ইউপিএ চৰকাৰৰ দিনৰ ৮, ২২৫ কোটি টকাৰ পৰা মোদী চৰকাৰৰ দিনত প্ৰায় ১.৩ লাখ কোটি টকালৈ বৃদ্ধি পাইছে। তেওঁ কয়, "এই বৃদ্ধিয়েই প্ৰমাণ কৰে যে বৰ্তমান চৰকাৰ শিক্ষাৰ্থীসকলৰ ভৱিষ্যতৰ প্ৰতি কিমান গুৰুত্ব দিয়ে।" ৰাহুল গান্ধীক উদ্দেশ্যি ৰণোজ পেগুৱে পুনৰ্বাৰ কয় যে এই জটিল সময়ত ৰাজনৈতিক সুবিধা লোৱাতকৈ সমাধান বিচাৰি উলিওৱাই মুখ্য কাম, আৰু কেন্দ্ৰীয় চৰকাৰ এই দিশত সম্পূৰ্ণ সজাগ হৈ আছে।

## চচলত সত্যাগ্ৰহ ! ৫০০ৰো অধিক

পদত্যাগত গুৰুত্ব আৰোপ কৰে। সত্যাগ্ৰহস্থলীৰ পৰাই এজন এছএফআই নেতাই স্পষ্টভাষাত কয়, "বিগত দহ বছৰৰ ভিতৰত দেশত কমেও ১৪৮ বাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনা সংগঠিত হৈছে, যাৰ ফলত কিমান কোটি কোটি শিক্ষাৰ্থীৰ সপোন আৰু শৈক্ষিক ভৱিষ্যৎ নষ্ট হ'ল, তাৰ হিচাপ দিয়াটো কঠিন। যি শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক চৰম পদক্ষেপ ল'বলৈ বাধ্য কৰে, সি নিশ্চয় সংশোধনীয়।" তেওঁ পুনৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক উদ্দেশ্যি কয়, "আহক, এই প্ৰতিবাদস্থলীত থিয় হৈ থকা শিক্ষাৰ্থীসকলৰ মূৰ আৰু বাহু গণি চাওক। কিয়নো কালি আৰক্ষীয়ে ঘৰে ঘৰে গৈ আমাক ভাবুকি দিছিল যদিও আমি সেই ভয়-ভাবুকিলৈ তিলমাত্ৰো কেৰেপ নকৰোঁ। দিল্লী, কেৰালা, বেংগলৰ দৰে অসমতো শিক্ষাৰ্থীসকলে ঐক্যবদ্ধভাৱে প্ৰতিবাদ অব্যাহত ৰাখিব, যেতিয়ালৈকে শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ নকৰে।" আন এগৰাকী প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীয়ে কয়, "বৰ্তমানৰ চৰকাৰখনে জনতাৰ হিতৰ কাম নকৰি গণতান্ত্ৰিক অধিকাৰ দমন কৰিছে। ভাৰতৰ সংবিধানে আমাক প্ৰতিবাদৰ অধিকাৰ দিছে, কিন্তু সেই অধিকাৰ প্ৰয়োগ কৰাত দিল্লীৰ যন্তৰ-মন্তৰত যি নিৰ্যাতন চলোৱা হৈছে, সি অতি গৰিহণাযোগ্য। আমি ধৰ্মেন্দ্ৰ প্ৰধানক কওঁ-আপুনি গাদী এৰক। আপোনাৰ নেতৃত্বত শিক্ষা ব্যৱস্থা বিফল হৈছে, আপুনি লাজ পাব লাগে। যেতিয়ালৈকে তেওঁ পদত্যাগ নকৰে, আমি নিজৰ দাবীত অটল থাকিম আৰু প্ৰতিবাদীয় কাৰ্যসূচী জাৰি ৰাখিম।" উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু পৰীক্ষা পদ্ধতিৰ বিভিন্ন ত্ৰুটিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যজুৰি ছাত্ৰ সংগঠনসমূহে তীব্ৰ মাত মাতি আহিছে। সোমবাৰৰ পৰা দিল্লীৰ যন্তৰ-মন্তৰত আৰম্ভ হোৱা এই আন্দোলনে অসমত নতুন মাত্ৰা লাভ কৰিছে। বৃহস্পতিবাৰে গুৱাহাটীৰ লগতে ৰাজ্যৰ আন আন প্ৰান্ততো এই দাবী শক্তিশালী কৰি তোলাৰ প্ৰচেষ্টা চলোৱা হৈছে। ইফালে প্ৰতিবাদী কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী আৰক্ষী বিভাগে চচল অঞ্চলত ব্যাপক সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰে। ধৰ্ণাস্থলীৰ চাৰিওফালে বৃহৎ সংখ্যক আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী মোতায়েন কৰা হয়। যদিও প্ৰতিবাদ শান্তিপূৰ্ণ আছিল, প্ৰশাসনে যিকোনো অঘটন পৰিহাৰ কৰিবলৈ সজাগ দৃষ্টি ৰাখে। শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক পদত্যাগ কৰিবলৈ চৰকাৰী মহললৈও এই প্ৰতিবাদে এক স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে। আগন্তুক দিনত সংগঠনটোৱে আন্দোলনৰ তীব্ৰতা বৃদ্ধি কৰাৰ হুংকাৰ দিয়াৰ লগতে ৰাজ্য চৰকাৰ আৰু প্ৰশাসনক ছাত্ৰসকলৰ ওপৰত অত্যাচাৰ নকৰিবলৈ সাৱধান কৰি দিছে।

## প্ৰলয়ংকৰী বানত ৪০জন লোকৰ

ভুক্তভোগী ৰাইজৰ সমভাগী হোৱাৰ লগতে ক্ষতিগ্ৰস্ত লোকসকলক সকাহ দিয়াৰ আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যোৱা কালি মই যোৰহাট, চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বান পৰিস্থিতিৰ বুজ ল'বলৈ গৈছিলো আৰু আজি গোলাঘাটত বানাক্ৰান্ত ৰাইজৰ আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰিছোঁ। বানপানীৰ ফলত ৰাইজৰ বহু ক্ষয়-ক্ষতি হৈছে। বিশেষকৈজন জীৱনৰ লগতে কৃষি পথাৰ, গৰু, ছাগলী, ছাত্ৰ ছাত্ৰীৰ কিতাপ, গুৰুত্বপূৰ্ণ নথি পত্ৰ অনিষ্ট সাধন হৈছে। কিছুসময় আগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ফোন যোগে মোক জনালে যে তেখেতে কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধি দল শীঘ্ৰে ক্ষতিগ্ৰস্ত এলেকালৈ প্ৰেৰণ কৰিব বুলি আশ্বাস প্ৰদান কৰিছে। আমি চৰকাৰৰ তৰফৰ পৰা ক্ষতিগ্ৰস্ত ৰাইজক সহায় কৰিবলৈ চেষ্টা কৰিম। এই অঞ্চলত ৰেল বিভাগে নিৰ্মাণ কৰা এখন দলং সৰু হোৱাৰ বাবে পানী ওলাই যাব পাৰা নাই এই বিষয়ে আমি ৰে'ল বিভাগৰ লগত কথা পাতিম। অসমত বান পৰিস্থিতি ভয়াৱহ হৈছে। বৰ্তমানলৈকে ৪০জন লোকৰ মৃত্যু হৈছে আৰু ৭০জন লোক নিৰুদ্দেশ হৈ আছে। বানত গোলাঘাট জিলাত চজন লোকৰ প্ৰাণহানি হৈছে। মোৰ মতে ইয়াৰ সংখ্যা আৰু বৃদ্ধি হ'ব। নাগালেণ্ডত হোৱা ডাৱৰ বিস্ফোৰণৰ ফলত পাহাৰৰ পৰা নামি অহা পানীৰ ঢলে ভয়াবহ বানপানীৰ সৃষ্টি কৰি চাৰিখন জিলাত ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। বানপানীৰ কবলত পৰি বহু লোকৰ বিস্তৰ ক্ষয়-ক্ষতি হৈছে। আমাৰ চৰকাৰে সাধ্য অনুসৰি ক্ষতিগ্ৰস্ত লোকসকলক সকাহ দিয়াৰ চেষ্টা অব্যাহত ৰাখিছোঁ। বানপীড়িত আৰু দুৰ্দশাগ্ৰস্ত লোকসকলক আমি যিমান পৰ্যায়লৈ পাৰো সিমান পৰ্যায়লৈক সহায় কৰিম বুলি তেওঁ প্ৰতিশ্ৰুতি প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই নিপক'ই পানী এৰি দিয়া সন্দৰ্ভত কয় নিপক'ৰ জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিলে আমাৰ ইমান সমস্যাৰ সৃষ্টি নহয়। তথাপি ৰাইজক সজাগ, সচেতন হৈ থাকিবলৈ আহ্বান জনাইছোঁ। ডাৱৰ বিস্ফোৰণৰ ফলত অহা পানীৰ কোনো হিচাপ নাথাকে। নগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু অৰুণাচলৰ পৰা পানী নামি আহিলে আমাৰ অসুবিধা হয়, কাৰণ তেওঁলোকে পাহাৰত থাকে আৰু আমি ভৈয়ামত বাস কৰোঁ। ইয়াৰ উপৰিও পাহাৰত উন্নয়ন মূলক কামৰ বাবেও অসমত বিপদজনক হৈ পৰা বুলিও মন্তব্য কৰাৰ লগতে তেওঁ ৰাইজক বানপানীৰ পৰা সজাগ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই সংশ্লিষ্ট বিষয়াসকলক ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ সকলো প্ৰয়োজনীয় সহায়-সহযোগিতা সময়মতে নিশ্চিত কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণকালত তেওঁক গোলাঘাট সমষ্টিৰ বিধায়িকা তথা মহিলা আৰু শিশু বিকাশ, পৰ্যটন বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, দেৰগাঁও সমষ্টিৰ বিধায়ক ড° মৃদুল কুমাৰ দত্ত, জিলা আয়ুক্ত বিশ্বজিৎ ফুকন আদিয়ে সংগ দিয়ে।

## নীপকোৰ গেট খোলাৰ উদ্বেগত

বিশ্ব শৰ্মাই এই কথা সদৰি কৰে। যোৱা দুদিন ধৰি উজনি অসমৰ বান বিধ্বস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি বন্যাৰ্তসকলৰ দুৰৱস্থাৰ ওচৰৰ পৰা বুজ লৈ থকা মুখ্যমন্ত্ৰীয়ে বৃহস্পতিবাৰে গোলাঘাট জিলাৰ কেইবাটাও আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। শিৱসাগৰ আৰু যোৰহাট পৰিদৰ্শনৰ অন্তত গোলাঘাটৰ বান শিবিৰ দুখন পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীয়ে নীপকো (NEEPCO) সম্পৰ্কে নিজৰ উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয়, "আমাৰ অলপ চিন্তা হৈ আছে যে যদি নীপকোৱে পানী এৰি দিয়ে, তেন্তে আমি কিমান ক্ষতিগ্ৰস্ত হ'ব লাগিবহু গতিকে জিলা প্ৰশাসনক সতৰ্ক কৰি দিছোঁ যাতে আজিৰ দিনটোত আমি সাৱধান থাকিব পাৰোঁ। কাৰণ তেওঁলোকে গেট খুলিলে সৰুপথাৰ আদি অঞ্চললৈ মাজনিশা পানী আহিব। সাৱধানতাৰ বাবে ৰাইজক ওখ ঠাইলৈ অনাৰ বাবে সৰুপথাৰৰ বিধায়কৰ লগতো আলোচনা কৰা হৈছে। বাকী দুৰ্দশাগ্ৰস্ত ৰাইজক আমি যিমান পাৰোঁ সহায়ৰ হাত আগবঢ়াম।" উল্লেখযোগ্য যে নীপকোৱে ইতিমধ্যে দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ তিনিখন গেট মুকলি কৰি পানী এৰি দিছে। এই পানী ধনশিৰি আৰু দৈয়াং নদীৰ কাষৰীয়া অঞ্চলসমূহ প্লাৱিত কৰাৰ সম্ভাৱনা আছে, যাৰ বাবে গোলাঘাট জিলাত প্ৰশাসনে সতৰ্কবাণী জাৰি কৰিছে। মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰি প্ৰশাসন আৰু ৰাইজক সজাগ হৈ থকাৰ আহ্বান জনায়। আনহাতে, নুমলীগড়ৰ পৰা গহপুৰলৈ নিৰ্মাণ হ'বলগীয়া নদী সুৰংগ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "এইটো অতি কঠিন কাম। আৰম্ভ কৰোঁতেই দুই-তিনি বছৰ সময় লাগিব। বিশ্বত এইটো দ্বিতীয় নদী সুৰংগ হ'ব, গতিকে ই এক প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়িব।" তেওঁ লগতে জানিবলৈ দিয়ে যে কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ নিবিদা প্ৰক্ৰিয়া অহা দুই-এদিনৰ ভিতৰত মুকলি কৰা হ'ব। কলিয়াবৰৰ পৰা নুমলীগড়লৈকে এলিভেটেড কৰিড'ৰ আৰু চাৰিলেনযুক্ত পথৰ ক্ষতিপূৰণ সম্পৰ্কে মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "ক্ষতিপূৰণ জ'নেল ভেলুৱেশ্যনৰ (Zonal Valuation) দ্বাৰা হয়। গতিকে কোনো ধৰণৰ জ'নেল ভেলুৱেশ্যন আছিল, সেই বিষয়ে আলোচনা কৰিব লাগিব। মোক ইয়াতো স্মাৰকপত্ৰ দিয়া হৈছে। কিন্তু সাধাৰণতে সমস্যা এইটোৱে যে জ'নেল ভেলুৱেশ্যন কাৰেক্ট কৰি ৰখা নহ'লে সমস্যা হয়। তথাপি ৰাইজক যেনেকৈ পাৰি সহায় কৰিবলৈ আমি চেষ্টা কৰিম।" কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বান পৰিস্থিতি সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, "কাজিৰঙাত অলপ পানী আহিব লাগে, নহ'লে অসুবিধা হয়। কিন্তু যোৱাবাৰতকৈ এতিয়া অলপমান স্থিতি আছে। আমি নজৰ ৰাখিছোঁ, কিন্তু বানপানীৰ পৰিৱেশ সম্পূৰ্ণৰূপে পাৰ হৈ যোৱা নাই। আগষ্ট মাহটোত সম্পূৰ্ণৰূপে পানী অহাৰ সম্ভাৱনা থাকে। গতিকে কাজিৰঙা কৰ্তৃপক্ষৰ লগত যোগাযোগত আছোঁ, আৰু যি ধৰণে পাৰোঁ সহায় কৰিম।" মুখ্যমন্ত্ৰীৰ পৰিদৰ্শনে বানপীড়িত ৰাইজৰ মাজত কিছু আশাৰ সঞ্চাৰ কৰিছে যদিও নীপকোৰ গেট খোলাৰ লগে লগে গোলাঘাট আৰু ওচৰৰ অঞ্চলত বানৰ তীব্ৰতা বৃদ্ধি পোৱাৰ আশংকাই চিন্তা বৃদ্ধি কৰিছে। প্ৰশাসনে সৰ্বাত্মক প্ৰস্তুতি চলাই থকাৰ লগতে ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। কেন্দ্ৰীয় আন্তঃমন্ত্ৰণালয় দল অহাৰ পাছত ক্ষয়ক্ষতিৰ বাস্তৱ মূল্যায়ন আৰু দীৰ্ঘম্যাদী পুনৰুদ্ধাৰ কাৰ্য্যসূচী গ্ৰহণ কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস দিছে।

## তিনিসপ্তাহৰ ভিতৰত আত্মসমৰ্পণ

আত্মসমৰ্পণ কৰিবলৈ আদেশ দিয়ে। সম্প্ৰতি জামিনত মুক্ত হৈ থকা সোণমক এই নিৰ্দেশ দিয়াৰ লগতে আদালতে কয় যে তেওঁৰ জামিন অব্যাহত থাকিলে চলি থকা বিচাৰ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি হ'ব পাৰে। ন্যায়াধীশ এম এম সুন্দ্ৰেশ আৰু পি বি ভাৰালেৰ গঠিত বিচাৰপীঠে এই নিৰ্দেশ জাৰি কৰে। সোণমৰ হৈ জ্যেষ্ঠ অধিবক্তা অৰ্ধেন্দুমৌলি কুমাৰ প্ৰসাদে যুক্তি দাঙি ধৰে, আনহাতে ৰাজ্য চৰকাৰৰ হৈ উপস্থিত থাকে ছলিচিটৰ জেনেৰেল তুষাৰ মেহতা। যোৱা ২৬ এপ্ৰিলত মেঘালয় উচ্চন্যায়ালয়ে সোণমক জামিন প্ৰদান কৰিছিল, যাক প্ৰত্যাহ্বান জনাই মেঘালয় চৰকাৰে উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। শীৰ্ষ আদালতে নিজৰ ৰায়ত স্পষ্টভাৱে উল্লেখ কৰে যে গ্ৰেপ্তাৰৰ ভিত্তি সঠিকভাৱে অৱগত নকৰাৰ বাবে উচ্চ ন্যায়ালয় আৰু বিচাৰ আদালতে জামিন প্ৰদান কৰাত ভুল কৰিছে। বিচাৰপীঠে কয়, "অভিযুক্তক গ্ৰেপ্তাৰৰ কাৰণ জনোৱা নহ'লেও তদন্তৰ স্বাৰ্থত পুনৰ গ্ৰেপ্তাৰ কৰাত বাধা নাথাকে। তথ্যৰ পৰা স্পষ্ট যে সোণম জামিনৰ অধিকাৰী নহয়, কেৱল মেৰিটৰ ভিত্তিত নহয়, নিম্ন আদালত দুখনৰ আলোচনাৰ ভিত্তিতো এই সিদ্ধান্ত লোৱা হৈছে।" ন্যায়াধীশ সুন্দ্ৰেশে লগতে কয়, "গ্ৰেপ্তাৰৰ কাৰণ নজনোৱা আৰু পৰ্যাপ্ত কাৰণ দিয়াৰ মাজত পাৰ্থক্য আছে। সোণমৰ গ্ৰেপ্তাৰ সম্পৰ্কীয় নথি-পত্ৰ তেওঁৰ ওচৰত দাখিল কৰা হৈছিল। আমি স্বেচ্ছামূলক আত্মসমৰ্পণ বা গ্ৰেপ্তাৰৰ লগত জড়িত অনুৰূপ বিষয়ত প্ৰৱেশ কৰিব নিবিচাৰোঁ।" বিচাৰপীঠে নিম্ন আদালত দুখনৰ জামিন প্ৰদানক ভুল বুলি অভিহিত কৰে যদিও জামিন নিয়ম আৰু জেল ব্যতিক্ৰম—এই নীতিক স্বীকাৰ কৰে। কিন্তু তেওঁলোকে কয় যে এই গোচৰত পূৰ্বৰ জামিন অস্বীকাৰৰ আদেশ চূড়ান্ত হৈছে আৰু ইতিমধ্যে বিচাৰো আৰম্ভ হৈছে, সেয়ে জামিন অব্যাহত থাকিলে বিচাৰত বাধা আহিব। তিনিসপ্তাহৰ সময়সীমা নিৰ্ধাৰণ কৰি আদালতে কয়, "এই পৰ্যায়ত অভিযুক্তৰ জামিন অব্যাহত থাকিলে বিচাৰ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি হ'ব বুলি আমি পৰ্যবেক্ষণ কৰিছোঁ। সেয়ে আমি বিবাদিত জামিন আদেশ বাতিল কৰিবলৈ ইচ্ছুক।" লগতে আদালতে কয় যে যদি বিচাৰ প্ৰক্ৰিয়া অব্যাহত থাকে আৰু ছয় মাহৰ ভিতৰত শেষ হয়, তেন্তে সোণমে নতুনকৈ জামিন আবেদন দাখিল কৰাৰ স্বাধীনতা থাকিব।

## লখিমপুৰত কংগ্ৰেছৰ প্ৰতিবাদ

আৰু কংগ্ৰেছ কাৰ্যালয়ৰ প্ৰৱেশদ্বাৰতে বেৰিকেড স্থাপন কৰি বিশাল আৰক্ষী বাহিনী মোতায়েন কৰে। প্ৰতিবাদকাৰী কংগ্ৰেছকৰ্মীসকলক কাৰ্যালয়ৰ পৰা ওলাবলৈ নিদিয়াত তেওঁলোকেই প্ৰৱেশ পথতে থিয় হৈ 'বিজেপি হায় হায়', 'বিজেপি চৰকাৰ হায় হায়', 'ছাত্ৰ সমাজৰ ওপৰত অত্যাচাৰ সহ্য নকৰোঁ' আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। কিছুসময়ৰ ভিতৰতে আৰক্ষী আৰু কংগ্ৰেছকৰ্মীসকলৰ মাজত টনা-আঁজোৰা পৰিস্থিতিৰ সৃষ্টি হয়। ইফালে বেৰিকেড পাৰ হৈ বাহিৰলৈ ওলাই অহা জিলা কংগ্ৰেছৰ সভাপতি গংগাজ্যোটি টায়েগাম আৰু আন এজন কংগ্ৰেছৰ বিষয়ববীয়া ৰাতুল বৰাক আৰক্ষীয়ে আটক কৰি সদৰ থানালৈ লৈ যায়। এই আটকৰ ঘটনাই প্ৰতিবাদীসকলক অধিক ক্ষুব্ধ কৰি তোলে। জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী হাফিজা বেগমে সংবাদ মাধ্যমৰ আগত তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয়, "আমি সুন্দৰ আৰু শান্তিপূৰ্ণভাৱে কেৱল শিক্ষামন্ত্ৰীজনৰ পদত্যাগৰ দাবী জানাবলৈ লখিমপুৰ জিলা কংগ্ৰেছ, এনএছইউআই আৰু মহিলা কংগ্ৰেছৰ সহযোগত এই কাৰ্যসূচী আয়োজন কৰিছিলোঁ। কিন্তু ভাৰত চৰকাৰৰ প্ৰশাসনে আমাক শান্তিপূৰ্ণ প্ৰতিবাদও কৰিবলৈ নিদি ভেটা দি ধৰিছে। দুজনক আটক কৰিছে, বাকীসকলকো অমানৱীয় আচৰণ কৰা হৈছে।" তেওঁ লগতে কয়, "নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাক লৈ দিল্লীৰ যন্তৰ-মন্তৰতো প্ৰতিবাদ চলি আছে। এনে পৰিস্থিতিত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কেনেকৈ দেশৰ ছাত্ৰ সমাজৰ ভৱিষ্যৎ সুৰক্ষিত কৰিব? দেশৰ শিক্ষা ব্যৱস্থা যে অধঃপতনৰ মুখত, তেওঁৰ পদত্যাগ নকৰাটো চূড়ান্ত অভদ্ৰামি আৰু অদূৰদৰ্শিতা।" জিলা কংগ্ৰেছৰ দুজন বিষয়ববীয়াক আটক কৰাটো গৰিহণাযোগ্য বুলি তেওঁ প্ৰশাসনৰ তীব্ৰ নিন্দা কৰে। আনফালে লখিমপুৰ আৰক্ষীয়ে জনাইছে যে প্ৰশাসনৰ নিৰ্দেশ অমান্য কৰি উচ্ছৃঙ্খল পৰিস্থিতি সৃষ্টি কৰাৰ বাবেই এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কিন্তু কংগ্ৰেছ দলে দাবী কৰিছে যে তেওঁলোকৰ প্ৰতিবাদ সম্পূৰ্ণৰূপে গণতান্ত্ৰিক আৰু শান্তিপূৰ্ণ আছিল, আৰু এই আটক ৰাজনৈতিক প্ৰতিশোধ বুলি অভিযোগ উত্থাপন কৰিছে। এই ঘটনাই অহা দিনত লখিমপুৰৰ ৰাজনৈতিক মহলত বিতৰ্কৰ সৃষ্টি কৰিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। ছাত্ৰ সংগঠনসমূহেও শিক্ষামন্ত্ৰীৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত ৰখাৰ হুঁকিয়াৰ দিছে।

## গান্ধী স্মৃতিত 'ইণ্ডিয়া' জোটৰ

সমগ্ৰ দেশত শোকৰ ঢৌ আনি দিছে। সেই ক্ষতিগ্ৰস্ত শিক্ষাৰ্থীসকললৈ গভীৰ শ্ৰদ্ধা আৰু সমবেদনা জনাই বৃহস্পতিবাৰে সন্ধিয়ালৈ লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ নেতৃত্বত 'ইণ্ডিয়া' মিত্ৰজোঁটৰ সাংসদসকলে এক শোকসভাৰ আয়োজন কৰে। এই শোক অভিযানৰ অংশ হিচাপে প্ৰথমে কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি ভেণুগোপাল, প্ৰিয়ংকা গান্ধী, সুপ্ৰিয়া ছুলে প্ৰমুখ্যে 'ইণ্ডিয়া' জোটৰ বিশিষ্ট সাংসদসকল ৰাহুল গান্ধীৰ বাসভৱনত একত্ৰিত হয়। তেওঁলোকে প্ৰথমতে ইণ্ডিয়া গেটত সমবেত হৈ প্ৰতিবাদ জনাবলৈ পৰিকল্পনা কৰিছিল যদিও আৰক্ষী আৰু প্ৰশাসনৰ অনুমতি নোপোৱাত দলটোৱে গান্ধী স্মৃতিলৈ যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। গান্ধী স্মৃতিত উপস্থিত হৈ ৰাহুল গান্ধীয়ে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে তীব্ৰ বাক্যবাণ চলায়। তেওঁ অভিযোগ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰখনে দেশৰ গণতান্ত্ৰিক চৰ্চা আৰু অধিকাৰসমূহ বলপূৰ্বকভাৱে দমন কৰি নিৰীহ শিক্ষাৰ্থীসকলৰ ওপৰত নিৰ্যাতন চলাইছে। শান্তিপূৰ্ণভাৱে নিজৰ অধিকাৰ আদায়ৰ বাবে ৰাজপথলৈ নামি অহা শিক্ষাৰ্থীসকলক প্ৰশাসনে কেনেকৈ প্ৰহাৰ কৰিছে, সেই চিত্ৰ উল্লেখ কৰি তেওঁ স্পষ্ট ভাষাত কয় যে এনে অমানৱীয় কাৰ্য্যক তেওঁলোক কেতিয়াও গ্ৰহণযোগ্য বুলি নাভাবে। 'ভাৰতৰ শিক্ষাৰ্থীসকলৰ সৈতে একাত্মতা প্ৰকাশ কৰাৰ পথত আমাক কোনো শক্তিয়েই বাধা দিব নোৱাৰে, ' বুলি তেওঁ দৃঢ়ভাৱে পুনৰব্যক্ত কৰে। এই শোক প্ৰকাশৰ পৰিপ্ৰেক্ষিততে ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰীক লক্ষ্য কৰি কঠোৰ দাবী আগবঢ়ায়। তেওঁ দাবী কৰে যে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক তৎক্ষণাত পদবিৰ পৰা অপসাৰণ কৰিব লাগে আৰু শিক্ষা ব্যৱস্থাৰ এই পতনৰ বাবে দায়ী হিচাপে তেওঁ শিক্ষাৰ্থীসকলৰ ওচৰত ৰাজহুৱাভাৱে ক্ষমা বিচাৰিব লাগে। ইপিনে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে সংবাদ মাধ্যমৰ আগত কয় যে এই প্ৰতিবাদী সাংসদসকল গান্ধী স্মৃতিলৈ উপস্থিত হোৱাৰ উদ্দেশ্য হ'ল চৰকাৰক এক স্পষ্ট বাৰ্তা দিয়া যে এই দেশখনেই সেই ভূমি, য'ত মহাত্মা গান্ধীয়ে কৃষক, দুখীয়া আৰু শোষিত জনসাধাৰণক লৈ ঐতিহাসিক আন্দোলন গঢ়ি তুলিছিল। সেই একেই ভূমিত আজি মোদী চৰকাৰে ক্ষমতাৰ বলত শিক্ষাৰ্থীসকলক প্ৰহাৰ কৰি তেওঁলোকৰ গণতান্ত্ৰিক মৌলিক অধিকাৰ খৰ্ব কৰিছে বুলি তেওঁ তীব্ৰ নিন্দা জ্ঞাপন কৰে। শিক্ষাৰ্থীসকলৰ এই সংকটময় পৰিস্থিতিত বিৰোধী দলসমূহৰ এই সমাবেশে আগন্তুক দিনত ৰাজনৈতিক মহলত অধিক তৰ্ক-বিতৰ্কৰ সৃষ্টি কৰিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## মৰিয়নীৰ বানপীড়িত অঞ্চল

প্ৰভাৱিত কৰিছে। বৰ্তমানলৈকে এই বানত প্ৰায় ৪১ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে অৰ্ধশতাধিক লোক সন্ধানহীন হৈ আছে। বৃহস্পতিবাৰে মৰিয়নী সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ সৈতে মটৰচাইকেলযোগে কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা বনাইৰ ধনতোলা অঞ্চলত উপস্থিত হয়। তেওঁলোকৰ লগতে যোৰহাট জিলা উপায়ুক্তও উপস্থিত থাকে। জাঁজী নৈৰ বাঢ়নী পানীয়ে মৰিয়নী সমষ্টিৰ বিভিন্ন অঞ্চলৰ লগতে ধনতোলাত মথাউৰি ছিগাৰ ফলত ব্যাপক ক্ষয়-ক্ষতি ঘটা পৰিলক্ষিত হয়। এই অঞ্চল পৰিদৰ্শন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বানপীড়িতসকলৰ দুখ-কষ্টৰ ওচৰৰ পৰা বুজ লয়। পৰিদৰ্শনৰ পাছত সংবাদ মাধ্যমৰ আগত পবিত্ৰ মাৰ্ঘেৰিটাই কয়, "অতি সোনকালে বানবিধ্বস্ত অঞ্চলৰ লোকসকলক চৰকাৰৰ তৰফৰ পৰা যথোচিত সহায় আগবঢ়োৱা হ'ব। আমি তাৎক্ষণিকভাৱে এই মথাউৰিটো পুনৰ নিৰ্মাণ কৰিম। মথাউৰিটো কিয় আৰু কেনেকৈ ভাঙিল, সেয়া পৰৱৰ্তী সময়ত বিবেচনা কৰিম। বৰ্তমান আমি ৰাইজক সকাহ দিয়াত ব্যস্ত। ইতিমধ্যে বহু লোকৰ মৃত্যু হৈছে, বহুজনক উদ্ধাৰ কৰা হৈছে। পশুখাদ্য, চিকিৎসা আদি সকলো ব্যৱস্থা কৰা হৈছে। আমি কেন্দ্ৰীয় চৰকাৰৰ সৈতেও আলোচনা চলাই আছোঁ, তেওঁলোকে প্ৰতিদিনে যোগাযোগ কৰি সহায় আগবঢ়াইছে। এই ভয়াৱহতা অতি অনাকাংক্ষিত, সকলোৱে সেয়া অনুভৱ কৰিছে। মই অসমৰ বাবে কেন্দ্ৰত এই বিষয় উত্থাপন কৰিম, অসমে নিশ্চয় কেন্দ্ৰৰ পৰা সুবিধা লাভ কৰিব।" ইফালে বান পৰিস্থিতি উদ্ভৱ হোৱাৰ পৰাই ৰাজ্য চৰকাৰৰ জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁই, ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, মন্ত্ৰী বিমল বড়া আৰু অজন্তা নেওগো জিলাসমূহত উপস্থিত হৈ উদ্ধাৰ আৰু সাহায্য কাৰ্য্য তদাৰক কৰি আছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি তেওঁলোকে প্ৰশাসনিক প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ লগতে বানপীড়িত ৰাইজলৈ প্ৰয়োজনীয় সামগ্ৰী প্ৰেৰণৰ ব্যৱস্থা কৰিছে। ৰাজ্যৰ এই সংকটময় পৰিস্থিতিত কেন্দ্ৰীয় মন্ত্ৰীৰ পৰিদৰ্শনে ৰাইজৰ মাজত কিছু আশাৰ সঞ্চাৰ কৰিছে যদিও প্ৰকৃত পুনৰুদ্ধাৰ কাৰ্য্য কিমান দ্ৰুত গতিত আগবাঢ়ে, তাৰ প্ৰতি সমগ্ৰ অসমৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## শিৱসাগৰত বন্যাৰ্তৰ মাজত

'Emergency Flood Relief–2026 in Upper Assam' শীৰ্ষক এই অভিযানৰ জৰিয়তে হাজাৰ হাজাৰ বানপীড়িত পৰিয়াললৈ খাদ্য, ঔষধ আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। সাহায্য বিতৰণ অনুষ্ঠানত ভাষণ দি বদৰুদ্দিন আজমলে কয় যে যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাত বানৰ ফলত ব্যাপক ক্ষয়-ক্ষতি হৈছে। বহু পৰিয়াল গৃহহীন হোৱাৰ লগতে পশুধনৰো অসংখ্য মৃত্যু ঘটিছে। ইতিমধ্যে ৬০-৭০ গৰাকী লোকৰ মৃত্যুৰ আশংকা কৰি তেওঁ সতৰ্কবাণী দিয়ে যে এই ভয়াবহ পৰিস্থিতিয়ে জনস্বাস্থ্যঞ্জযৰ বাবেও গুৰুতৰ সংকট কঢ়িয়াই আনিব পাৰে। তেওঁ স্পষ্টভাৱে উল্লেখ কৰে যে বানত প্ৰভাৱিত লোকসকলৰ প্ৰায় ৯৯ শতাংশই হিন্দু সম্প্ৰদায়ৰ অন্তৰ্গত, কিন্তু এই সংকটময় সময়ত ধৰ্ম, বৰ্ণ বা জাতিৰ ঊৰ্ধ্বত উঠি সকলোকে সহায় প্ৰদান কৰাই তেওঁৰ মূল লক্ষ্য। আজমলে অসম চৰকাৰৰ মন্ত্ৰীসকলক আহ্বান জনায় যে তেওঁলোকেও নিজ নিজ সামৰ্থ্য অনুযায়ী বানপীড়িত ৰাইজৰ বাবে আগবাঢ়ি আহিব। একেদৰে কেন্দ্ৰীয় চৰকাৰক তৎকালীন ভিত্তিত অধিক সংখ্যক এনডিআৰএফ (NDRF) দল নিয়োগ কৰাৰ লগতে উদ্ধাৰ অভিযান আৰু অত্যাৱশ্যকীয় সামগ্ৰী আকাশমাৰ্গেৰে প্ৰেৰণ কৰাৰ দাবী জনায়। তেওঁ কয় যে বান পৰিস্থিতি সম্পৰ্কে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰতৰ ৰাষ্ট্ৰপতিলৈ শীঘ্ৰে এখন পত্ৰ প্ৰেৰণ কৰা হ'ব, য'ত হাজাৰ কোটি টকাৰ বিশেষ বান সাহায্য পেকেজ ঘোষণা কৰিবলৈ অনুনয় জনোৱা হ'ব। উল্লেখযোগ্য যে এই সাহায্য অভিযান পৰ্যবেক্ষণ আৰু তদাৰক কৰাৰ উদ্দেশ্যে বদৰুদ্দিন আজমলে তিনিদিন উজনি অসমত অৱস্থান কৰিব বুলি ঘোষণা কৰিছে। তেওঁ কয়, "বানপীড়িত ৰাইজৰ দুখ-কষ্ট এতিয়াও বহু পৰিমাণে উপেক্ষিত হৈ আছে, গতিকে মই নিজে উপস্থিত থাকি উদ্ধাৰ আৰু সাহায্য কাৰ্য্য সঠিকভাৱে আগবাঢ়িছে নে নাই পৰ্যবেক্ষণ কৰিম।" তেওঁৰ এই ঘোষণাই ৰাজনৈতিক মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছে যদিও বানাক্ৰান্ত ৰাইজে তেওঁৰ এই মানৱীয় উদ্যোগক আদৰি লৈছে।

## দৈয়াং জলবিদ্যুৎ প্ৰকল্পই খুলি দিলে

দিয়া হয়। বৃহস্পতিবাৰে দুপৰীয়া ১২ঃ ৩০বজালৈ জলাধাৰৰ পানীৰ স্তৰ আছিল এলিভেচন ৩২১.৮৫মিটাৰ। স্পিলৱেৰ জৰিয়তে প্ৰতি ছেকেণ্ডত আনুমানিক ২৯ঘন মিটাৰ (Cumecs) পানী নিষ্কাশন কৰা হৈছে। আনহাতে গেট নং—১ আৰু গেট নং—৪ বন্ধ অৱস্থাত আছে। দৈয়াং জলবিদ্যুৎ কেন্দ্ৰৰ তথ্য অনুসৰি, জলাধাৰৰ সম্পূৰ্ণ সংৰক্ষণ স্তৰ (FRL) 324.00মিটাৰ, ন্যূনতম ড্ৰ'ডাউন স্তৰ (MDDL) 306.00মিটাৰ আৰু স্পিলৱে ক্ৰেষ্ট স্তৰ ৩২১.০০মিটাৰ। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত গোলাঘাট জিলাসহ ধনশিৰি নদীৰ নামনি অঞ্চলসমূহত বানৰ আশংকা বৃদ্ধি পোৱাত জিলা প্ৰশাসনে সকলো ৰাইজকে আতংকিত নহৈ সজাগ হবলৈ অনুৰোধ জনাইছে আৰু সম্ভাব্য পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সতৰ্কতা জাৰি কৰিছে। বিশেষকৈ নদী কাষৰীয়া অঞ্চলৰ বাসিন্দাসকলক অতি সাৱধানতা অৱলম্বন কৰিবলৈ, নদীত নামি মাছ ধৰা, নাও চলোৱা বা অপ্ৰয়োজনীয়ভাৱে নদীৰ পাৰত অৱস্থান নকৰিবলৈ আহ্বান জনোৱা হৈছে। ইফালে, দৈয়াং জলবিদ্যুৎ প্ৰকল্পই দুখনকৈ গেট খুলি দিয়া খবৰটো লাভ কৰাৰ পিছতে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন বিধানসভাৰ অধিৱেশনৰ মজিয়াৰ পৰাই সমষ্টিলৈ ৰাওনা হয়। সামাজিক মাধ্যমযোগে বিধায়ক গৰাকীয়ে জনাইছে যে সম্ভাব্য বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। লগতে তেওঁ সকলোকে ভয় বা আতংকিত নহৈ, সজাগ আৰু সতৰ্ক হৈ প্ৰশাসনৰ নিৰ্দেশনা মানি চলিবলৈ আহ্বান জনাইছে। প্ৰশাসনে পৰিস্থিতিৰ ওপৰত নিৰন্তৰ নজৰ ৰাখিছে আৰু যিকোনো জৰুৰী পৰিস্থিতিত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিছে।

## অসমৰ বান পৰিস্থিতিৰ বুজ ল'বলৈ

লৈ ৰাজ্য চৰকাৰ তীব্ৰ উদ্বিগ্ন হৈ পৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰেও গুৰুত্ব সহকাৰে পৰিস্থিতি নিৰীক্ষণ কৰি আছে। এই প্ৰেক্ষাপটতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বৃহস্পতিবাৰে টেলিফোনযোগে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে বাৰ্তালাপ কৰি ৰাজ্যখনৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ সম্পূৰ্ণ বুজ লয়। মুখ্যমন্ত্ৰীয়ে নিজৰ সামাজিক মাধ্যমযোগে এই সন্দৰ্ভত তথ্য প্ৰকাশ কৰি জনায় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে অসমত উদ্ভৱ হোৱা অভূতপূৰ্ব বানৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। লগতে তেওঁ অসমত হোৱা ব্যাপক ক্ষয়-ক্ষতিৰ বিস্তাৰিত মূল্যায়ন আৰু পুনৰ্বাসন, পুনৰ্নিৰ্মাণৰ বাবে প্ৰয়োজনীয় সহায় সম্পৰ্কে আলোচনা কৰিবলৈ শীঘ্ৰেই এখন কেন্দ্ৰীয় মন্ত্ৰালয়ৰ প্ৰতিনিধি দল অসমলৈ প্ৰেৰণ কৰাৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত প্ৰকাশ কৰা পোষ্টটোত লিখিছে — "কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে টেলিফোনযোগে অসমৰ বান পৰিস্থিতিৰ বুজ লৈছে। অসমত উদ্ভৱ হোৱা অভূতপূৰ্ব বান পৰিস্থিতিৰ প্ৰেক্ষাপটত তেওঁ জনাইছে যে ৰাজ্যত হোৱা ক্ষয়-ক্ষতিৰ বিস্তৃত মূল্যায়ন কৰিবলৈ আৰু পুনৰ্বাসন তথা পুনৰ্নিৰ্মাণ প্ৰক্ৰিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় সহায় সম্পৰ্কে পৰ্যালোচনা কৰাৰ উদ্দেশ্যে শীঘ্ৰে এক কেন্দ্ৰীয় মন্ত্ৰালয়ৰ প্ৰতিনিধি দল অসমত আহি উপস্থিত হ'ব।" তেওঁ লগতে উল্লেখ কৰে যে ডাৱৰ বিস্ফোৰণৰ ফলত উজনি অসমত সংঘটিত হোৱা আকস্মিক বানে বহু লোকৰ জীৱন আৰু জীৱিকাত গভীৰ প্ৰভাৱ পেলাইছে। এই দুৰ্যোগপূৰ্ণ সময়ত অসমৰ জনসাধাৰণৰ কাষত দৃঢ়ভাৱে থিয় দিয়াৰ বাবে গৃহমন্ত্ৰী অমিত শ্বাহলৈ তেওঁ কৃতজ্ঞতা জ্ঞাপন কৰে।" ইফালে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ এই উদ্যোগক স্বাগতম জনাইছে ৰাজ্যৰ ৰাজনৈতিক মহলৰ বহু অংশই। বিৰোধী দলসমূহে অৱশ্যে প্ৰতিনিধি দল অহালৈকে অপেক্ষা নকৰি তৎক্ষণাত কেন্দ্ৰীয় সহায় প্ৰেৰণ কৰিবলৈ দাবী জনাইছে। অসমৰ ৰাইজে এই সংকটময় সময়ত চৰকাৰী প্ৰতিশ্ৰুতি বাস্তৱত পৰিণত হয় নে নহয়, তাৰ প্ৰতি দৃষ্টি ৰাখিছে। ইতিমধ্যে মুখ্যমন্ত্ৰীয়ে গৃহমন্ত্ৰীৰ লগত হোৱা টেলিফোন বাৰ্তালাপৰ তথ্য সৰ্বজনীন কৰি ৰাইজক কিছু আশ্বাস দিছে যদিও বানৰ প্ৰকৃত ক্ষয়-ক্ষতি আৰু উদ্ধাৰ কাৰ্য্যৰ সম্পূৰ্ণ চিত্ৰ প্ৰকাশ পোৱাটো সময়সাপেক্ষ বুলি প্ৰশাসনীয় সূত্ৰই জানিবলৈ দিয়ে।

## দিল্লীৰ ১৭টা মেট্ৰ' ষ্টেচন

হাউচ আৰু কেন্দ্ৰীয় সচিবালয়ৰ সমীপৰ মেট্ৰ' ষ্টেচনসমূহ এই নিৰ্দেশনাৰ পৰা বাদ দিয়া হৈছে। সেই তিনিটা ষ্টেচনত স্বাভাৱিক দিনৰ দৰে মেট্ৰ' সেৱা অব্যাহত থাকিব। উল্লেখযোগ্য যে সুৰক্ষা আৰু নিৰাপত্তাজনিত কাৰণতে এই সিদ্ধান্ত লোৱা বুলি জানিবলৈ দিয়া হৈছে। যাত্ৰীসকলক আগতীয়াকৈ সতৰ্ক কৰি দিল্লী মেট্ৰ'ই আন ষ্টেচন বা পৰিবহণৰ বিকল্প ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰিছে। বিশেষকৈ ৰাজীৱ চ'ক আৰু কেন্দ্ৰীয় সচিবালয় অঞ্চলসমূহ অতি গুৰুত্বপূৰ্ণ হোৱাৰ বাবে সেইবোৰক বাদ দি আন ষ্টেচনসমূহ বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। দিল্লী মেট্ৰ'ৰ সূত্ৰই জানিবলৈ দিছে যে বন্ধ থকা ষ্টেচনসমূহত যাতায়াত নিয়ন্ত্ৰণ, জনসমাগম আদিৰ বিষয়বোৰ পুনৰ নিৰীক্ষণ কৰি তাৰ পাছতহে পৰৱৰ্তী সিদ্ধান্ত লোৱা হ'ব। অৱশ্যে বন্ধ থকা ষ্টেচনসমূহৰ কাষৰীয়া এলেকাসমূহত বসবাস কৰা যাত্ৰীসকলে বিকল্প মেট্ৰ' ষ্টেচন বা বাছ সেৱা ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই ঘোষণাৰ পাছতে দিল্লীৰ বিভিন্ন প্ৰান্তৰ যাত্ৰীসকলৰ মাজত কিছু বিভ্ৰান্তিৰ সৃষ্টি হৈছে যদিও DMRCৰ স্পষ্ট নিৰ্দেশনা আৰু সামাজিক মাধ্যমযোগে কৰা প্ৰচাৰে যাত্ৰীসকলক পৰিস্থিতি বুজাত সহায় কৰিছে। কেইবাটাও ষ্টেচন বন্ধ থকাৰ বাবে যাত্ৰীসকলে নিজৰ যাত্ৰাপথ পুনৰ পৰিকল্পনা কৰিবলৈ বাধ্য হৈছে। লগতে চৰকাৰী কাৰ্যালয় সমূহলৈ যাত্ৰা কৰা চৰকাৰী কৰ্মচাৰীসকলকো এই ব্যৱস্থাৰ প্ৰতি সচেতন থাকিবলৈ পৰামৰ্শ দিয়া হৈছে। শুকুৰবাৰে দিল্লীৰ মেট্ৰ' সেৱা আংশিকভাৱে বিঘ্নিত হোৱাৰ ফলত যাতায়াত ব্যৱস্থাত কিছু প্ৰভাৱ পৰিব বুলি আশা কৰা হৈছে যদিও বিকল্প পৰিবহণ সেৱাসমূহ সাজু ৰখা হৈছে।

**শিক্ষাৰ্থীসকলৰ ব্যক্তিগত সফলতা ৰাইজে উদ্‌যাপন কৰাতোৱে শিক্ষাৰ্থীসকলৰ সমাজৰ প্ৰতি দায়বদ্ধতা বৃদ্ধি কৰে ঃ উৎপল শৰ্মা**

# ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২২ জুলাই ঃ** ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাই আজি ডুমডুমা নগৰ খেলপথাৰত এক বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰে। এই অনুষ্ঠানত ডুমডুমা অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা প্ৰায় ছশ শিক্ষাৰ্থীক ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ অভিনন্দন জ্ঞাপন কৰা হয়। পুৱা ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিৰাজ গোঁহাইয়ে পতাকা উত্তোলন কৰে আৰু আঞ্চলিকৰ সাধাৰণ সম্পাদক সমুজ্জ্বল বড়া সোণোৱালে শ্বহীদ তৰ্পণ কৰে। ইয়াৰ পাছতে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাই সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত আৰু সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক অমৃত পাল সিঙে জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পাছতেই ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিৰাজ গোঁহাইৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অভিনন্দন সভাত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। সভাত ভাষণ দি 'আছু'ৰ সভাপতি উৎপল শৰ্মাই কয় যে "এই অভিনন্দন কাৰ্যসূচীটো 'আছু'ৰ বাৰ্ষিক শৈক্ষিক কাৰ্যসূচীৰ এক অবিচ্ছেদ্য অংগ। সম্প্ৰতি বহতে সামাজিক মাধ্যমত ইয়াৰ গ্ৰহণযোগ্যতাক লৈ কেতবোৰ নতুন কথা উত্থাপন কৰিছে। কিন্তু, আটাইতকৈ ডাঙৰ কথাটো হ'ল অসমৰ শিক্ষাৰ্থীসকলে যথেষ্ট প্ৰত্যাহ্বান মোকাবিলা কৰি সফলতা অৰ্জন কৰে। শিক্ষাৰ্থীসকলৰ ব্যক্তিগত সফলতা ৰাইজে এইদৰে ৰাজহুৱাকৈ উদ্‌যাপন কৰাতোৱে শিক্ষাৰ্থীসকলৰ সমাজৰ প্ৰতি দায়বদ্ধতা বৃদ্ধি কৰে আৰু তেওঁলোকৰ পাছৰ চাম শিক্ষাৰ্থীক আগবাঢ়ি যাবলৈ উদ্বুদ্ধ কৰে।" তেওঁ নতুন শিক্ষানীতি - ২০২০ৰ প্ৰেক্ষাপটত অসমৰ শিক্ষা ব্যৱস্থাত আহিবলগীয়া পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰি শৰ্মাই কয় যে যি সময়ত অসমৰ বাহিৰৰ শিক্ষানুষ্ঠানত কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত শিক্ষাদান কৰি থকা হৈছে, সেই সময়ত অসমত আমি ৬০০ টকাত দুজোৰ উন্নত



মানদণ্ডৰ ইউনিফৰ্ম পাব পাৰি নে নোৱাৰি তাৰ ওপৰত বিতৰ্ক কৰি থাকিব লগা হৈছে। ৰাজ্যিক বাজেটত হিতাধিকাৰীৰ বাবে ছহেজাৰ কোটি টকা ধাৰ্য কৰাৰ বিপৰীতে শিক্ষা, তথ্য প্ৰযুক্তি, বিজ্ঞান, আদি শিতানত তেনেই নগণ্য ধন ধাৰ্য কৰাত শৰ্মাই ক্ষোভ প্ৰকাশ কৰে। তেওঁ শিক্ষাৰ্থীসকলক নিজকে উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনাই কয় যে অসমত স্থাপন হ'বলগীয়া সকলো উদ্যোগ, কাৰ্যালয়, আদিত এশ শতাংশ থলুৱাক নিযুক্তি দিবলৈ 'আছু'এ সদায় দাবী জনাই আহিছে। কিন্তু, তাৰ বাবে আমাৰ যুৱক - যুৱতীসকলৰ প্ৰয়োজনীয় অৰ্হতা থাকিব লাগিব। ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমুজ্জ্বল বড়া সোণোৱালে আঁত ধৰা অভিনন্দন অনুষ্ঠানটিত ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা আৰু বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াইও ভাষণ দিয়ে। আজিৰ অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক মৃগাংক শেখৰ ভৰালী, সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়া, অসম মৰাণ সভাৰ সাধাৰণ সম্পাদক ৰণ্টু ডাঙৰীয়া, ডুমডুমা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্ত, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ প্ৰণৱজ্যোতি ডেকা, পিএমশ্ৰী হুণলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মহম্মদ অলিপ খান, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতীম নেওগ, সাধাৰণ সম্পাদক কনচেং গগৈ, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি নয়নজ্যোতি বৰশইকীয়া, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰ, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি বিনয় ডুবে, ডুমডুমা আৰক্ষী থানাৰ প্ৰভাৰী পৰিদৰ্শক মনুজল গগৈ, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপদেষ্টাদ্বয় ক্ৰমে ৰাজা বালিমৰা আৰু দীপাংকৰ নাথ, অসম উন্নতি সভাৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক বিটু ডেকা, ডুমডুমা আঞ্চলিক সমিতিৰ সম্পাদক উত্তম বৰুৱা, মডাৰ্ণ একাডেমীৰ অধ্যক্ষ প্ৰভাত দেউৰী, ল'টাচ একাডেমীৰ অধ্যক্ষ মানস কুমাৰ দে, ডুমডুমা জ্যেষ্ঠ নাগৰিক সংস্থাৰ সভাপতি গোবিন্দ ফুকন, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, ডুমডুমা প্ৰেছ ক্লাবৰ উপ-সভাপতি অভিজিৎ খাটনিয়াৰ, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সভাপতি ৰাণাজ্যোতি নেওগ, সাধাৰণ সম্পাদক বিপ্লৱ চেতিয়া, ডুমডুমা চেম্বাৰ্ছ অৱ কমাৰ্চৰ সভাপতি কিযাণলাল পাৰীক, বিশিষ্ট সমাজকৰ্মী ৰাজ কুমাৰ ৰায় আৰু দিলীপ প্ৰসাদ প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি তথা সদৌ অসম ছাত্ৰ সন্থাৰ বিভিন্ন স্তৰৰ বিষয়ববীয়া আৰু সদস্যসকলে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ তৰফৰ পৰা সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাক সম্বৰ্ধনা জনোৱা হয়।

# পুৰণিগুদামত অসমীয়া চিৰসেউজ গীতৰ কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, পুৰণিগুদাম, ২২ জুলাই ঃ** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ বাপুজী ভৱন আৰু পুথিভঁৰালত যোৱা পোন্ধৰ জুলাইৰ পৰা অনুষ্ঠিত হোৱা সাতদিনীয়া অসমীয়া চিৰসেউজ গীতৰ কৰ্মশালাখনি যোৱা ২১ জুলাইৰ নিশা সামৰণি পৰে। পুৰণিগুদামৰ বাপুজী ভৱন আৰু পুথিভঁৰালৰ দ্বাৰা পৰিচালিত পুৰণিগুদাম সংগীত বিদ্যালয়ৰ ব্যৱস্থাপনাত আয়োজিত উক্ত কৰ্মশালাখনি পোন্ধৰ জুলাইৰ পুৱা শুভ উদ্বোধন কৰে বাঁহীবাদক দীপক শৰ্মাই। বাপুজী ভৱন আৰু পুথিভঁৰালৰ সম্পাদক দ্বীপেন বৈৰাগীয়ে আঁত ধৰা কৰ্মশালাৰ শুভাৰম্ভণি অনুষ্ঠানত প্ৰশিক্ষক চন্দন বেজবৰুৱা উপস্থিত থাকি প্ৰশিক্ষণ প্ৰদান কৰে। চিৰসেউজ অসমীয়া গীতৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠানৰ সাংস্কৃতিক অনুষ্ঠানটি শুভ উদ্বোধন কৰে বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি পুলিন হাজৰিকাই। লেটিফুল কৰিমে আঁত ধৰা সামৰণি অনুষ্ঠানত স্থানীয় শিল্পী চিন্ময় মহন্তই মাধৱদেৱ বিৰচিত এটি বৰগীত পৰিৱেশন কৰি সাংস্কৃতিক অনুষ্ঠানৰ শুভাৰম্ভ কৰে। খোল পৰিবেশন কৰে চিন্ময় মহন্তৰ সুযোগ্য সন্তান যোগবিন মহন্ত। ইয়াৰ পাছতে ১৫ জুলাইৰ ২১ জুলাইলৈ অনুষ্ঠিত হোৱা চিৰসেউজ অসমীয়া গীতৰ কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে কৰ্মশালাত প্ৰশিক্ষণ লোৱা নিৰ্বাচিত গীতসমূহ পৰিৱেশন কৰি উপস্থিত শ্ৰোতা-দৰ্শকক মন্ত্ৰমুগ্ধ কৰা পৰিলক্ষিত হয়। জীতেন্দ্ৰ বৰা, অৰূপ বৰা, অবিনাশ গোস্বামী আৰু পবিত্ৰ বৰাই বাদ্যযন্ত্ৰ সংগত কৰা অনুষ্ঠানটোত পুৰণিগুদাম সঙ্গীত বিদ্যালয়ৰ ছাত্ৰী ৰোহিত্যাক্ষি শৰ্মা আৰু মনশ্ৰী পৰাশৰে যুটীয়াভাৱে এটি সত্ৰীয়া নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত কৰ্মশলাৰ প্ৰশিক্ষাৰ্থীসকলক বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি পুলিন হাজৰিকা, উপ-সভাপতি প্ৰফুল্ল শইকীয়া, সম্পাদক দ্বীপেন বৈৰাগী, সঙ্গীত বিদ্যালয়ৰ সভাপতি দুৰ্লভ শৰ্মা, লেটিফুল কেৰিম, প্ৰণামী কলিতাই মানপত্ৰ প্ৰদান কৰে।

# নামনি মাজুলী ইতিহাসৰ আজি মুকলি হ'ব প্ৰথমটো তেল ডিপো

**অসম বাৰ্তা, উজনী মাজুলী, ২২ জুলাই ঃ** নামনি মাজুলী ইতিহাসৰ প্ৰথমটো তেল ডিপো কাইলৈ আনুষ্ঠানিক ভাৱে উদ্বোধন কৰা হ'ব। নামনি মাজুলীৰ প্ৰাণকেন্দ্ৰ তথা বাণিজ্য কেন্দ্ৰ বালিচাপৰি তিনিআলিত কাইলৈ দুপৰীয়া এঘাৰ বজাত নায়াৰা কম্পেনীৰ উক্ত তেল ডিপোটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। বৃহত্তৰ নামনি মাজুলীৰ বাবে উক্ত তেল ডিপোটোৱে এক বৃহৎ অভাৱ পূৰণ কৰিব বুলি আজি উৎফুল্ল ৰাইজে জানিবলৈ দিছে। নামনি মাজুলীৰ লগত লখিমপুৰ সংযোগী দলংখন সম্পূৰ্ণ হ'লে উক্ত তেল ডিপোটোৱে বিশেষ গুৰুত্ব লাভ কৰিব। কাইলৈৰ উক্ত তেল ডিপোটোৰ উদ্বোধনী অনুষ্ঠানত স্থানীয় ৰাইজক উপস্থিত থাকিবলৈ তেল ডিপোটোৰ স্বত্বাধিকাৰী গৌতম কলিতাই আহ্বান জনাইছে। উল্লেখযোগ্য যে নামনি মাজুলীত ইয়াৰ পূৰ্বে কোনো তেল ডিপো নথকাত ৰাইজে গড়মূৰ, কমলাবাৰীত তেল ভৰাবলৈ যাব লগীয়া হৈছিল। উক্ত, তেল ডিপোটোৱে নামনি মাজুলী ৰাইজৰ বৃহৎ অভাৱ পূৰণ কৰিব।

# একালৰ ভকতি বিলৰ বিষয়া ভূৰাম দাসৰ দেহাৱসান; উজনী মাজুলীত শোকৰ ছাঁ

**অসম বাৰ্তা, উজনী মাজুলী, ২২ জুলাই ঃ** উজনী মাজুলীৰ ৰাঙলীবাহৰ গাঁও নিৱাসী তথা একালৰ ভকতিবিলৰ বিষয়া ভূৰাম দাসৰ আজি নিজা বাসগৃহত বিয়লি বেলা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৬৫ বছৰ। উল্লেখ্য যে, বিগত কিছু দিনৰ পৰা তেওঁ স্বাস্থ্যজনিত সমস্যাত ভুগি চিকিৎসাধীন হৈ আছিল। অঞ্চলটোৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক কাৰ্যসূচীৰ সৈতে সক্ৰিয়ভাৱে জড়িত থকা স্বৰ্গীয় দাসৰ আকস্মিক মৃত্যুত সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পৰিছে। সমাজপ্ৰাণ ব্যক্তিগৰাকীৰ বিয়োগত ৰাঙলীবাহৰ যুৱক সংঘ, ৰাঙলি বাহৰ গাঁও উন্নয়ন সমিতি, ভকতি দুৱাৰ জ্যোতি ৰংঘৰ, ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, 'সৃষ্টি এক সমন্বয়ৰ যাত্ৰা মাজুলী অসম', মাজুলী জিলা অনুসূচিত জাতি ছাত্ৰ সংস্থা, সদৌ মাজুলী জিলা ছাত্ৰ সংস্থা, অনুসূচিত জাতি উন্নয়ন পৰিষদ, অনুসূচিত জাতিৰ বিভিন্ন দল-সংগঠন, এলেঙি নৰসিংহ সত্ৰৰ সত্ৰাধিকাৰ, অভয়পুৰ গাঁও নৰসিংহ সত্ৰ গাঁও উন্নয়ন সমিতি, বিষ্ণুজ্যোতি সংগীত একাডেমী, মাজুলী জিলা আপকুকে ধৰি অঞ্চলটোৰ অসংখ্য দল-সংগঠন আৰু ব্যক্তিবিশেষে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত প্ৰয়াত দাসে পত্নী, তিনিজন পুত্ৰ, তিনিগৰাকী বোৱাৰী, এগৰাকী বিবাহিত জীয়ৰী, জোৱাঁই, নাতি-নাতিনী, জ্যেষ্ঠ ভাতৃ, কনিষ্ঠ ভাতৃ, ভতিজা-ভতিজীসহ এক বৃহৎ পৰিয়াল আৰু আত্মীয় - স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# ডিমাকুছিৰ পানেৰীত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ২৩ সংখ্যক অষ্ট শ্বহীদ দিৱসৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২২ জুলাই ঃ** ২০০৩ চনৰ ২৫ জুলাইত বৰ্তমান ওদালগুৰি জিলাৰ পানেৰী চাহ বাগিছাৰ কচুবিলত আদিবাসী ছাত্ৰ সন্থাই জনজাতিকৰণক লৈ আহ্বান জনোৱা অসম বন্ধৰ সময়ত প্ৰতিবাদকাৰীৰ ওপৰত জঁপিয়াই পৰিছিল অসম আৰক্ষী আৰু একাংশ দুস্কৃতিকাৰী। যাৰ পৰিণতিত পানেৰী চাহ বাগিছাৰ আঠজনকৈ নিৰীহ আদিবাসী লোকে প্ৰাণ হেৰুওৱাৰ বিপৰীতে বহুকেইগৰাকী ব্যক্তি আহত হৈ আজিও পংগু হৈ মৃত্যুৰ সৈতে যুঁজ দি থাকিবলগীয়া হৈছে। গুলীচালনাৰ এই ঘটনাত পুলিচৰ গুলীত প্ৰাণ দিছিল পানেৰীৰ অৰুণ তাঁতী, নাথানিয়েল নাগ, জিতেন তাঁতী, ডাঙ্গুহাছা পূৰ্তি, চানিক চাঁৰাছী, যোছেফ বালা, মাংবা গোৱালা আৰু বাসুদেৱ খেৰুৱা নামৰ লোককেইজনে। তেওঁলোকৰ অকাল মৃত্যুৰ পিছতে আটাইকেইগৰাকীকে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই শ্বহীদ ঘোষণা কৰে। এই জঘন্য ঘটনাই ইতিমধ্যে কুৰি বছৰ অতিক্ৰম কৰিলে। প্ৰতি বছৰে ২৫ জুলাই দিনটোতে অষ্ট শহীদক সুঁৱৰি পানেৰীত আছাই উদ্যাপন কৰে অষ্ট শ্বহীদ দিবস। বিগত বছৰবোৰৰ দৰে এই বেলিও পানেৰী চাহ বাগিচাত অৱস্থিত জগন্নাথ ভৱনত ২৩ সংখ্যক আদিবাসী জাতীয় অষ্ট শ্বহীদ দিৱস উদ্‌যাপন কৰিব সদৌ অসম আদিবাসী ছাত্ৰ ওদালগুৰি জিলা সমিতি, আদিবাসী জনিশক্তি সংগতিৰ সৌজন্যত আৰু পানেৰী আঞ্চলিক সমিতিৰ সহযোগত অষ্ট শ্বহীদ দিৱস উদ্‌যাপন কৰিব। কাৰ্যসূচী অনুসৰি ২৫ জুলাই শনিবাৰে ৰাতিপুৱা ৮ বজাত অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন কৰিব অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক বুলন মালীয়ে, ৮.১০ বজাত ওদালগুৰি জিলা সমিতি আছাৰ পতাকা উত্তোলন কৰিব জিলা সমিতিৰ সভাপতি বাবুল পাইকে, ৮.২০ বজাত আদিবাসী জানি শক্তি সংগতিৰ পতাকা উত্তোলন কৰিব জিলা সমিতিৰ কাৰ্যকৰী সভানেত্ৰী ভাৰতী ৰৌতিয়াই, ৮.৩০ বজাত আছাৰ পানেৰী আঞ্চলিক সমিতিৰ পতাকা উত্তোলন কৰিব বৰুন নাগে, ৮.৪০ বজাত ক'লা পতাকা উত্তোলন কৰিব ওদালগুৰি জিলা সমিতিৰ প্ৰাক্তন সভাপতি আকিলা পুৰ্তীয়ে, ৮.৫০ বজাত অষ্ট শ্বহীদক স্মৰণ কৰি শ্বহীদ তৰ্পণ, ৯.২৫ বজাত বৃক্ষৰোপণ, ১১ বজাত অষ্ট শ্বহীদৰ সমাধিস্থলীলৈ বিশাল শোভাযাত্ৰা আৰম্ভ শোভাযাত্ৰা উদ্বোধন কৰিব পাঁচনৈ পৰিষদীয় সমষ্টিৰ পাৰিষদ শ্যাম চুণ্ডিয়ে, আবেলি ২ বজাত অভ্যৰ্থনা সমিতিৰ সভাপতি বাবুল পাইকৰ সভাপতিত্বত স্মৃতিচৰণ সভা অনুষ্ঠিত কৰিব। শ্বহীদ দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব আছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰেজন হ'ৰ, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব আছাৰ অবিভক্ত দৰং জিলা সমিতিৰ প্ৰাক্তন সভাপতি শান্তিয়াছ কুজুৰ। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী চৰণ বড়ো, বিটিচিৰ উপ মুখ্য কাৰ্যবাহী সদস্য ৰিহন দৈমাৰী, টংলা বিধানসভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা, ভেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক মহেশ্বৰ বড়ো, খালিংদুৱাৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ অৰ্জুন দৈমাৰী, ননৈ চেৰফাং পৰিষদীয় সমষ্টিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য সঞ্জিত তাঁতী, প্ৰাক্তন এমচিএলএ সুৰেশ তাঁতী, প্ৰাক্তন পাৰিষদ অৰ্পনা মেধি, আদিবাসী জাতীয় নায়ক তথা আছাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সভাপতি প্ৰয়াত প্ৰদীপ নাগৰ সহধৰ্মিনী প্ৰীতিৰেখা বাৰ্লা, কেন্দ্ৰীয় সমিতিৰ অন্যতম সম্পাদক ৰবিৰাম বাৰ্ট, কেন্দ্ৰীয় সমিতিৰ শিক্ষা সম্পাদক প্ৰতাপ সিং গোঁড়, ভেৰগাঁও পৰিষদীয় সমষ্টিৰ টিএলচিচিৰ অধ্যক্ষ বিক্ৰম দৈমাৰী, বিশিষ্ট সমাজকৰ্মী জৌশ্ৰাং বড়ো, ধ্ৰুৱজ্যোতি বড়ো, মঙ্গলদৈ শাখা এচিএমএছৰ সভাপতি ৰতন কুৰ্মী ধৰি ওদালগুৰি জিলাৰ বিভিন্ন দল-সংগঠনৰ সভাপতি/সম্পাদক প্ৰমুখ্যে আছাৰ আঞ্চলিক সমিতিৰ সভাপতি/সম্পাদক প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। সেয়েহে আছাৰ অষ্ট শ্বহীদ দিৱসৰ দিনটোত সকলো ৰাইজৰ সহায় সহযোগিতা তথা উপস্থিতি কামনা কৰিছে উদযাপন সমিতিৰ সভাপতি বাবুল পাইক সম্পাদক বুলন মালীয়ে।

# এন এফ ৰেলৱে অ'বিচি কৰ্মচাৰী সন্থাৰ সৰ্বোচ্চ সন্মানঃ তিনিচুকীয়া ডিভিজনলৈ 'শ্ৰেষ্ঠ ডিভিজন'ৰ খিতাপ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, অসম বাৰ্তা, ২২ জুলাই ঃ** উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অন্তৰ্গত তিনিচুকীয়া ডিভিজনে লাভ কৰিছে এক উল্লেখযোগ্য সাফল্য। গুৱাহাটীৰ মালিগাঁৱৰ 'ৰং ভৱন'ত শেহতীয়াকৈ অনুষ্ঠিত উত্তৰ-পূব সীমান্ত ৰে'লৱে অ'বিচি কৰ্মচাৰী সন্থাৰ ১৩ সংখ্যক দ্বিবাৰ্ষিক কেন্দ্ৰীয় সাধাৰণ সভাত তিনিচুকীয়া ডিভিজনে সমগ্ৰ এন এফ ৰে'লৱেৰ ভিতৰত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰি দুটা সৰ্বোচ্চ সন্মান আজুৰি আনিবলৈ সক্ষম হয়। ডিভিজনটোৱে 'শ্ৰেষ্ঠ ডিভিজনেল বঁটা ২০২৪-২০২৬' আৰু 'শ্ৰেষ্ঠ ডিভিজনেল সভাপতি বঁটা ২০২৪-২০২৬' লাভ কৰি সমগ্ৰ ডিভিজনৰ বাবে গৌৰৱ কঢ়িয়াই আনে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰধান মুখ্য যান্ত্ৰিক অভিযন্তা উত্তম প্ৰকাশ আৰু মুখ্য ৰ'লিং ষ্টক অভিযন্তা তথা অ'বিচি লিয়াজঁ বিষয়া ভৱেন নাথে বিজয়ীসকলৰ হাতত এই সন্মান প্ৰদান কৰে। তিনিচুকীয়া ডিভিজন ৰে'লৱে অ'বি চি কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক গণেশ গগৈয়ে কয় যে, এই সাফল্য কেৱল এজন বা দুজন ব্যক্তিৰ নহয়; সমগ্ৰ ডিভিজনৰ অ'বিচি কৰ্মচাৰী, বিষয়ববীয়া আৰু শুভাকাংক্ষীসকলৰ ঐক্য, নিষ্ঠা আৰু একাগ্ৰ পৰিশ্ৰমৰ ফল। তেওঁ এই ঐতিহাসিক সাফল্যৰ বাবে সন্থাৰ সকলো সদস্য আৰু শুভাকাংক্ষীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আগন্তুক দিনতো একতা আৰু সহযোগিতাৰ মনোভাৱ অটুট ৰাখি সন্থাক অধিক শক্তিশালী কৰাৰ আশা ব্যক্ত কৰে।

# কৃত্ৰিম বানত বুৰ গ'ল দেৰগাঁও

**অসম বাৰ্তা, দেৰগাঁও, ২২ জুলাই ঃ** দেৰগাঁৱত পূৰ্বতকৈ ভয়াৱহ ৰূপত হোৱা কৃত্ৰিম বানত ৰাইজৰ চৰম দুৰ্গতি হৈছে। ৰাতিৰ পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত দেৰগাঁও নগৰৰ প্ৰায়বোৰ পথ পানীয়ে বুৰাই পেলাই ছে। সাগৰসদৃশ পৰিৱেশৰ মাজত আজি দিনটো সম্পূৰ্ণৰূপে জনজীৱন স্তব্ধ হৈ পৰে। বিশেষকৈ, পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথৰ পৰা আৰক্ষী থানাৰ সন্মুখেৰে যোৱা পথটোৰ দেৰগাঁও নাৰিকলগুৰি অংশত হোৱা কৃত্ৰিম বানে ৰাইজৰ স্বাভাৱিক জীৱনযাত্ৰা সম্পূৰ্ণৰূপে ব্যাহত কৰি তোলে। এই পথছোৱাত পথৰ মাজভাগত একঁকাল পানী। পথৰ পানী নলাৰে ওলাই যাব নোৱৰাত পদপথৰ ওপৰেৰে পানী বৈ গৈছে। এই এলেকাৰ লগতে দেৰগাঁও পৌৰসভাৰ অন্তৰ্গত কৃত্ৰিম বানত আক্ৰান্ত কেইবাটাও এলেকাৰ আৱাসীসকলৰ দুৰ্দশাৰ সীমা নাইকিয়া হৈছে। দহটা ৱাৰ্ডেৰে গঠিত দেৰগাঁও পৌৰসভাৰ অধীনৰ ৫টা ৱাৰ্ডতে কৃত্ৰিম বানে ৰাইজক জলা-কলা খুৱাই আহিছে। এইবাৰ কৃত্ৰিম বানৰ প্ৰকোপ যথেষ্ট বৃদ্ধি পাইছে। দেখাত পথবোৰ নিৰ্মাণ কৰা হ'ল ঠিকেই কিন্তু পথৰ কাষৰ পকী নলাসমূহৰ আসোঁৱাহ দূৰ নহ'ল। ঠাইবিশেষে পথতকৈ নলাসমূহহে ওখকৈ নিৰ্মাণ হ'ল। যাৰবাবে পথৰ পানী নলাত পৰাৰ পৰিৱৰ্তে নলাৰ পানীহে পথলৈ বাগৰি আহে। অপৰিকল্পিত আৰু অবিজ্ঞানসন্মত নলাবোৰৰ বাবেই দেৰগাঁৱত কৃত্ৰিম বানে লৈছে ভয়াৱহ ৰূপ। ইপিনে, নগৰখনত জধে-মধে গৃহ নিৰ্মাণৰ ফলত পূৰ্বৰে পৰা থকা পানী যোৱা পথসমূহ বন্ধ হৈ পৰিছে। এনে কাৰণত পথাৰৰ পানী ওলাই যাব নোৱাৰি নগৰখনত কৃত্ৰিম বানৰ সৃষ্টি কৰিছে। তাৎপৰ্যপূৰ্ণ কথা যে দেৰগাঁৱৰ মাজেৰে যোৱা ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথটো চাৰিলেনযুক্ত কৰি নতুনকৈ নিৰ্মাণ কৰা হ'ল যদিও এই পথৰ দেৰগাঁও অংশটো এজাক বৰষুণতে পানীৰে উপচি পৰে। বিশেষকৈ ছাৰ্ভিচ ৰ'ডসমূহ বৰষুণ দিলেই পানী ভৰ্তি হৈ যাতায়াতৰ অনুপযোগী হৈ পৰে। শেহতীয়াকৈ দেখা গৈছে ডাঙৰ বৰষুণ দিলে মূল পথটোত পানীৰ প্ৰকোপত যাতায়াত বিপদসংকুল হৈ পৰে। ৰাষ্ট্ৰীয় পথৰ কাষৰ কোটিটকীয়া নলাসমূহো ব্যাপক আসোঁৱাহযুক্ত। এই বিষয়ত দেৰগাঁৱৰ ৰাইজে বহুবাৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগতে নিৰ্মাণকাৰী সংস্থাক অভিযোগ দিছিল আৰু বিষয়টোক লৈ বহুবাৰ বাতৰি পৰিৱেশিত হৈছিল যদিও কৰ্তৃপক্ষই কোনো গুৰুত্ব দিয়া দেখা নগ'ল। শেহতীয়া কৃত্ৰিম বানৰ ভয়াৱহ ৰূপত হাৰাশাস্তিৰ সন্মুখীন হোৱা ৰাইজে এই পৰিস্থিতিৰ বাবে মূলতঃ দেৰগাঁও পৌৰসভাক জগৰীয়া কৰিছে। কোনো সুচিন্তিত আঁচনি নথকাকৈ নিৰ্মাণ কৰা নলা-নৰ্দমাৰ তদাৰক নকৰা আৰু সময়মতে নলা-নৰ্দমা চাফ-চিকুণ নকৰা পৌৰসভাই কৰ সংগ্ৰহৰ নামত জনসাধাৰণক হাৰাশাস্তিৰ সন্মুখীন কৰি অহা বুলি ক্ষোভ ব্যক্ত কৰিছে ৰাইজে। উল্লেখযোগ্য যে শেহতীয়াকৈ পৌৰসভাইসৰু চহৰখনত মূল বিষয়ৰ ওপৰত গুৰুত্ব নিদি বাইক, গাড়ী আদিৰ পাৰ্কিং মাচুল সংগ্ৰহ কৰাকলৈও ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# ফুলনি ৰংগমঞ্চত সন্মিলিত গণশক্তি অসমৰ "শাখা সমাৰোহ" সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ২২ জুলাই ঃ** সন্মিলিত গণশক্তি অসমৰ ফুলনি শাখা শক্তিৰ উদ্যোগত আৰু চন্দ্ৰ গায়নৰ সভাপতিত্বত আজি ফুলনি ৰংগমঞ্চত সফলভাৱে অনুষ্ঠিত হৈ যায় "শাখা সমাৰোহ"। অনুষ্ঠানটিৰ আঁত ধৰে শাখাৰ সম্পাদক লোকনাথ নৰহে। সভাত আদৰণি বক্তব্য প্ৰদান কৰে মাজুলী জিলা গণশক্তিৰ কাৰ্যকৰী সভাপতি প্ৰেমধৰ দলেয়ে। সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকি ৩১ নং ফুলনি জকাইবোৱা সমষ্টিৰ সাধাৰণ সদস্য ত্ৰৈলোক্য পামেগামে সন্মিলিত গণশক্তি অসম দলৰ মূল কৰ্মসূচী, সংকল্প পত্ৰ আৰু যোৱা পাঁচটা বছৰত মিচিং স্বায়ত্তশাসিত পৰিষদৰ দ্বাৰা ৰূপায়িত বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিশদ ব্যাখ্যা দাঙি ধৰে। এই শাখা সমাৰোহত উজনি মাজুলী খণ্ড শক্তিৰ সভাপতি চাপল দলে, সম্পাদক দিলীপ বৰা, ৰাকেশ পাতিৰৰ লগতে টিএমপিকে কেন্দ্ৰীয় সদস্য উত্তম নৰহ আৰু মনোৰঞ্জন নৰহ উপস্থিত থাকে। ইয়াৰ উপৰিও এমএমকে মাজুলী জিলা সমিতিৰ সদস্য ৰমেন মিলি, খগেশ্বৰ মিলি, প্ৰকাশ মিলি, সত্যজিত মিলি, দিপজোতি মিলি, জয় পাদুন, ফুলনি পঞ্চায়তৰ সভানেত্ৰী ববিতা নৰহ আৰু দলৰ জ্যেষ্ঠ কৰ্মী গকুল নৰহ উপস্থিত আছিল। অনুষ্ঠানত স্থানীয় ৱাৰ্ড সদস্য মোহন পায়েং, অনিমা মিলি, অৰুণ বৰা, যাঠি কুমাৰী নৰহ, নৱনীতা নৰহকে প্ৰমুখ্য কৰি টিএমপিকে, এমএমকে আৰু টিএমএমকেৰ বহুসংখ্যক সতীৰ্থ-কৰ্মী উপস্থিত থাকে।

# বিহালীৰ বৰগাঙত চোৰৰ উপদ্ৰৱ; পাৰ্কিং কৰি থোৱা ট্ৰাকৰ পৰা বেটেৰীসহ প্ৰায় ২০০ লিটাৰ ডিজেল চুৰি

**অসম বাৰ্তা, জিনজিয়া, ২২ জুলাই ঃ** সম্প্ৰতি বিহালী আৰক্ষী থানা অন্তৰ্গত বৰগাং অঞ্চলত দিনক দিনে চোৰাং চক্ৰৰ দৌৰাত্ম্য বৃদ্ধি পাইছে। শেহতীয়াকৈ বৰগাঙত এক চাঞ্চল্যকৰ চুৰিৰ ঘটনা পোহৰলৈ আহিছে, যিটোৱে স্থানীয় বাহন চালক আৰু গৰাকীসকলৰ মাজত তীব্ৰ আতংক আৰু উদ্বেগৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বৰগাঙত নিশা নিয়মীয়াভাৱেই পাৰ্কিং কৰি থোৱা হৈছিল AS-01-JC-7921 নম্বৰৰ এখন এল পি ট্ৰাক। নিশাৰ সুযোগ লৈ চোৰৰ দলে বাহনখনক টাৰ্গেট কৰি এই দুৰ্ভাগ্যজনক কাৰ্য সংঘটিত কৰে। জানিব পৰামতে, নিশাৰ অন্ধকাৰৰ সুযোগ গ্ৰহণ কৰি দুষ্কৃতিকাৰীয়ে ট্ৰাকখনৰ গুৰুত্বপূৰ্ণ অংশ ভাঙি চিঙি বাহনখনৰ মূল বেটেৰী আৰু টেংকীৰ পৰা প্ৰায় ২০০ লিটাৰ ডিজেল সম্পূৰ্ণৰূপে চুৰি কৰি লৈ যায়। পুৱতি নিশা বাহন চালক গৰাকীয়ে ট্ৰাকখনৰ ওচৰলৈ আহি এই চুৰি কাৰ্য সংঘটিত তথ্য লাভ কৰে। উল্লেখ্য যে, যদিও ঘটনাটো প্ৰথম দৃষ্টিত কেৱল এটা সাধাৰণ চুৰি ঘটনা যেন লাগিলেও, বাস্তৱত এনে অপৰাধক কোনো মতেই উলাই কৰিব নোৱাৰি বুলি স্থানীয় সচেতন ৰাইজে মত প্ৰকাশ কৰিছে। বিগত কিছুদিন ধৰি অঞ্চলটোত সৰু-বৰ চুৰি কাৰ্য বৃদ্ধি পোৱাৰ বাবে সাধাৰণ মানুহৰ সম্পত্তিৰ সুৰক্ষাৰ প্ৰতি প্ৰশ্নচিহ্ন উত্থাপিত হৈছে। তেনে দুষ্কৃতিকাৰীয়ে যদি পোহৰৰ মাজতে বা ৰাজপথৰ কাষত থিয় কৰি থোৱা বাণিজ্যিক বাহনক লক্ষ্য কৰি লয়, তেন্তে ই ভৱিষ্যতে আৰু ডাঙৰ বিপদ মাতি আনিব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে ভুক্তভোগীয়ে। প্ৰাপ্ত তথ্যমতে, এই সমগ্ৰ ঘটনা সন্দৰ্ভত ট্ৰাকখনৰ গৰাকীয়ে বৰগাং আৰক্ষী চকীত এখনি এজাহাৰ দাখিল কৰিছে। এজাহাৰৰ ভিত্তিত বৰগাং আৰক্ষীয়ে ঘটনাটোৰ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

# খেল্লী-খাতাৰটাৰি মৰা বেঁকী নৈৰ ওপৰত দলং নিৰ্মাণৰ দাবীত ৰাইজৰ প্ৰতিবাদ

**অসম বাৰ্তা, কুমুল্লী পৰা, ২২ জুলাই ঃ** বৰপেটা জিলাৰ কলগাছিয়া অঞ্চলৰ খেল্লী-খাতাৰটাৰি মৰা বেঁকী নৈৰ ওপৰত স্থায়ী দলং নিৰ্মাণৰ দাবীত স্থানীয় ৰাইজে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বহু বছৰ ধৰি দলংৰ অভাৱত অঞ্চলটোৰ হাজাৰ হাজাৰ লোকৰ লগতে বিদ্যালয়-কলেজলৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীসকলেও চূড়ান্ত দুৰ্ভোগৰ সন্মুখীন হৈ আহিছে। স্থানীয় লোকসকলে অভিযোগ কৰা মতে, এতিয়াও নৈখন পাৰ হ'বলৈ একমাত্ৰ ভৰসা হৈছে তুলুঙা নাৱ। জীৱনৰ আশংকা কঢ়িয়াই প্ৰতিদিনে ছাত্ৰ-ছাত্ৰী, চাকৰিয়াল, কৃষক, ব্যৱসায়ী আৰু সাধাৰণ যাত্ৰীসকলে এই বিপদসংকুল নাৱেৰে যাতায়ত কৰিবলৈ বাধ্য হৈছে। বিশেষকৈ বৰষুণৰ বতৰত নৈখনৰ জলস্তৰ বৃদ্ধি পালে এই যাত্ৰা অধিক বিপজ্জনক হৈ পৰে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা ৰাইজে কয় যে, দীৰ্ঘদিন ধৰি চৰকাৰ আৰু সংশ্লিষ্ট বিভাগৰ ওচৰত দলং নিৰ্মাণৰ দাবী উত্থাপন কৰি অহাৰ পিছতো আজিলৈ কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। ফলস্বৰূপে বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণে যাতায়ত, শিক্ষা, স্বাস্থ্যসেৱা আৰু দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্ৰত নৰকসম যন্ত্ৰণা ভোগ কৰিবলগীয়া হৈছে। ৰাইজে চৰকাৰ, জনপ্ৰতিনিধি আৰু গড়কাপ্তানি বিভাগক শীঘ্ৰে খেল্লী-খাতাৰটাৰি মৰা বেঁকী নৈৰ ওপৰত এখন স্থায়ী আৰু আধুনিক দলং নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ দাবী জনায়। অন্যথা, অহা দিনত অধিক তীব্ৰ গণআন্দোলন গঢ়ি তোলাৰ হুংকাৰো প্ৰতিবাদকাৰীসকলে দিয়ে। স্থানীয় সচেতন মহলৰ মতে, এখন স্থায়ী দলং নিৰ্মাণ হ'লে কেৱল যাতায়তৰ সমস্যাই দূৰ নহয়, বৰঞ্চ সমগ্ৰ অঞ্চলটোৰ শিক্ষা, স্বাস্থ্য, কৃষি, ব্যৱসায়-বাণিজ্য আৰু আৰ্থ-সামাজিক বিকাশত নতুন গতি সঞ্চাৰ হ'ব।

# হেলেমৰ টকৌবাৰীত একেনিশাই তিনিজনী গৰু চুৰি

**অসম বাৰ্তা, গহপুৰ, ২২ জুলাই ঃ** বিশ্বনাথ জিলাৰ হেলেম আৰক্ষী থানাৰ অন্তৰ্গত টকৌবাৰীৰ এটা চুবুৰীৰ পৰা যোৱা নিশা চুৰি হয় তিনিজনীকৈ গৰু। টকৌবাৰী গাঁৱৰ খাটিখোৱা কৃষক নিতুল বৰাৰ এজনী জাৰ্চী গায়, গুনাধৰ বৰাৰ এজনী গাভিনী দেছি গায় আৰু হৰেন বৰাৰ এজনী খীৰতী গাই যোৱা নিশা চুৰি হয় বুলি জানিব পৰা গৈছে। ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ভিতৰত অৱস্থিত গাঁওখনৰ পৰা একেনিশাই গোহালীৰ পৰা তিনিজনীকৈ গৰু চুৰি হোৱা ঘটনাই গো-পালক সকলক আতংকিত কৰি তুলিছে। উল্লেখযোগ্য যে গহপুৰ সমজিলাৰ বিভিন্ন প্ৰান্তত ধাৰাবাহিক ভাৱে সংঘটিত হৈ আহিছে গৰু চুৰিৰ ঘটনা। গোহালীৰ পৰা পঘা খুলি বিনাদ্বিধাই লৈ যায় গো-ধন। এইক্ষেত্ৰত আৰক্ষীয়ে অভিযান চলাই যদিও গৰু চুৰি চক্ৰক উৎখাত কৰাৰ ক্ষেত্ৰত সফল হ'ব পৰা নাই। পূৰ্বতে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ মানুহৰ ঘৰৰ গোহালীৰ পৰা গৰু চুৰি হৈছিল। কিন্তু এতিয়া ভিতৰুৱা ভৰ গাঁৱৰ মাজৰ পৰাও গৰু চুৰি হ'বলৈ লৈছে। এনেদৰে অব্যাহত থকা সঘন গৰু চুৰিৰ ঘটনাই গো পালন কৰি পৰিয়াল পোহপাল দি অহা খাটিখোৱা কৃষক পৰিয়াল সকলক গভীৰ নিৰাপত্তাহীনতাত ভোগোৱা পৰিলক্ষিত হৈছে। গহপুৰ আৰক্ষী থানা আৰু হাৱাজান আৰক্ষী চকীৰ অন্তৰ্গত বিভিন্ন প্ৰান্ততো সঘনাই সংঘটিত হৈ আহিছে গৰু চুৰিৰ ঘটনা।

# পিএমশ্ৰী নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম ২.০ৰ অধীনত উদ্যোগী উন্নয়ন কাৰ্যসূচীৰ শুভাৰম্ভ

**অসম বাৰ্তা, ডবকা, ২৩ জুলাই ঃ** মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০-ৰ অধীনত উদ্যোগী উন্নয়ন কাৰ্যসূচী আজি হোজাই জিলাৰ নীলবাগানস্থিত পিএমশ্ৰী নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শুভাৰম্ভ কৰা হয়। বিভিন্ন খণ্ডত বহনক্ষম উদ্যোগ স্থাপনৰ বাবে আগ্ৰহী উদ্যোগীসকলক উদ্যোগ সম্পৰ্কীয় জ্ঞান প্ৰদান আৰু উৎসাহিত কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী আয়োজন কৰা হৈছে। কাৰ্যসূচীৰ আৰম্ভণিতে বিদ্যালয়খনৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞাই আদৰণি ভাষণ আগবঢ়ায়। জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ (DICC), হোজাইৰ মহাপ্ৰবন্ধক প্ৰাঞ্জল ৰাজ মেধিয়ে CMAAA ২.০-ৰ অধীনত এই কাৰ্যসূচীৰ উদ্দেশ্য, তাৎপৰ্য আৰু বিভিন্ন দিশ সম্পৰ্কে চমু আভাস দাঙি ধৰে। অনুষ্ঠানটি পৰিচালনা কৰে নগাঁও DICCৰ যোগমন ডেকা ৰাজাই। এই অনুষ্ঠানত হোজাই জিলাৰ জিলা আয়ুক্ত শ্ৰী সঞ্জয় দত্ত মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰশিক্ষাৰ্থী সকলক আন্তৰিকতাৰে উক্ত তিনিদিনীয়া প্ৰশিক্ষণ গ্ৰহণ কৰি অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দেৰৰ অসমক আত্মনিৰ্ভৰ কৰাৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ উদ্দেশ্য সফল কৰাৰ আহ্বান জনায়। তেখতে স্থানীয় অৰ্থনীতি শক্তিশালী কৰাৰ ক্ষেত্ৰত উদ্ভাৱন, দক্ষতা বিকাশ আৰু স্ব-নিয়োজনৰ ভূমিকাৰ ওপৰত বিশেষভাৱে আলোকপাত কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সমাজকৰ্মী দিলীপ ধৰ আৰু হোজাই জিলা পৰিষদৰ সভানেত্ৰী জুণ্টি বৰা। অতিথিসকলে তেওঁলোকৰ ভাষণত বহনক্ষম জীৱিকা সৃষ্টিত উদ্যোগীতাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে আৰু মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA) ২.০-ৰ অধীনত উপলব্ধ বিভিন্ন সুযোগ-সুবিধাৰ সদব্যৱহাৰ কৰিবলৈ আগ্ৰহী উদ্যোগীসকলক আহ্বান জনায়। CMAAA ২.০-ৰ বিভিন্ন খণ্ডত পঞ্জীয়নভুক্ত হিতাধিকাৰী সকলক খণ্ড ভিত্তিক পৰামৰ্শ, প্ৰশিক্ষণ আৰু সক্ষমতা বিকাশৰ সহায় আগবঢ়োৱাৰ উদ্দেশ্যে এই উদ্যোগী উন্নয়ন কাৰ্যসূচী পৰ্যায়ক্ৰমে বিভিন্ন ভাগত অনুষ্ঠিত কৰা হ'ব। ইয়াৰ জৰিয়তে তেওঁলোকক লাভজনক আৰু বহনক্ষম উদ্যোগ স্থাপন কৰিবলৈ সক্ষম কৰি তোলাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীত বিভিন্ন খণ্ডৰ আগ্ৰহী উদ্যোগী আৰু সংশ্লিষ্ট অংশীদাৰসকলৰ উৎসাহজনক অংশগ্ৰহণ পৰিলক্ষিত হয়। CMAAA ২.০-ৰ অধীনত আয়োজিত এই উদ্যোগী উন্নয়ন কাৰ্যসূচীৰ জৰিয়তে হোজাই জিলাত স্ব-নিয়োজন, দক্ষতা বিকাশ আৰু বহনক্ষম জীৱিকাৰ সুযোগ সৃষ্টি কৰি উদ্যোগিতাৰ পৰিৱেশ অধিক শক্তিশালী কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে।

# কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত ডুমডুমাত ৰাজপথলৈ ওলাই আহিল ছাত্ৰ-ছাত্ৰী



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৩ জুলাই ঃ** NEET পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ প্ৰতিবাদ, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ, শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন, আদিৰ দাবীত আজি ডুমডুমাত ৰাজপথলৈ ওলাই আহে একাংশ ছাত্ৰ-ছাত্ৰী। ডুমডুমা নগৰৰ মাজমজিয়াত অৱস্থিত মহাত্মা গান্ধীৰ মূৰ্তিৰ সমীপত 'ধৰ্মেন্দ্ৰ প্ৰধান হুছিয়াৰ', 'বিজেপি চৰকাৰ মুৰ্দাবাদ', ইত্যাদি শ্লোগানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি বিজেপি চৰকাৰ তথা কেন্দ্ৰীয় শিক্ষা বিভাগৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰে প্ৰতিবাদকাৰী শিক্ষাৰ্থীসকল। ভাল ধৰণে পৰীক্ষা পাতিব নোৱাৰা চৰকাৰে নতুন দিল্লীত ছাত্ৰ-ছাত্ৰীৰ ওপৰত কৰা আক্ৰমণৰো গৰিহণা দিয়ে প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে। যন্তৰ-মন্তৰত হোৱা প্ৰতিবাদক পূৰ্ণ সমৰ্থন আগবঢ়াই এই প্ৰতিবাদক আগুৱাই নিয়া হ'ব বুলি উপস্থিত ছাত্ৰ-ছাত্ৰীসকলে জানিবলৈ দিয়ে। প্ৰতিবাদকাৰী শিক্ষাৰ্থীসকলে প্ৰতিবাদ কৰিবলৈ প্ৰশাসনৰ পৰা অনুমতি গ্ৰহণ নকৰা বুলি কৈ আৰক্ষীয়ে তেওঁলোকৰ প্ৰতিবাদী কাৰ্যসূচীত বাধা প্ৰদান কৰে। আনহাতে প্ৰতিবাদকাৰী শিক্ষাৰ্থীসকলে জনোৱা মতে তেওঁলোকে স্থানীয় প্ৰশাসনৰ পৰা অনুমতি বিচাৰি আবেদন কৰিছিল যদিও তেওঁলোকে প্ৰশাসনৰ পৰা কোনো সুদুত্তৰ নোপোৱাত অনুমতি অবিহনেই প্ৰতিবাদ সাব্যস্ত কৰিবলৈ ওলাই আহে। তেওঁলোকে লগতে কয় যে এখন গণতান্ত্ৰিক দেশত প্ৰতিবাদ কৰাৰ অধিকাৰ সকলোৰে আছে আৰু দেশৰ সংবিধানে ইয়াৰ নাগৰিকসকলক এই অধিকাৰ প্ৰদান কৰিছে। ইয়াৰ বাবে অনুমতি লোৱাৰ প্ৰয়োজন সাধাৰণতে নাই বুলি কৈ শিক্ষাৰ্থীসকলে ভাৰতবৰ্ষৰ দৰে বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশত প্ৰশাসনৰ অনুমতি লৈহে প্ৰতিবাদ সাব্যস্ত কৰিবলগীয়া হোৱাটো হাস্যকৰ বুলি অভিহিত কৰে। উল্লেখযোগ্য যে আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীটো কোনো সংগঠনৰ নেতৃত্বত হোৱা নাছিল। শিক্ষাৰ্থীসকলে স্বতঃস্ফূৰ্ত ভাৱে এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ ওলাই আহিছিল।

# বানপীড়িতলৈ ভাৰতীয় ৰেডক্ৰছ চ'ছাইটি ডিব্ৰুগড় জিলা শাখাৰ আৰ্থিক সাহায্য

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৩ জুলাই ঃ** ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ মানৱীয় আদৰ্শ আৰু সেৱাৰ চেতনাৰে অনুপ্ৰাণিত হৈ ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ ডিব্ৰুগড় জিলা শাখাই চৰাইদেউ জিলা আৰু উজনি অসমৰ সংলগ্ন অঞ্চলসমূহত সংঘটিত প্ৰলয়ংকাৰী বানপৰিস্থিতিত ক্ষতিগ্ৰস্তলোকৰ সহায়ৰ উদ্দেশ্যে জৰুৰীকালীন এক মানৱীয় পদক্ষেপ গ্ৰহণ কৰে। জিলা শাখাৰ সদস্যসকলৰ স্বতঃস্ফূৰ্ত সঁহাৰি আৰু উদাৰ সহযোগিতাৰ ফলত অতি কম সময়ৰ ভিতৰতে কিছু অৰ্থ সংগ্ৰহ কৰি এই সাহায্য ৰাশি ইতিমধ্যে বানপীড়িতলোকৰ কল্যাণৰ বাবে চৰাইদেউ জিলাৰ ৰেডক্ৰছ চ'ছাটিইটিৰ সম্পাদকৰ লগত আলোচনাৰ মৰ্মে তেওঁলোকৰ চ'ছাইটিৰ বেঙ্ক একাউণ্টলৈ এই সাহায্য প্ৰেৰণ কৰা হৈছে আৰু তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল। এই সন্দৰ্ভত জিলা শাখাৰ সভাপতি ড° পংকজ কুমাৰ শ্ৰুতিকৰে কয় যে, "সাহায্যৰ পৰিমাণ হয়তো বৃহৎ নহ'ব পাৰে, কিন্তু ইয়াৰ মাজত নিহিত হৈ আছে আমাৰ সদস্যসকলৰ গভীৰ মানৱীয় দায়বদ্ধতা, সহমৰ্মিতা আৰু দুৰ্যোগৰ সময়ত অসহায়লোকৰ কাষত থিয় দিয়াৰ আন্তৰিক দায়বদ্ধতা। আমি বিশ্বাস কৰোঁ, এনে এক দূৰ্যোগৰ সময়ত এই অৱদানেও বানপীড়িত পৰিয়ালসমূহক কিছু সঁকাহ দিয়াৰ লগতে নতুন সাহস আৰু আশাৰ সঞ্চাৰ কৰিব। তেওঁ লগতে কয় যে, ভৱিষ্যতেও যিকোনো প্ৰাকৃতিক দুৰ্যোগ বা মানৱীয় সংকটৰ সময়ত ভাৰতীয় ৰেডক্ৰছ চ'ছাইটি, ডিব্ৰুগড় জিলা শাখাই সম্ভৱপৰ সকলো সহায় আগবঢ়াবলৈ সদায় প্ৰতিশ্ৰুতিবদ্ধ। এই মানৱীয় কাৰ্যসূচীত আন্তৰিকতাৰে আৰ্থিক অৱদান আগবঢ়োৱা জিলা শাখাৰ সকলো সদস্য তথা উপ-পৃষ্ঠপোষক সকললৈ চ'ছাইটিৰ সভাপতিয়ে গভীৰ কৃতজ্ঞতা আৰু আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

**অতিক্ৰম কৰিলে বিপদসীমা, শিৱসাগৰ-নাজিৰাত হাহাকাৰ**

# পুনৰ বৃদ্ধি পাইছে দিখৌ নদীৰ জলপৃষ্ঠ

**অসম বাৰ্তা, গেলেকী, ২৩ জুলাই ঃ** যোৱা ১৯ জুলাইৰ পৰা ইতিহাসত প্ৰথমবাৰৰ বাবে অভাৱনীয়ভাৱে বৃদ্ধি পোৱা দিখৌ নদীৰ বাঢ়নী পানীয়ে সমগ্ৰ শিৱসাগৰ জিলাৰ লগতে নাজিৰা সমজিলাত এক জলপ্ৰলয়ৰ সৃষ্টি কৰিছে। কালিৰ পৰা নদীখনৰ জলপৃষ্ঠ কিছু হ্ৰাস পাইছিল যদিও, আজি পুৱতি নিশাৰ পৰা পুনৰ সংহাৰী ৰূপ ধাৰণ কৰি বৃদ্ধি পাবলৈ ধৰিছে দিখৌৰ বাঢ়নী পানী। জলসম্পদ বিভাগৰ চৰকাৰী তথ্য অনুসৰি, বৰ্তমান প্ৰতি ঘণ্টাত ২৭ ৰ পৰা ২৪ ছেণ্টিমিটাৰ পৰ্যন্ত জ্যামিতিক হাৰত বৃদ্ধি পাইছে নদীখনৰ পানী। ইয়াৰ ফলত নদীখন বৰ্তমান বিপদসীমাৰ এক মিটাৰ ওপৰেৰে প্ৰৱাহিত হৈছে, যাৰ বাবে অঞ্চলটোত পুনৰ নতুন নতুন এলাকা প্লাবিত হোৱাৰ তীব্ৰ শংকা ঘনীভূত হৈ পৰিছে। নদীৰ জলপৃষ্ঠৰ এই অভাৱনীয় বৃদ্ধিয়ে সমগ্ৰ জিলাখনতে হাহাকাৰ পৰিৱেশৰ সৃষ্টি কৰিছে। পৰিস্থিতিৰ গম্ভীৰতালৈ লক্ষ্য ৰাখি জিলা প্ৰশাসনে সৰ্বসাধাৰণ ৰাইজক আতংকিত নহৈ সম্পূৰ্ণ সজাগ আৰু সচেতন হৈ থাকিবলৈ আহ্বান জনাইছে। লগতে, জৰুৰী পৰিস্থিতিত প্ৰশাসনৰ সৈতে যোগাযোগ কৰিবলৈ আৰু সুৰক্ষিত স্থানলৈ আঁতৰি যাবলৈ পানীৰ ওপৰত চকু ৰাখিবলৈ উপদেশ দিয়া হৈছে।

# নুমলীগড় শোধনাগাৰৰ কাৰিকৰী সঞ্চালক গিৰীশ কুমাৰ বৰালৈ ৰাষ্ট্ৰীয় সন্মান

**অসম বাৰ্তা, নুমলীগড়, ২৩ জুলাই ঃ** অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ পৰিসমাপ্তিত ৮৫৫জন শ্বহীদৰ জীয়াতেজৰ বিনিময়ত অসম চুক্তিৰ আধাৰত নুমলীগড়ত স্থাপন হ'ল চতুৰ্থ বৃহৎ তেলশোধনাগাৰ। ৩ মিলিয়ন মেট্ৰিক টন উৎপাদনক্ষম এই তৈল্য উদ্যোগ বৰ্তমান ৯ মিলিয়ন টন উৎপাদনক্ষম উদ্যোগলৈ সম্প্ৰসাৰণৰ কাম পূৰ্ণ গতিত চলি থকাৰ সময়তে এজন অসমীয়া সু-সন্তানলৈ আগবঢ়োৱা হৈছে ৰাষ্ট্ৰীয় সন্মান। বৰ্তমান তৈল্য উদ্যোগ টোৰ কাৰিকৰী সঞ্চালকৰ পদত থকা গিৰীশ কুমাৰ বৰালৈ চি এন বি চি TV18 আৰু Zetwerk য়ে আগবঢ়াইছে এই ৰাষ্ট্ৰীয় সন্মান। ভাৰতৰ উৎপাদন খণ্ডক অধিক শক্তিশালী কৰি তোলা আৰু দেশৰ উদ্যোগিক আত্মনিৰ্ভৰশীলতা যাত্ৰাক অধিক ত্বৰান্বিত কৰাত সঞ্চালক জনৰ দুৰদৰ্শী চিন্তা আৰু দক্ষ নেতৃত্বৰে পালন কৰা গুৰুত্বপূৰ্ণ অৱদানৰ স্বীকৃতি স্বৰূপে এই ৰাষ্ট্ৰীয় সন্মান প্ৰদান কৰা হৈছে। যোৱা ২১ জুলাইত নতুন দিল্লীত অনুষ্ঠিত এটি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। এজন অসমীয়া বিষয়াই তেওঁৰ নিষ্ঠা, নেতৃত্ব, আৰু কৰ্মদক্ষতাৰ বাবে লাভ কৰা এই সন্মানে সকলোকে উৎসাহিত তথা উৎফুল্ল কৰি তুলিছে।

# বকোৰ শিংৰাত বেউলা শিল্পী গোষ্ঠীৰ তিনিদিনীয়া পুৰণি অসমীয়া গীতৰ কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, বকো, ২৩ জুলাই ঃ** গ্ৰীষ্মকালীন বন্ধৰ সময়ত অসমৰ বিভিন্ন প্ৰান্তত শিশু তথা শিক্ষাৰ্থীৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে এনে কৰ্মশালা অনুষ্ঠিত কৰা হয়। বিভিন্ন স্থানীয় অনুষ্ঠান, বিদ্যালয় আৰু সামাজিক সংগঠনে গৰমৰ বন্ধৰ সময়ছোৱাত এনে কৰ্মশালাৰ আয়োজন কৰি আহিছে। তেনেদৰে কামৰূপ জিলাৰ বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত শিংৰা-পালাহপাৰা যুৱক সংঘৰ উদ্যোগত বেউলা শিল্পী গোষ্ঠীয়ে ২১ জুলাইৰ পৰা আৰম্ভ কৰা কৰ্মশালাৰ আজি ২৩ জুলাইলৈ তিনিদিনীয়া পুৰণি অসমীয়া গীতৰ কৰ্মশালাখন আজি আনুষ্ঠানিক ভাৱে সফল সামৰণি মাৰেএই কৰ্মশাল। বেউলা শিল্পী গোষ্ঠীৰ (ছয়গাঁও)ৰ সভাপতি দেৱজিৎ দাস, সম্পাদক মামনি ৰাভা, আৰু সংগীত প্ৰশিক্ষক অমিয় কুমাৰ ৰয়, সদস্য জগন্নাথ নাথ, আৰু শিংৰা পালাহপাৰা যুৱক সংঘৰ সভাপতি খৰ্গেশ্বৰ ৰাভা, সম্পাদক খনিন্দ্ৰ নাথ, সাংস্কৃতিক বিভাগৰ উপ সভাপতি ডিজেন্দ্ৰ ৰয়ৰ লগতে সমিতিৰ বিষয়-ববীয়াই জনোৱা অনুসৰি এই তিনিদিনীয়াকৈ আয়োজন কৰা কৰ্মশালাত শিংৰা অঞ্চলৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ৩০জন প্ৰশিক্ষাৰ্থী অংশ গ্ৰহণ কৰিছে।

**বানপীড়িত লোকসকলৰ কাষত থিয় দিবলৈ সমাজৰ সকলো শ্ৰেণীৰ লোকলৈ আহ্বান সত্ৰাধিকাৰৰ**

# উজনি অসমৰ বানপীড়িতৰ কাষত থিয় হ'ব মাজুলীৰ সত্ৰ সমাজ

**অসম বাৰ্তা, ফুলনি, ২৩ জুলাই ঃ** উজনি অসমৰ অৱৰ্ণনীয় বান পৰিস্থিতি সন্দৰ্ভত ঐতিহ্যমণ্ডিত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে পীড়িত সকলৰ এই দুঃখ-দুৰ্দ্দশাৰ সমভাগী হোৱাৰ কথা উল্লেখ কৰে। বানপীড়িত লোকসকলৰ কাষত থিয় দিছে বিভিন্ন সংগঠন আৰু স্বেচ্ছাসেৱী অনুষ্ঠান-প্ৰতিষ্ঠান সেই সময়ত কালিলৈৰ পৰা দুৰ্গত সকলৰ ওচৰলৈ যাব মাজুলীৰ সত্ৰ সমাজ। দুৰ্যোগৰ এই সময়ত উদ্ধাৰ, সাহায্য আৰু আশ্ৰয় শিবিৰৰ ব্যৱস্থাৰ জৰিয়তে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সহায় কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰিব সত্ৰ সমাজে। বানৰ দুৰ্যোগত ক্ষতিগ্ৰস্ত উজনি অসমৰবহু অঞ্চলত এতিয়াও অব্যাহত আছে উদ্ধাৰ আৰু সাহায্য অভিযান। বানপীড়িত লোকসকলৰ দুখ-দুৰ্দশাত সমভাগী হৈ বিভিন্ন সংগঠন আৰু স্বেচ্ছাসেৱকে সামৰ্থ্য অনুসৰি সহায় আগবঢ়াইছে। আনহাতে দুৰ্গত সকলৰ সহায়ৰ বাবে আগবাঢ়ি যোৱাৰ কথা ক'লে সত্ৰাধিকাৰ ড° পীতাম্বৰ দেব গোস্বামীয়ে। সত্ৰাধিকাৰ গৰাকীয়ে মন্তব্য কৰি ক'য় যে, মাজুলীত বান হ'লে সাধাৰণতে সজাগ হৈ থকা হয় যদিও এইবাৰৰ পৰিস্থিতি সম্পূৰ্ণ ব্যতিক্ৰমী। সাজু হোৱাৰ সময় নোপোৱাকৈ মাত্ৰ দুই-তিনিঘণ্টাৰ ভিতৰতে বাঢ়নী পানী দ্ৰুতগতিত সোমাই আহি উজনি অসমৰ বহু অঞ্চলৰ জনজীৱন বিচ্ছিন্ন কৰি তোলে। বানৰ ফলত বহু পৰিয়াল গৃহহীন হোৱাৰ লগতে খেতিপথাৰ, ঘৰ-দুৱাৰ আৰু জীৱিকা ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছে। এনে পৰিস্থিতিত ক্ষয়-ক্ষতি ভাষাৰে প্ৰকাশ কৰাও কঠিন বুলি উল্লেখ কৰে। এই সময়ত সমাজৰ সকলো শ্ৰেণীৰ লোকক বানপীড়িতসকলৰ কাষত থিয় দিবলৈ আহ্বান জনায় সত্ৰাধিকাৰ গৰাকীয়ে। বানপীড়িত লোকসকলৰ পুনৰ সংস্থাপন আৰু স্বাভাৱিক জীৱনলৈ উভতি অহাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা একান্তই প্ৰয়োজন বুলি মত প্ৰকাশ কৰে।

# বৰপেটাৰোডত আৰক্ষীৰ জুৱাবিৰোধী অভিযান; গোৱৰ্দ্ধনা গাঁৱৰ পৰা এজন জুৱাৰীক আটক

**অসম বাৰ্তা, কুমুল্লী পৰা, ২৩ জুলাই ঃ** অপৰাধ আৰু অবৈধ জুৱাৰ বিৰুদ্ধে অব্যাহত থকা আৰক্ষীৰ অভিযানৰ অংশ হিচাপে বৰপেটাৰোড আৰক্ষীয়ে বৃহস্পতিবাৰে গোৱৰ্দ্ধনা গাঁৱত এক বিশেষ অভিযান চলাই অবৈধ তীৰ খেলৰ সৈতে জড়িত থকাৰ অভিযোগত ছাইদুল হক নামৰ এজন লোকক আটক কৰে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, গোপন তথ্যৰ ভিত্তিত চলোৱা এই অভিযানত অভিযুক্তজনৰ কবলৰ পৰা অবৈধ তীৰ খেল পৰিচালনাত ব্যৱহৃত বিভিন্ন সামগ্ৰী জব্দ কৰাৰ লগতে নগদ ৩,০০০ টকাও উদ্ধাৰ কৰা হয়। জব্দ কৰা সামগ্ৰীসমূহ আৰক্ষীয়ে নিজৰ জিম্মাত লৈ আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ঘটনাৰ সন্দৰ্ভত বৰপেটাৰোড আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি অধিক তদন্ত অব্যাহত ৰাখিছে। অবৈধ জুৱা আৰু তীৰ খেলৰ দৰে সমাজবিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে আৰক্ষীৰ এনে অভিযান আগন্তুক দিনতো অব্যাহত থাকিব বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে।

# কচুগাঁৱত লোমহৰ্ষক হত্যাকাণ্ড; মাটি-বাৰী কাজিয়াক লৈ খুড়ীয়েকক হত্যা

**হত্যাৰ সন্দেহত এজনক আটক**

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৩ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ কচুগাঁও থানাৰ অন্তৰ্গত কুমতলা গাঁৱত এটি লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে। মাটি বাৰীৰ কাজিয়াক কেন্দ্ৰ কৰিয়েই ভতিজাই খুড়ীয়েকক হত্যা কৰি পুতি ৰখা বুলি তথ্য পোৱা গৈছে। প্ৰাপ্ত খবৰ মতে কচুগাঁও থানাৰ কুমতলা গাঁৱৰ স্বৰ্গীয় মংগল মূৰ্মুৰ পত্নী সোণা টুডুক (৫০) ভতিজা বজেন মূৰ্মুই ১৬ জুলাইৰ নিশা অকলে ঘৰত থকা সময়তে ডিঙি চেপি হত্যা কৰে। পিছদিনা মহিলা গৰাকীৰ মৃত্যু হোৱা বুলি গাঁৱৰ ৰাইজে জীয়ৰী আৰু জোঁৱাইক অৱগত কৰে। এই খবৰ পাই ১৭ জুলাইৰ পুৱা জীয়ৰী অহাৰ পিছত মহিলা গৰাকী ঘৰত পৰি থকা প্ৰত্যক্ষ কৰা সময়ত মহিলা গৰাকীৰ ডিঙি, মুখ মণ্ডলত আঘাতৰ চিন স্পষ্ট হোৱাৰ লগতে মুখেৰে তেজ ওলোৱা প্ৰত্যক্ষ কৰে। ইপিনে মহিলা গৰাকীৰ আত্মীয় স্বজন অহাৰ পিছত ১৮ জুলাই মহিলা গৰাকীক মাটি দি পুতি ৰাখে। ইয়াৰ পিছতে ২০ জুলাইত হত্যাকাৰী বজেন নিশা হাতত খুকুৰি লৈ সোণা টুডুৰ ঘৰত ঘূৰি থাকে। এই দৃশ্য দেখি কনিষ্ঠ কন্যা মিনু মুৰ্মু আৰু জোঁৱাই কৃষ্ণ হেমব্ৰম দেখি চিন্তিত হৈ পৰে। ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰাত আৰক্ষীয়ে বজেনক আটক কৰি জেৰা কৰাত হত্যাৰ ঘটনাৰ পোহৰলৈ আহে। আৰক্ষী আজি ঘটনাস্থলীত উপস্থিত হৈ তদন্ত অব্যাহত ৰখাৰ লগতে মৃতদেহ গাঁতৰ পৰা ওলাই মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি সম্পন্ন কৰে। উল্লেখ যে খুড়াৰ নামত থকা মাটি বেদখল কৰিবলৈ চলি থকা দীৰ্ঘদিনৰ কাজিয়াৰ মাজতে বজেন মুৰ্মুই মহিলা গৰাকী সহ পৰিয়ালৰ লোকক হত্যাৰ ভাবুকি দিছিল। সেই সূত্ৰেই পৰৱৰ্তী সময়ত অকলশৰীয়া মহিলা গৰাকীক ডিঙি চেপি হত্যাকাণ্ড সংঘটিত কৰাৰ তথ্য পোহৰলৈ আহিছে।

# অনিমেষ শইকীয়ালৈ নীপকোৰ গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ

**অসম বাৰ্তা নুমলীগড়, ২৩ জুলাই ঃ** বোকাখাত সম জিলাৰৰ সন্তান তথা নীপকো (NEEPCO)-ৰ স্বতন্ত্ৰ সঞ্চালক অনিমেষ শইকীয়াক কোম্পানিটোৰ ১০টা আভ্যন্তৰীণ সমিতিৰ স্থায়ী সদস্য হিচাপে মনোনীত কৰা হৈছে। এই সিদ্ধান্ত নীপকোৰ পৰিচালনা পৰিষদৰ বৈঠকত গ্ৰহণ কৰা হয়। বৈঠকত নীপকোৰ অধ্যক্ষ গুৰদীপ সিঙে অনিমেষ শইকীয়াক আন্তৰিকভাৱে আদৰণি জনায়। ইয়াৰ উপৰিও, অনিমেষ শইকীয়াক কোম্পানিটোৰ ৫টা গুৰুত্বপূৰ্ণ সমিতিৰ অধ্যক্ষ হিচাপেও দায়িত্ব অৰ্পণ কৰা হৈছে। এইসমিতিসমূহৰ ভিতৰত কৰ্প'ৰেট সামাজিক দায়বদ্ধতা (CSR) সমিতি অন্যতম। বুধবাৰে তেওঁ নীপকোৰ দুটা অতি গুৰুত্বপূৰ্ণ বৈধ (Statutory) সমিতি- অডিট সমিতি আৰু নামাংকন আৰু পাৰিশ্ৰমিক সমিতি (Nomination & Remuneration Committee)-ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকসমূহত বিত্তীয় তদাৰক, সুশাসন, নিয়ম-নীতি পালন, স্বচ্ছতা, জবাবদিহিতা, মানৱ সম্পদ ব্যৱস্থাপনা আৰু নেতৃত্ব বিকাশৰ বিভিন্ন দিশ বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। এই নিয়োগ আৰু দায়িত্ব অৰ্পণে নীপকোৰ উত্তম কৰ্প'ৰেট শাসন ব্যৱস্থা, স্বচ্ছতা, জবাবদিহিতা আৰু উৎকৰ্ষ সাধনৰ প্ৰতি প্ৰতিশ্ৰুতি অধিক শক্তিশালী কৰাৰ লগতে বোকাখাত সম জিলাবাসীৰ বাবে গৌৰৱৰ বিষয় হিচাপে পৰিগণিত হৈছে।

# কমলপুৰ গাঁও মহিলা সমিতিৰ সৌজন্যত কৃতি ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, মাজুলী, ২৩ জুলাই ঃ** আজি কমলপুৰ গাঁৱৰ নামঘৰত কমলপুৰ গাঁৱৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ মাজুলীলৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰী সকলক গামোচা মানপত্ৰৰে সম্বৰ্ধনা জনায়। ইফালে ২০২২ চনৰে পৰা প্ৰকৃতিবিদ অতুল হাজৰিকাই মাতৃৰ সোঁৱৰণত প্ৰদান কৰি অহা সুমিত্ৰা হাজৰিকা সোঁৱৰণী বঁটা-২০২৬ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯৬.৫শতাংশ নম্বৰ লাভ কৰা দেবাংগ মাধৱ কলিতাক আৰু ২০২৫ বৰ্ষৰ বঁটাটি চি বি এছ ই (CBSE) দশম পৰীক্ষাত ৯২.২৪ শতাংশ লাভ কৰা গৌৰী ফুকনক প্ৰদান কৰা হয়। লগতে সম্বৰ্ধনা জনোৱা আটাইকেইগৰাকী ছাত্ৰ-ছাত্ৰীক অতুল হাজৰিকাই একোটিকৈ মূল্যৱান মেহগনি পুলি প্ৰদান কৰে। অনুষ্ঠানত বহুকেইগৰাকী বিশিষ্ট ব্যক্তিক বস্ত্ৰ আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায়। উল্লেখযোগ্য যে ২০১৮ চনৰ পৰা ধাৰাবাহিকভাৱে এনে অনুষ্ঠানৰ আয়োজন কৰি আহিছে।

# বানাক্ৰান্তৰ কাষত শিল্পী সমাজ ঃ বিপিন

প্ৰলয়ংকৰী বানপানী সংঘটিত হয়। বিশেষকৈ ঐতিহাসিক চৰাইদেউ জিলাৰ সোণাৰি আৰু মাহমৰা বিধানসভা সমষ্টি দুখন সম্পূৰ্ণৰূপে বানে বিধ্বস্ত কৰি পেলায়। সোণাৰি নগৰত যদিও পানীৰ পৰিমাণ কিছু কমিছে, জিলাখনৰ অন্যান্য অঞ্চলত এতিয়াও বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। বহু লোক আশ্ৰয় শিবিৰলৈ গৈছে যদিও একাংশই পথত আশ্ৰয় লৈছে, আকৌ কিছুসংখ্যক পানীৰ মাজতে ওখ ঠাইত আবদ্ধ হৈ থাকিব লগা হৈছে। জিলা প্ৰশাসনে বান সাহায্য প্ৰদানৰ চেষ্টা চলাই থাকিলেও বহু দূৰৱৰ্তী আৰু ভিতৰুৱা অঞ্চললৈ সঠিকভাৱে সহায় পৌছাব পৰা নাই। ফলত বহু লোক খাদ্য, পানী আৰু ঔষধৰ অভাৱত চৰম দুৰ্বস্থাত সময় কটাইছে। এই প্ৰেক্ষাপটতে মৰাণৰ শিল্পী সমাজে খাদ্য সামগ্ৰী সংগ্ৰহ কৰি মাহমৰাৰ বানাক্ৰান্ত ৰাইজলৈ আগবাঢ়ি যায়। বিপিন চাউদাং, কুসুম কৈলাসকে ধৰি কেইবাগৰাকীও শিল্পীয়ে আজি মাহমৰাৰ সাহায্য নোপোৱা ভিতৰুৱা অঞ্চলৰ ৰাইজৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰেএই মানৱীয় কামত স্থানীয় ৰাইজ, ইউটিউবাৰ আৰু সচেতন নাগৰিকসকলেও সহযোগিতা আগবঢ়ায়। মৰাণৰ পৰা তিনিফোৰ গাড়ী খাদ্য সামগ্ৰী লৈ আহি শিল্পীসকলে বিতৰণ কাৰ্য্য সম্পন্ন কৰে। বিপিন চাউদাঙে সংবাদ মাধ্যমৰ আগত কয়, "এই সংকটময় সময়ত আমি শিল্পী-কলাকুশলীসকলৰ দায়িত্ব হিচাপে আগবাঢ়ি আহিছোঁ। মৰাণৰ ৰাইজেও যথেষ্ট সহায় কৰিছে। আজি আমি তিনি-চাৰিগাড়ী বস্তু লৈ ওলাইছোঁ, যদিও এইখিনি অপূৰণীয় ক্ষতিৰ সন্মুখীন হোৱা ৰাইজৰ বাবে অতি সামান্য, তথাপি আমি চেষ্টা এৰা নাই। মই অসমৰ ৰাইজক আহ্বান জনাইছোঁ- বানপীড়িত ৰাইজৰ বাবে সকলো আগবাঢ়ি আহক, নিজৰ সামৰ্থ্য অনুযায়ী যাতে পাৰি সহায় কৰক।" তেওঁ গীতৰ মাজেৰেও এই বাৰ্তা প্ৰচাৰ কৰে। কুসুম কৈলাসে কয়, "কেৱল শিল্পী সমাজেই নহয়, মৰাণৰ সচেতন ব্যক্তি, ইউটিউবাৰ সকলো ওলাই আহিছে। সকলোৰে সহযোগিতাৰ বাবে বৰ ভাল লাগিছে। কালি আমি যোৱাৰ পাছতে সিদ্ধান্ত লৈছিলোঁ যে আজি সাহায্যৰ বাবে যাম। চৰকাৰে যিমানেই চেষ্টা নকৰক, এই অপূৰণীয় ক্ষতি সম্পূৰ্ণৰূপে পূৰণ কৰা সম্ভৱ নহয়। সেয়ে সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোক আগবাঢ়ি অহা উচিত। বহুতে এতিয়াও কোনো ধৰণৰ সাহায্য পোৱা নাই। পানী যদিও কিছু পৰিমাণে সৰি আছে, আমি ভিতৰুৱা ঠাইবোৰলৈ গৈ যিমান পাৰি সহায় কৰিবলৈ চেষ্টা চলাই যাম। উল্লেখযোগ্য যে চৰাইদেউ জিলাৰ মাহমৰা আৰু সোণাৰি অঞ্চল এইবাৰৰ বানত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। প্ৰশাসনৰ তৰফৰ পৰা উদ্ধাৰ আৰু সাহায্য কাৰ্য্য চলাই থকা সত্ত্বেও বহু সম্প্ৰদায় সহায়ৰ পৰা বঞ্চিত হৈ থকা বুলি অভিযোগ উঠিছে। এনে পৰিস্থিতিতে শিল্পী সমাজৰ এই উদ্যোগক স্থানীয় ৰাইজে নিঃসংকোচে স্বাগতম জনাইছে। বিপিন চাউদাং আৰু কুসুম কৈলাসৰ এই মানৱীয় কাৰ্য্যই সমাজৰ অন্যান্য শ্ৰেণীৰ লোককো বানাক্ৰান্তৰ কাষত থিয় দিবলৈ অনুপ্ৰাণিত কৰিব বুলি আশা কৰা হৈছে।

# ক্ৰাইম ব্ৰাঞ্চৰ চমন মানি গুৱাহাটীত

গুৱাহাটীত উপস্থিত হয়। ৰিণিকি ভূঞা শৰ্মাৰ অভিযোগ সম্পৰ্কীয় গোচৰত তেওঁৰ সাক্ষাৎগ্ৰহণ কৰাৰ উদ্দেশ্যে ক্ৰাইম ব্ৰাঞ্চে এই চমন জাৰি কৰিছিল। ইয়াৰ আগতে কেইবাবাৰো পৱন খেৰাক অপৰাধ শাখাত হাজিৰ হ'বলৈ জনোৱা হৈছিল। কিন্তু দলীয় কাৰ্যসূচী আৰু শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ হাজিৰ হ'ব পৰা নাছিল। অৱশ্যে তেওঁ কয় যে স্বাস্থ্যজনিত কাৰণতে আগেয়ে উপস্থিত থাকিব নোৱাৰিলে, আৰু এই বিষয়ে ক্ৰাইম ব্ৰাঞ্চক অৱগত কৰাইছিল। বৃহস্পতিবাৰে বিমানবন্দৰত উপস্থিত হোৱাৰ লগে লগে কংগ্ৰেছৰ স্থানীয় নেতা-কৰ্মীসকলে পৱন খেৰাক সংগ দি আদৰণি জনায়। ইয়াৰ পিছত তেওঁ ক্ৰাইম ব্ৰাঞ্চলৈ যায়। সংবাদ মাধ্যমৰ আগত পৱন খেৰাই কয়, "ক্ৰাইম ব্ৰাঞ্চে মোক মাতিছে, সেয়েহে মই আহিছো। আগতে মাতিছিল যদিও শাৰীৰিক অৱস্থাৰ বাবে উপস্থিত থাকিব পৰা নাছিলো। মই তেওঁলোকক আবেদন জনাইছিলো আৰু তেওঁলোকে গ্ৰহণ কৰিছিল। গোচৰৰ বিষয়ে মই একো নকওঁ। যি কোৱা দৰকাৰ, সেইখিনি আদালত আৰু অনুসন্ধানকাৰী সংস্থাক ক'ম। অসম মোৰ বৰ ভাল লাগে, ইয়ালৈ আহিবলৈ সদায় ভাল পাওঁ। অভিযোগৰ বিষয়ে যি ক'ব লগীয়া আছে, তাৰ বাবে ক্ৰাইম ব্ৰাঞ্চতেই সাক্ষাৎ দিম।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা
● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন